● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

সামাজিক দায়বদ্ধতাত অবিচল

# অগ্ৰদূত

**দিগ্‌দৰ্শন**



অহৰহ সুখৰ উৎসৰ সন্ধানত থাকিলে আপুনি কেতিয়াও সুখী হ'ব নোৱাৰিব আৰু জীৱনৰ সংজ্ঞা বিচাৰি থাকিলে কেতিয়াও ইয়াক উপভোগ কৰিব নোৱাৰিব।

আলবেয়াৰ কেম্যু
*ফৰাচী দাৰ্শনিক*

www.dainikagradoot.in

৭ চৰকাৰী বিদ্যালয় বন্ধ হ'ব নেকি?
১৫ এছিয়া কাপত আজি পুনৰ ভাৰত-পাকিস্তান
৪ দেশত স্বপ্ন দেখাৰ এতিয়া একো নাই

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩২৫তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৮ ভাদ ১৪২৯ ভাস্কৰাব্দ ৪ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 4 September 2022 মূল্য ঃ ৯.০০ টকা

# তিনিশ পৰিয়ালক উচ্ছেদ

■ শোণিতপুৰৰ চিতলমাৰীত প্ৰশাসনৰ অভিযান ■ এশ মেগাৱাট সৌৰশক্তি উৎপাদন কেন্দ্ৰ স্থাপনৰ ঘোষণা উপায়ুক্তৰ ■ এহেজাৰ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ সিদ্ধান্ত





ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

**তেজপুৰ/ঠেলামৰা, ৩ ছেপ্টেম্বৰ ঃ** গৰুখুঁটি, লামডিং, গুৱাহাটীৰ শিলসাঁকোৰ পাছত এইবাৰ বৃহৎ উচ্ছেদ অভিযানেৰে বেদখলমুক্ত কৰা হ'ল শোণিতপুৰ জিলাৰ তিনি নম্বৰ চিতলমাৰী অঞ্চল। ২০ খনতকৈ অধিক এক্সকেভেটৰ, ১৫ খনতকৈও অধিক ট্ৰেক্টৰ তথা তিনি সহস্ৰাধিক আৰক্ষী-নিৰাপত্তাৰক্ষীৰে পৰিবেষ্টিত হৈ আজি পুৱা ছয় বজাৰ পৰা বৰছলা সমষ্টিৰ চিতলমাৰীত চলোৱা হয় এই বৃহৎ উচ্ছেদ অভিযান। মুঠতে প্ৰায় এহেজাৰ বিঘা বেদখলকৃত মাটি বেদখলমুক্ত কৰাৰ লক্ষ্যৰে চলোৱা আজিৰ এই উচ্ছেদ অভিযানত প্ৰায় *১০ পৃষ্ঠাত চাওক*

## বিৰূপ প্ৰতিক্ৰিয়াৰ শংকাত শিক্ষা বিভাগে গোপনে বন্ধ কৰিলে ১,৭৮৯খন বিদ্যালয়

**২১ জিলাৰ নিম্ন প্ৰাথমিক-উচ্চ প্ৰাথমিক, মজলীয়া বিদ্যালয়ৰ মাজত একত্ৰীকৰণ ঃ ছাত্ৰ-ছাত্ৰীৰ অভাৱৰ অজুহাত**

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে জধে-মধে বিদ্যালয় একত্ৰীকৰণ কৰাৰ অভিযোগত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে প্ৰতিক্ৰিয়াৰ আশংকাতে বিভাগে বিগত তিনিমাহৰ ভিতৰত অতি সংগোপনে ১৭ শতকৈও অধিক নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় বন্ধ *১০ পৃষ্ঠাত চাওক*

## প্ৰায় নিৰপেক্ষ

**ধীমান সিন্‌হাৰ পষেকীয়া কলম**

### মিখাইল গৰ্বাচেভৰ স্মৰণত



এই সপ্তাহত প্ৰাক্তন ছোভিয়েট ইউনিয়নৰ অন্তিমগৰাকী ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচেভৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ স'তে এটা যুগৰ যেন অন্ত পৰিল। আমি স্কুলত থকা দিনলৈকে কি যে গুৰুত্বপূৰ্ণ আছিল ছোভিয়েট ইউনিয়ন আৰু গৰ্বাচেভ তাক বৰ্তমানৰ প্ৰজন্মটোৱে কল্পনাও কৰিব নোৱাৰে। দুটা মেৰুত বিভক্ত এখন যুদ্ধোন্মাদ পৃথিৱী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ তথা ছোভিয়েট দেশ ৰ ৰাষ্ট্ৰপতি যেন দুজন ঈশ্বৰ। তেওঁলোকৰ *১০ পৃষ্ঠাত চাওক*

## আন্তৰ্জাতিক সীমাৰ সমীপত ম্যানমাৰৰ ভূমিত সামৰিক শিবিৰ স্থাপন আলফা (স্বা)ৰ

**এনআইএৰ বৃহৎ অভিযানত তথ্য লাভ**



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** শান্তি আলোচনা প্ৰক্ৰিয়াক নস্যাৎ কৰি চৰকাৰক প্ৰত্যাহ্বানহে জনাইছে আলফা (স্বাধীন)ই। *১০ পৃষ্ঠাত চাওক*

## ২২জন শিক্ষাগুৰুলৈ ৰাজ্যিক কৃতী শিক্ষক বঁটা ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱসৰ প্ৰাকমুহূৰ্তত ৰাজ্য চৰকাৰে আজি মাধ্যমিক, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক শিক্ষাখণ্ডৰ সৰ্বমুঠ ২২ গৰাকী শিক্ষকলৈ আগবঢ়ালে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা। ৰাজ্যৰ শিক্ষা বিভাগে *১০ পৃষ্ঠাত চাওক*

## সীমান্তত মন্ত্ৰী জয়ন্তমল্লৰ সন্মুখতে প্ৰচণ্ড মাৰপিট দুই ৰাজ্যৰ বাসিন্দাৰ



**ধেমাজি/গোগামুখ,৩ ছেপ্টেম্বৰ ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত জয়ৰামপুৰ কেঁচা কাঠনিত আজি দুই ৰাজ্যৰ সীমান্তৱৰ্তী লোকৰ মাজত প্ৰচণ্ড মাৰপিটৰ *১০ পৃষ্ঠাত চাওক*

## সংশোধনী কেন্দ্ৰত উপযুক্ত ব্যৱস্থাপনাৰ নিৰ্দেশ মন্ত্ৰীৰ

**দিছপুৰত স্বত্বাধিকাৰীসকলৰ স'তে পৰ্যালোচনা বৈঠক পীযুষ হাজৰিকাৰ**



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** সামাজিক ন্যায় আৰু সৰলীকৰণ মন্ত্ৰী পীযুষ হাজৰিকাই আজি ৰাজ্য চৰকাৰৰ আৰক্ষী আৰু স্বাস্থ্য বিভাগৰ বিষয়াৰ লগতে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তৰ উপস্থিতিত *১০ পৃষ্ঠাত চাওক*









দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৪ ছেপ্টেম্বৰ, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## জাগীৰোডৰ বাৰুকটাত প্ৰসাদত বিষক্ৰিয়া শতাধিক লোক অসুস্থ

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ৩ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ জাগীৰোড থানাৰ অন্তৰ্গত বাৰুকটা গাঁৱত প্ৰসাদত বিষক্ৰিয়া হোৱাত শতাধিক লোক অসুস্থ হৈ পৰে। যোৱা এক ছেপ্টেম্বৰত গাঁওখনৰ ৰম্ভা কোঁৱৰৰ ঘৰত বছৰেকীয়া সকাম আয়োজন কৰিছিল। এই সকামৰ অন্তত সকামলৈ অহা লোকসকলে প্ৰসাদ গ্ৰহণ কৰিছিল। ইয়াৰ পাছতে নিশাৰ ভাগত দুই এজন লোক অলপ অসুস্থ হৈ পৰিছিল। পৰৱৰ্তী সময়ত কালি পুৱাৰ ভাগত ইজনৰ পাছত আন এজন লোক আঠ পৃষ্ঠাত চাওক

## এজনক গ্ৰেপ্তাৰ ঃ সুৰাৰ ৰাগিত মনোমালিন্যৰ পৰিণতি

## তেজপুৰৰ আৰিমৰা চাপৰিত নৃশংস হত্যাকাণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ আৰিমৰা চাপৰিৰ অন্তৰ্ভুক্ত খেলেপীয়া চাপৰিত যোৱা নিশা সংঘটিত হৈছে এক লোমহৰ্ষক হত্যাকাণ্ড। তেজপুৰৰ বেবেজীয়া আৰক্ষী চকীৰ বেছেৰীয়া আৰিমৰা চাপৰিত সংঘটিত হোৱা এই হত্যাকাণ্ডৰ বিৱৰণ অনুসৰি চাপৰিটোত থকা মিন্টু নাথৰ গৰু-ম'হৰ খুঁটিৰ ৰখীয়া বাহাদুৰ (৬৫) নামৰ লোকজনৰ স'তে সমীপৰ আন এটা খুঁটিৰ ৰখীয়া হিচাপে থকা কৃষ্ণ মানকি (২৮) নামৰ যুৱকজনৰ কোনো কথাক লৈ মনোমালিন্য ঘটে। দুয়ো নিশা একেলগে সুৰাপান কৰি থকাৰ সময়তে কোনো কথাত দুয়োৰে মাজত কাজিয়াৰ সূত্ৰপাত হয়। এনে পৰিস্থিতিত হিতাহিত জ্ঞান হেৰুৱাই কৃষ্ণই এখন দাৰে বাহাদুৰক ১৩ পৃষ্ঠাত চাওক

■ চাৰিজনক ক্ৰীড়া পেঞ্চন-চাৰি এনচিচি কেডেটক বীৰ চিলাৰায় বঁটা প্ৰদান মুখ্যমন্ত্ৰীৰ

■ কমনৱেলথত স্বৰ্ণজয়ী নয়নমণিক ৫০ লাখৰ চেক, উপ-আৰক্ষী অধীক্ষকৰ পদ

# ৰাষ্ট্ৰীয় ক্ৰীড়াত পদকজয়ীলৈ চৰকাৰী চাকৰি

### ক্ৰীড়া পেঞ্চন দিৱসত ৰাজ্যৰ চাৰি ক্ৰীড়াবিদক ৫০ হেজাৰ টকাৰ একালীন সাহায্য ঃ ৰাজ্যত অনুষ্ঠিত হ'ব 'থলুৱা ক্ৰীড়া সমাৰোহ'

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্ম দিনত ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস উদ্‌যাপনৰ সমান্তৰালভাৱে এই দিৱসৰ লগত সংগতি ৰাখি ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত জনতা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত আজি 'ক্ৰীড়া পেঞ্চন দিৱস' উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কমনৱেলথ গেমছ (২০২২)ত স্বৰ্ণ পদক জয় কৰিবলৈ সক্ষম হোৱা নয়নমণি শইকীয়াক অসম ক্ৰীড়া নীতি অনুসৰি ৫০ লাখ টকাৰ চেক প্ৰদান কৰাৰ লগতে উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তিপত্ৰ প্ৰদান কৰে। সমান্তৰালভাৱে এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাৰিজন বিশিষ্ট ক্ৰীড়াবিদ ক্ৰমে কাছাৰৰ টী শ্যামোলিনী দেৱী, ধেমাজিৰ ৰজনী দেউৰী, কামৰূপ মহানগৰৰ মণিকংকনা দত্তবৰুৱা আৰু পল্লবী দত্তবৰুৱাক ৫০ হেজাৰ টকাৰ একালীন সাহায্য, চাৰিজন ক্ৰীড়াবিদ ক্ৰমে কাছাৰৰ ৰাই অমৃত কান্তা সিংহ আৰু নতুম সিংহ, যোৰহাটৰ ৰঞ্জিত ৰাজকুমাৰ আৰু কামৰূপ মহানগৰৰ মৌচুমী ভূঞাক ১০ হেজাৰ টকাকৈ নিয়মীয়া 'ক্ৰীড়া পেঞ্চন' প্ৰদান কৰে। ইয়াৰ উপৰি আঠ পৃষ্ঠাত চাওক



## ১১ টা ম'বাইল, ৭২০ খন ছিমসহ ধৰা পৰিল মৈৰাবাৰীৰ মামুন মুঞ্চি

### কম সময়তে কোটিপতি হোৱা কুখ্যাত 'চাইবাৰ এক্সপাৰ্ট'ৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰা হ'ল ছয়জনকৈ সহযোগীক



উত্থাপিত হৈ আহিছে। পিছে উপযুক্ত তথ্য-প্ৰমাণৰ অভাৱত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব পৰা নাছিল মামুন মুঞ্চিক। শুকুৰবাৰে নিশা মৈৰাবাৰী আৰক্ষীয়ে গুপ্তচৰৰ জৰিয়তে তথ্য লাভ কৰিছিল যে মামুন মুঞ্চিয়ে নিজ ঘৰতে লগত সাতজনীয়া দল এটাক লৈ ম'বাইল ফোনেৰে অব্যাহত ৰাখিছে চাইবাৰ অপৰাধ। লগে লগে আৰক্ষীৰ এটা বৃহৎ দল গৈ এই চাইবাৰ অপৰাধীজনৰ ঘৰ ঘেৰাও কৰি মামুন মুঞ্চিৰ লগতে আন ছয়জন যুৱককো কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত এই চাইবাৰ অপৰাধীজনৰ ঘৰৰ পৰা জব্দ কৰে ১১ টাকৈ স্মাৰ্ট ফোন, ৭২০ খন ছিম কাৰ্ড, ছয়খন পাছবুক, বহুসংখ্যক পান আৰু আধাৰ কাৰ্ডৰ লগতে নগদ ২০ হেজাৰ টকা। মৰিগাঁৱৰ আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজনৰ নিৰ্দেশত চলা এই অভিযানত মামুন মুঞ্চিৰ লগতে গ্ৰেপ্তাৰ কৰা হয় ক্ৰমে মুস্তাক মুঞ্চি ওৰফে মুস্তাক আহমেদ (৩২), আৰিফুল ইছলাম (২০), ওমৰ ফাৰুক (২০), দিলদাৰ হুছেইন (৩৬), ১৩ পৃষ্ঠাত চাওক

## তিনিচুকীয়াৰ কাকপথাৰত ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ এনকাউণ্টাৰ

**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা/কাকপথাৰ, ৩ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত লাজুংগাঁৱত আজি তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক লক্ষ্য কৰি গুলিচালনা কৰে আৰক্ষীয়ে। আৰক্ষীৰ এই এনকাউণ্টাৰত এজন ড্ৰাগছ সৰবৰাহকাৰী গুলিবিদ্ধ হোৱাৰ বিপৰীতে আন দুজন পলাই

### এজন গুলিবিদ্ধ ঃ তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক আটক

সাৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰিপুঞ্জয় কাকতি, ডিএছপি পাৰ্থপ্ৰতিম দুৱৰা, হিৰণ্য বৰা আৰু ডুমডুমা থানাৰ অ'চি দিব্যজ্যোতি দত্তৰ নেতৃত্বত বিয়লি তিনি বজাত কাকপথাৰত এই ড্ৰাগছ বিৰোধী অভিযান চলোৱা হৈছিল। অভিযান কালত আৰক্ষীৰ দলটোৱে অসামৰিক পোছাকত গৈ ড্ৰাগছ সৰবৰাহকাৰীকেইজনক কৰায়ত্ত কৰাৰ চেষ্টা কৰে যদিও সৰবৰাহকাৰীকেইজনে আৰক্ষীৰ স'তে সংঘাতত লিপ্ত হৈ আৰক্ষীৰ অস্ত্ৰ কাঢ়িবলৈহে চেষ্টা কৰে। ফলত আৰক্ষীৰ ১৩ পৃষ্ঠাত চাওক

### অশ্ৰাব্য চিঞৰ-বাখৰৰ অস্বস্তিকৰ পৰিৱেশত অতিষ্ঠ ৰাইজ

## গণেশ পূজাৰ নামত কোকৰাঝাৰত ডিজেৰ উচ্চাংগ সংগীতৰ তালে তালে উদ্দাম নৃত্য

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ চহৰত অলিয়ে-গলিয়ে গণেশ পূজা পালনৰ নামত কালি বিসৰ্জনৰ সময়ত ডিজেত উচ্চাংগ সংগীত, উদ্দাম নৃত্য প্ৰদৰ্শন, মদ্যপান কৰি অশ্ৰাব্য চিঞৰ-বাখৰেৰে এক বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ হোৱা কাৰ্যক লৈ চহৰখনৰ বিভিন্ন সচেতন মহল আৰু জ্যেষ্ঠ নাগৰিক মহলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এনেকুৱা অৰাজকতা আৰু বিশৃংখল পৰিস্থিতিৰ বাবে জিলা প্ৰশাসনকে জগৰীয়া কৰিছে সচেতন মহলে। কাৰণ জিলা প্ৰশাসনে কোনো বাছ-বিচাৰ নকৰাকৈ, জধে-মধে কোনো নিৰ্দিষ্ট নীতি-নিয়ম বান্ধি নিদিয়াকৈ পূজা পালনৰ অনুমতি প্ৰদান কৰা বাবে এনেদৰে পৰিস্থিতি নিয়ন্ত্ৰণহীন হৈ পৰিছে বুলিও মতপোষণ কৰিছে। উল্লেখ্য যে প্ৰশাসনৰ অদূৰদৰ্শিতাৰ বাবে বিগত বৰ্ষত বিসৰ্জনৰ সময়ত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। তেনেস্থলত বিগত বৰ্ষত হোৱা অভিজ্ঞতাৰ ১৩ পৃষ্ঠাত চাওক

## সোণাপুৰত অবৈধ গো-ধন সৰবৰাহকাৰী গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৩ ছেপ্টেম্বৰ ঃ** ৩৭ নম্বৰ ঘাইপথত দীৰ্ঘদিন ধৰি অবৈধ গো-ধন সৰবৰাহকাৰীৰ বাহনৰ পৰা ধন সংগ্ৰহ কৰি অহা তিনিজনীয়া দুৰ্বৃত্তৰ দল এটি সোণাপুৰ আৰক্ষীৰ জালত পৰিছে। উল্লেখ্য যে ঘাইপথেৰে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা মেঘালয়লৈ বুলি অবৈধ গোধন সৰবৰাহ হৈ থকাটো এতিয়া নিত্যনৈমিত্তিক ঘটনা হৈ পৰিছে। ইয়াৰে আঁৰ লৈ একাংশ দুষ্কৃতিকাৰীয়ে অবৈধ গো-সৰবৰাহকাৰীৰ বাহনৰ পৰা আৰক্ষীক আঠ পৃষ্ঠাত চাওক

## কাছাৰত এক কোটি টকা মূল্যৰ দুই ট্ৰাক বাৰ্মিজ চুপাৰি জব্দ, পাঁচজনক গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**শিলচৰ, ৩ ছেপ্টেম্বৰ ঃ** আৰক্ষী প্ৰশাসনৰ ব্যাপক সতৰ্কতাৰ মাজতো বহিঃৰাষ্ট্ৰৰ লগতে অসমতো চোৰাং সামগ্ৰী সৰবৰাহৰ অনুমান সত্য প্ৰমাণিত কৰি আজি কাছাৰ আৰক্ষীয়ে জব্দ কৰিলে দুই ট্ৰাক বাৰ্মিজ চুপাৰি। চোৰাংচোৰা সূত্ৰই লাভ কৰা তথ্যৰ ভিত্তিত কাছাৰৰ তাৰাপুৰ আৰক্ষীৰ এটা দলে অভিযান চলাই ৰাজপথত জব্দ কৰে চোৰাং চুপাৰি ভৰ্তি ট্ৰাক দুখন। ঘটনাৰ সন্দৰ্ভত কাছাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাৰে কয় যে তাৰাপুৰ আৰক্ষীয়ে এই ট্ৰাক দুখনক ৰখাবলৈ সংকেত দিছিল যদিও চালক দুজনে পলায়নৰ চেষ্টা চলাইছিল। পিছত অৱশ্যে দুয়োখন ট্ৰাক জব্দ কৰাৰ লগতে দুই চালকক গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য যে এই ট্ৰাক দুখনত মুঠতে দুশ বস্তা বাৰ্মিজ চুপাৰি আছিল। জব্দ কৰা চুপাৰিখিনিৰ ১৩ পৃষ্ঠাত চাওক

## লাহৰীঘাটত ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ৩ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই পুনৰ বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক কৰে দুই ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজন ক্ৰমে জয়নাল আবদিন আৰু নুৰুল ইছলাম। মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে আজি যৌথভাৱে অভিযান চলাই ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰখাবলৰ পৰা ড্ৰাগছ সৰবৰাহকাৰী দুজনক আটক কৰাৰ লগতে ড্ৰাগছভৰ্তি আঠটা চাবোনৰ বাকচ জব্দ কৰে আৰক্ষীয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী নুৰুল ইছলামৰ ঘৰ কোচবিহাৰ আৰু জয়নাল ১৩ পৃষ্ঠাত চাওক

## তামাৰহাটত এখন বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

### শ্ৰেণীত পাঠদানৰ পৰিৱৰ্তে স্কুলত আৰক্ষী-ৰাইজৰ খণ্ডযুদ্ধ



**তামাৰহাট, ৩ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনী শিক্ষা খণ্ডৰ ঘৃতিঙাকুটি প্ৰাথমিক বিদ্যালয়ত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰাইজক প্ৰহাৰ কৰা বুলি অভিযোগ উঠিছে তামাৰহাট থানাৰ আৰক্ষীৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰধান শিক্ষকৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। পাছত আৰক্ষীয়ে চাৰিজন লোকক আটক কৰি থানালৈ নিয়ে। উল্লেখ্য যে কিছুদিন ধৰি উক্ত স্কুলৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনী বদলিকৰণক কেন্দ্ৰ কৰি প্ৰধান শিক্ষক জয়দৰ শ্বেখৰ বিৰুদ্ধে ৰাইজ তথা স্কুল পৰিচালনা সমিতিয়ে ক্ষুব্ধ হৈ পৰে। এই সন্দৰ্ভত ৰাইজে বাৰম্বাৰ প্ৰধান শিক্ষকক অৱগত কৰাৰ পাছতো কোনো গুৰুত্ব দিয়া নাছিল। আজি অভিভাৱক, পৰিচালনা সমিতি স্কুলত উপস্থিত হোৱাত প্ৰধান শিক্ষকজনে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে ঘটনাৰ কোনো বুজ নোলোৱাকৈ স্কুল ছুটী দি ছাত্ৰ-ছাত্ৰীক আঁতৰাই অভিভাৱকক মাৰধৰ কৰাৰ লগতে চাৰিজনক উঠাই নিয়ে। ইয়াক লৈ পৰিস্থিতি উত্তপ্ত হৈ থকা অৱস্থাত আৰক্ষী পুনৰ স্কুলত গৈ ৰাইজক প্ৰহাৰ কৰে। তাৰ পাছত উত্তপ্ত হৈ পৰে স্কুলৰ চৌহদ।

### আৰক্ষীৰ বাধাত উত্তপ্ত পৰিস্থিতি-আটক ঃ বিভাগ চলোৱাত ব্যৰ্থ জলসিঞ্চন মন্ত্ৰী সিংহালৰ পদত্যাগৰ দাবী

## খৰাং পথাৰত পানী বিচাৰি জলসিঞ্চনৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ত প্ৰতিবাদ কৃষক মুক্তিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ খৰাংপীড়িত কৃষকৰ পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা আৰু ক্ষতিগ্ৰস্ত কৃষকক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ দাবীত প্ৰতিবাদ আৰু স্মাৰকপত্ৰ প্ৰদানৰ উদ্দেশ্যে চান্দমাৰিস্থিত জলসিঞ্চন বিভাগৰ মুখ্য অভিযন্তা কাৰ্যালয় অভিমুখী কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা-সদস্যক আৰক্ষীয়ে বাধা প্ৰদান কৰাৰ পাছতে চান্দমাৰিৰ ৰাজপথত এক যুদ্ধসদৃশ পৰিস্থিতিৰ সূচনা হয়। পুৱা প্ৰায় ১০ বজাত কৃষক মুক্তিৰ শতাধিক সদস্য কাৰ্যালয়ৰ সন্মুখত উপস্থিত হোৱাৰ পূৰ্বেই আৰক্ষীয়ে ১৩ পৃষ্ঠাত চাওক



## চিৰাঙৰ ছাতিপুৰত ৫.৫ কিলোগ্ৰাম গাঞ্জাসহ গ্ৰেপ্তাৰ গাঞ্জা ব্যৱসায়ী মজিবৰ ৰহমান

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৩ ছেপ্টেম্বৰ ঃ** চিৰাঙৰ ছাতিপুৰত গাঞ্জাসহ গ্ৰেপ্তাৰ এজন। চিৰাং জিলাৰ ঢালিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ছাতিপুৰত অঞ্চলটোৰ একাংশ সাধাৰণ ৰাইজৰ প্ৰচেষ্টাত গাঞ্জা কিনিবলৈ অহা তিনিজন যুৱকক হাতে-লোটে ধৰাৰ পাছতেই ঢালিগাঁও আৰক্ষী থানাত খবৰ দিয়ে। পাছত ঢালিগাঁও আৰক্ষী থানাৰ বিষয়া দ্বিপেন নাৰ্জাৰী আৰু সত্যজিত ৰায়ৰ নেতৃত্বত আৰক্ষীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ ১৩৫ গ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে গাঞ্জা ব্যৱসায়ী মজিবৰ ৰহমানৰ ঘৰত তদন্ত চলাই ঘৰৰ পিছফালে লুকুৱাই ৰখা অৱস্থাত পাঁচ কিলো ২১০ গ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰাই মজিবৰ ৰহমান নামৰ লোকজনে বৰতালোৱা বজাৰৰ ওচৰত থকা এটা সৰু গুমটী দোকানত নিষিদ্ধ গাঞ্জাৰ ব্যৱসায় কৰি আহিছিল। স্কুল-কলেজীয়া ছাত্ৰই এই আঠ পৃষ্ঠাত চাওক

### সংকটজনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ ভুক্তভোগীক

## খাৰুপেটীয়াক পত্নীক এচিডেৰে আক্ৰমণ কৰি কাৰাগাৰলৈ স্বামী

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ৩ ছেপ্টেম্বৰ ঃ** দৰঙৰ খাৰুপেটীয়া নগৰৰ মাজমজিয়াত এজন লোকে পত্নীৰ মুখত এচিডেৰে আক্ৰমণ কৰা ঘটনাই সম্প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সম্প্ৰতি ভুক্তভোগী মহিলাগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত জীৱন মৰণেৰে যুঁজ দি আছে বুলি পৰিয়ালৰ লোকে জনাইছে। যোৱা ৩১ আগষ্টৰ নিশা



সংঘটিত এই ঘটনা আজি পোহৰলৈ অহাৰ পাছতে আৰক্ষীয়ে অভিযুক্ত লোকজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ৰাম নগৰ নিবাসী অমল ধৰে ৩১ আগষ্টৰ নিশা পাৰিবাৰিক কাজিয়াৰ পৰিণতিত পত্নীৰ মুখত এচিডেৰে আক্ৰমণ কৰে। এচিডে মহিলাগৰাকীৰ মুখৰ লগতে সমগ্ৰ শৰীৰৰ বিভিন্ন অংশ দগ্ধ কৰে। এই খবৰ পোৱাৰ পাছতে মহিলাগৰাকীৰ মাতৃ টুটু চুৰাই আহি গুৰুতৰভাৱে আহত কন্যাক স্থানীয় চিকিৎসালয়লৈ আঠ পৃষ্ঠাত চাওক




### লাম্পীত আত্মসমৰ্পণকাৰী ইউনাইটেড গোৰ্খা পিপল্‌ছ অৰ্গেনাইজেছন



## অস্ত্ৰ হে এৰিছো, জীয়াই থকা পৰ্যন্ত নিজৰ জন্মস্থানৰ বাবে যুঁজিবলৈ সাজু

**অগ্ৰদূত বাৰ্তা**

**বকো, ৩ ছেপ্টেম্বৰ ঃ** অসমৰ সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। চৰজমিন তদন্তৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত হাতে-কামে অগ্ৰসৰ হৈছে ৰাজ্য চৰকাৰ। ইতিমধ্যে প্ৰথম পৰ্যায়ত অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ হাহিম, তাৰাবাৰী আৰু গীজাং অঞ্চলৰ সীমা সমস্যা সমাধান কৰিছে। পুনৰ দ্বিতীয় পৰ্যায়ত অসম-মেঘালয় সীমান্তৱৰ্তী অসমৰ বকোৰ চিৰসেউজ লাম্পীৰ প্ৰতিবেদন দাখিল কৰা বাবে ৰাজ্য চৰকাৰে উপ-সমিতিক আহ্বান জনাইছে। অসম চৰকাৰে লাম্পীক লৈ গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ পূৰ্বে আজি ল'ৰাৰ লাম্পীত স্থানীয় ৰাইজ, অসম গোৰ্খা সন্মিলনৰ কামৰূপ জিলা সমিতি তথা আত্মসমৰ্পণকাৰী সশস্ত্ৰ গোৰ্খা সংগঠন (ইউনাইটেড গোৰ্খা পিপলছ অৰ্গেনাইজেছন)ৰ বিষয়ববীয়া সকলে এখন ৰাজহুৱা সভাত মিলিত হয়। ৰাজহুৱা সভাত অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ দ্বিতীয় শ্বিলংসদৃশ বকোৰ চিৰসেউজ লাম্পীখন যিকোনো পৰ্যায় বা পৰিস্থিতিতে যাতে ৰাজ্য চৰকাৰে মেঘালয়ৰ চামিলকৰণ কৰিব নোৱাৰে, সেই বিষয়ত মতপোষণ কৰি এক সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ বকোৰ লাম্পীৰ এক ইঞ্চি ভূমিও মেঘালয়ৰ অন্তৰ্ভুক্ত কৰিল লাম্পীবাসী উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলিও মত পোষণ কৰে অসম গোৰ্খা সন্মিলনৰ কামৰূপ জিলা সমিতিৰ সভাপতি অৰ্জুন ছেত্ৰীয়ে। ইতিমধ্যে অসমৰ চিৰসেউজ লাম্পী সম্পৰ্কত গোৰ্খা জাতীয় সংগঠন সমূহে মানচিত্ৰ, লাম্পীৰ বিৱৰণ, ১৩ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ৪ ছেপ্টেম্বৰ দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# ‘দৈনিক অগ্ৰদূত’ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ

## ড° পূৰ্ণ ভট্টাচাৰ্য



**প্ৰশ্ন ঃ জীৱনৰ সংজ্ঞা কি?**

**উত্তৰ ঃ** সকলোতকৈ কঠিন বিদ্যায়তনিক কাম হ’ল সংজ্ঞা ৰচনা কৰা। কোনো এটা বিষয়ৰ সংজ্ঞা ৰচনা কৰিব দিলেই কথন শৈলী বা লিখন ভংগী নিৰ্বিকাৰ, গতিহীন হ’ব খোজে। মহাবিদ্যালয় আৰু স্নাতকোত্তৰ পৰ্যায়ত কবিতা বা গল্পৰ সংজ্ঞা ৰচনা কৰিবলৈ দিলে কবিতা সম্পৰ্কে বা গল্প সম্পৰ্কে বৰণীয় পণ্ডিতসকলে আগবঢ়োৱা বক্তব্যৰাজি প্ৰথমতে প্ৰকাশ কৰা হয়। প্ৰশ্নকৰ্তায়ো জানে— কবিতাৰ সংজ্ঞাত উত্তৰৰ ক্ষেত্ৰত এক বা দুই নম্বৰ দিলে নহ’ব। প্ৰশ্নকৰ্তায়ো জানে তেৰোঁ সেই প্ৰশ্নৰ উত্তৰ একাষাৰতে দিব নোৱাৰে। গতিকে নম্বৰ দিয়ে চাৰি বা পাঁচ। কবিতাৰ সংজ্ঞা নিৰূপণ কৰিব দিওঁতে প্ৰাচ্য আলোচকে কি কৈছে আৰু পাশ্চাত্য আলোচকে কবিতা সম্পৰ্কে কেনেকুৱা কথা ভাবিছে, সেই সকলোবোৰ দিশ প্ৰশ্নৰ বাবে থকা নম্বৰক লক্ষ্য কৰি ছাত্ৰ-ছাত্ৰীয়ে লিখে, আমিও লিখিছিলো। শেষত গোটেইখিনি কথাৰ সাৰাংশ জুকিয়াই চোৱাৰ চেষ্টা কৰা হয়।

সেইবোৰ অলপ-অচৰপ স্পষ্ট কৰিব পাৰিয়েই, জীৱনৰ সংজ্ঞা দিয়া বৰ জটিল কথা। প্ৰশ্নটোক চাই থাকোতেই যায়; বাটে-ঘাটে যাওঁতে নভবাও নহয়; কিবা-কিবি কথা মগজুৱে ক’বলৈও বিচাৰে। তথাপি সন্তুষ্টি নাই। সঁচাকৈ জীৱন কি? পোনপটীয়াভাৱে কিছু কথা ক’বৰ মন যায় আৰু দুই এটা কথা আওপকীয়াকৈও। পোনপটীয়া-ভাৱে ক’ব লাগিলে— জন্মৰ পৰা মৃত্যু পৰ্যন্ত মানুহে কৰা কৰ্মৰ সাৰাংশই হ’ল জীৱন। ক’ৰ পৰা আহিছো, ক’লৈ যাম তাৰ একো সদুত্তৰ কোনেও দিব নোৱৰা এটা সত্যৰ নাম জীৱন।

জী থকা মানেই কাৰোবাৰ বাবে জীৱন আৰু আন কাৰোবাৰ মতে কেৱল জীয়াই থকা মানেই জীৱন হ’ব নোৱাৰে। জীৱন হ’ল এক কলা। সমাজ জীৱনক ব্যক্তি এজনে মুখৰিত কৰি ৰখা কলা। জীৱন এক কলাত্মক অধ্যয়ন। প্ৰতিটো দিনেই সমাজৰ ভিন্ন প্ৰশ্নই সজীৱ আৰু কেতিয়াবা বিবৰ্ণ কৰা এটা সভ্যতাৰ নাম জীৱন। ভোক-নিবাৰণ, আশ্ৰয় আৰু নিৰাপত্তা ইত্যাদি ইত্যাদি উপাদানৰ সংমিশ্ৰণত দেহ বা শৰীৰ, মন, চিন্তা, ভাৱনাক সাৰ্থকভাৱে আগবঢ়াই নিব পৰা এটা অনিত্য অথচ সত্য বাস্তৱ তাৰ আধাৰভূমি। আন কথাত ক’বলৈ গ’লে জীৱন হ’ল এক স্বাভিমান। জীৱন গৰ্ব নহয়, নিজক জাহাজৰ মাস্তুলৰ দৰে থিয় কৰি ৰাখি আগবাঢ়ি যাব পৰাতেই জীৱনৰ সত্য লুকাই থাকে; ‘শ্ৰী’ নিহিত থাকে।

সময়ে সময়ে জীৱন পৰিচালিত হোৱাৰ কৌশল বেলেগ বেলেগ হ’লেও জীৱনে কিছু সাৰ্বজনীন সত্য সদায় কোঁচত লৈ ফুৰে। জীৱন সেই সত্যৰ অন্বেষণ! গুৰুকুল পদ্ধতিত শিষ্যৰ শিক্ষা আৰু আজিৰ যুগৰ শিক্ষাৰ পটভূমি বেলেগ হ’লেও আমাৰ দৃষ্টিত দুয়োটা শিক্ষা ব্যৱস্থাৰ সাৰ্বজনীন সত্য একেই— জ্ঞান লাভ। আজিও ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান অন্বেষণতেই নতুন নতুন পথ বিচাৰিছে। কোনে জানে— আকৌ সমাজ জীৱনে তেনে এক পদ্ধতিও বিচাৰিব পাৰে। জীৱনৰ মৰ্ম উপলব্ধিৰ বিষয়। বহু সত্য মনন, চিন্তনৰহে বিষয়— ব্যৱহাৰিক সত্য নহয়। জীৱন আখলৰ ৰন্ধনপূৰ্ণ ব্যঞ্জন নহয়। ভিন্ন ধৰণৰ পাচলি, তেল, হালধি, নিমখ দি গঢ়া ব্যঞ্জনৰ সমাহাৰে আমাক কিছু সত্য দিয়ে; সেই সত্য সোৱাদ হ’লে আনকো তাৰ জ্ঞান দিব পাৰি। কিন্তু জীৱন তেনে এক ব্যৱহাৰিক জীৱন কলা বুলি ক’ব নোৱাৰি। স্বীকাৰ কৰো জীৱন এক বিশেষ অৰ্থত এক ব্যৱহাৰিক কলাই। ব্যৱহাৰিক সত্যই জীৱনৰ বাহিৰৰ দিশসমূহক সঠিক বাটেৰে আগবঢ়াই নিয়ে। জীৱনৰ এই ফালটো গ্ৰন্থ এখনৰ পৃষ্ঠা সংখ্যাৰ দৰে। ব্যৱহাৰিক জীৱনত পোৱা সফলতাৰ বাবেই সমাজ এখনে জীৱনক পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি ধৰি লয়।

এটা কথা ক’বৰ মন যায়— জীৱন হ’ল মোৰ বা আপোনাৰ এক স্বকীয় চিন্তন; স্বকীয় বোধ; বোধৰ উত্তৰণ। প্ৰতিগৰাকী ব্যক্তিয়ে নিজে যেনেদৰে আগবাঢ়িব খোজে—সেয়েই তেওঁৰ ‘জীৱন প্ৰশ্ন’ৰ সাৰাংশ। এজন ব্যক্তিয়েই সময়ে সময়ে জীৱনটোৰ অৰ্থৰ সলনি কৰি লয়। ডেকা বয়সত উপলব্ধ সত্য, প্ৰৌঢ় বয়সত শোধিত হৈ অলপ বেলেগ ৰূপ ল’ব পাৰে। প্ৰতিগৰাকী মানুহে নিজক জীয়াই ৰাখিবলৈ যি কৌশলৰ আলম লয় আৰু যিবোৰক সমাজ জীৱনে ইতিবাচক চিন্তা কৌশল হিচাপে বহন কৰে— তাৰ মাজতে ‘জীৱন’ লুকাই থাকে। প্ৰশ্নটো বিজ্ঞানাগাৰৰ ৰাসায়নিক মিশ্ৰন নহয়; বিমূৰ্ত ভাৱনাৰ মূৰ্ত ৰূপহে। বহু কথাই ক’বৰ মন যায়— কোনোটোৱেই ভিতৰৰ সত্যক স্পৰ্শ কৰিব খুজিলেও অনুভৱৰ সত্যৰ ৰূপ নলয়। এবছৰ আগতে লিখা প্ৰকাশিত কবিতা এটাত জীৱনক মাতিছিলো— ‘এপাক আহিবি অ’ জীৱন।’ জীৱনৰ স’তে কথা পতাৰ ইচ্ছা প্ৰকাশ কৰিছিলো। জীৱনক দুটামান কথা বুজায়ো চাইছিলো। বিশেষকৈ (১) এনে এটা বুকুৰ ঘৰ নাই, য’ত শোকে সৰিয়হ ছটিওৱা নাই (২) চিফুং বজোৱা ল’ৰাজন / মানুহৰ বাবে গীত গোৱা যুৱকজন /ঢোল বজোৱা লোক-শিল্পীজন/প্ৰত্যেকেই/ সলনি কৰিছে জীৱনৰ বাট। (৩) আমাৰ চহৰৰ পুৰণি ‘বন্দনা’ চলচ্চিত্ৰ গৃহটো / যোৱা ৰাতি মৰিল। / তাত কিজানি কাইলৈ এটা শ্বপিংমল হ’ব। এনেকৈ কিছু কথা কৈ শেষত কৈছিলো— (৪) নহাকৈ নাথাকিবি, বহাকৈ আহিবি। দুয়ো লাগিলে নিৰাপদ দূৰত্বতে বহিম দে।/ কথা আছে অ’ কথা।

জীৱন সম্পৰ্কে কবিতাটোত কিছু উপলব্ধি কৰিছিলো। আজি হয়তো গদ্যময় প্ৰশ্নত উত্তৰ সেইটো নহ’ব। এইটো অনুভৱ কৰো— বুজা, নুবুজা, অথচ সকলোৱে বুজা বুলি ভবা এটা নৰতনু চিন্তা— ‘জীৱন’। প্ৰশ্নটোৰ শুদ্ধ উত্তৰ হয়তো ‘শ্ৰীমদ্ভাগৱদগীতা’ই দিছে। সাধাৰণ মানুহৰ চিন্তাত কিবা এক সত্য ওলাব পাৰে, নোলাবও পাৰে। তথাপি...।

**প্ৰশ্ন ঃ প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ত্ব**

**উত্তৰ ঃ** জীৱনত বিভিন্ন ব্যক্তিয়ে প্ৰভাৱ পেলাইছে। কাৰোবাৰ প্ৰভাৱ কিছু কম; কাৰোবাৰ সুদূৰ প্ৰসাৰী। মোৰ পিতাও এগৰাকী শিক্ষক আছিল। মজলীয়া স্কুলৰ। গাঁৱৰ। হাতত মহেন্দ্ৰ দত্তৰ বাঁহৰ নালৰ ডাঙৰ ছাতিটো লৈ চাৰিমাইল দূৰ ৰ’দে-বতাহে-বৰষুণে খোজকাঢ়ি গৈ ছাত্ৰ-ছাত্ৰীক মানুহ কৰাৰ দায়িত্ব লৈছিল। স্কুলৰ বাহিৰত থকা ডাঙৰ বগৰীডালৰ তলত শিশুহঁতক যোগ কৰিবলৈ দিছিল হেঁপাহ আৰু বিয়োগ কৰিবলৈ দিছিল হুমুনিয়াহ। কেতিয়াবা আকৌ বুদ্ধৰ ঘৰলৈ নিজ সন্তানটোক জীয়াই দিবৰ বাবে আকুল প্ৰাৰ্থনাৰে যোৱা নাৰীগৰাকীৰ জীৱন কাহিনীৰে শিশুসকলক সেই সত্যৰ সন্ধান দিছিল— ‘মৃত্যু এক অৱধাৰিত সত্য’। হাতৰ আখৰ লিখিব দিছিল— সত্যৰ সদায় জয়; অহিংসাই পৰম ধৰ্ম; অস্ত্ৰও। পিতাহঁতে চাকৰি কৰোতে আকস্মিক ছুটী বুলি কিবা আছিল, (cassual leave) আমি গমকে পোৱা নাছিলো। এবাৰ নে দুবাৰ জ্বৰ হওঁতে প্ৰধান শিক্ষকগৰাকীক পিতাই লিখি দিয়া আবেদনখন দিবলৈ গৈছিলো। পিতাক লৈও এটা কবিতা লিখিছিলো— ‘শিক্ষক’। শিক্ষক মহাজীৱনক ‘প্ৰজ্ঞাৰ বাখৰ খটোৱা জীৱন’ বুলি কৈছিলো। আৰু কৈছিলো— ‘মোৰ পিতা আপোনাৰো পিতা।’ এনে এজন শিক্ষকৰ ল’ৰা হ’বলৈ পাই আজিও নীৰৱে সন্তুষ্টি লাভ কৰো। প্ৰভাৱৰ তালিকাত নিস্বাৰ্থভাৱে পিতৃগৰাকী থাকিব।

মহাকাব্যিক আদৰ্শ চৰিত্ৰসমূহক আঁতৰাই ৰখাৰ পাছত যিগৰাকী মহানে মোক প্ৰভাৱান্বিত কৰি থাকে ভিতৰে ভিতৰে, দকৈ, সেইগৰাকী হ’ল মহামানৱ মহাত্মা গান্ধী। গান্ধীৰ ৰামৰাজ্যৰ কথা নকওঁ, গান্ধীৰ সত্য অন্বেষণৰ অহিংসাৰ অস্ত্ৰপাট আৰু সামগ্ৰিকভাৱে এখন সাত্ত্বিক সমাজৰ ভেটিৰ দৰ্শনে মোক অন্তৰত বৰকৈ ক্ৰিয়া কৰে। মোৰো ক’বৰ মন যায়— ‘হিংসাৰ পাট পাট/অহিংসাৰ এপাট।’ ড° এ পি জে আব্দুল কালাম মোৰ আন এগৰাকী পূজনীয় ব্যক্তি। এনে এগৰাকী বিশিষ্ট মনীষী, বিশিষ্ট বিজ্ঞানী ভাৰতীয় আধুনিক জ্ঞান-বিজ্ঞান-প্ৰযুক্তিৰ পিতৃ ড° কালামৰ চিন্তাৰ গভীৰতা, জীৱন সত্যৰ সাৰ্থক ৰূপকাৰ আৰু নতুন পুৰুষক উদ্বুদ্ধ কৰাৰ যি সাহসী মন্ত্ৰ তাত যেন ক’ৰবাত গান্ধীৰ জীৱনবোধো পৰোক্ষভাৱে লুকাই আছে। দৃষ্টিভংগী বেলেগ হ’লেও আদৰ্শৰ মহত্ত্ব মোৰ বাবে সদায় শ্ৰদ্ধেয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাক অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ কথা ভাবিও কেতিয়াবা থ’ৰ লাগি চাই ৰওঁ— নীৰৱে নিতালে। কবিতাৰ জগতখনত কাব্য ঋষি নীলমণি ফুকনো মোৰ জীৱন প্ৰভাৱান্বিত কৰা অন্য এগৰাকী ব্যক্তি। মানুহ হিচাপে আৰু এগৰাকী কবি হিচাপে মই সদায় নীলমণি ফুকনক দূৰৰ পৰা আৰু ওচৰৰ পৰা চাই থাকো। মনৰ দিগন্তত পাহাৰৰ নামনিত থকা তেওঁৰ আৱাসটো দূৰৰে পৰা আৰু ‘নীলমণি ফুকনৰ সম্পূৰ্ণ কবিতা’খন ওচৰৰ পৰা চাই থাকো। এতিয়াও, আজিও। ড° নগেন শইকীয়াৰ ‘জীৱনৰ কৰ্ম আৰু সাধনাকো নীৰৱে শ্ৰদ্ধা জনাওঁ। নাম প্ৰকাশ নকৰাকৈ ভিন্ন ক্ষেত্ৰত প্ৰভাৱান্বিত সাধক আছে। তেওঁলোকো প্ৰাতঃস্মৰণীয়।

গ্ৰন্থই মোক কেনেকৈ প্ৰভাৱিত কৰিছে স্পষ্টভাৱে ক’ব নোৱাৰো। মহাত্মা গান্ধীৰ আদৰ্শৰ বিদ্যায়তনিক গ্ৰন্থ ‘মোৰ সত্য অন্বেষণৰ কাহিনী’, ড° কালামৰ অগ্নিৰ ডেউকা, তেজস্বী মন আদি গ্ৰন্থ (অসমীয়া অনূদিত), নীলমণি ফুকনৰ ‘মোৰ সম্পূৰ্ণ কবিতা’ গ্ৰন্থই মোৰ হৃদয় আলোড়িত কৰা বুলি ক’বৰ মন কৰো। ইংৰাজী সাহিত্যৰ অধ্যয়ন মোৰ তেনেই সীমিত। যিখিনি অধ্যয়ন কৰো মোৰ মাতৃভাষালৈ অনূদিত হোৱাৰ পাছতহে।

তাত্ত্বিকভাৱে মই কোনো বিশেষ তত্ত্বৰ আকৰ্ষক নহয়। মাৰ্ক্সৰ তত্ত্বক নিজৰ অন্তৰত শোধন কৰিহে নিজস্ব ভাৱনাৰে তাক সজাই থৈছোঁ। তত্ত্বৰ ৰাজনৈতিক দিশটোক সদায় এৰাই চলিব খোজো। ৰাজনীতিৰ দিশেৰে সাহিত্যিকে কথাবোৰ ভাবিব নোৱাৰে আৰু সেইটো তেওঁলোকে বিচৰাও উচিত নহয় যেন লাগে। জাৰ্মানসকলে নিজকে ‘মই জাৰ্মান’ বুলি গৌৰৱবোধ কৰাৰ দৰে ময়ো ক’ব খোজো— ‘ময়ো অসমীয়া’। এজন ভাল অসমীয়া হ’ব খোজো। স্বাভিমানী অসমীয়া। জাতীয়তাবাদী, ৰাষ্ট্ৰীয়তাবাদী, আন্তৰ্জাতিকতাবাদী এইবোৰ তত্ত্ব বাদ দি অসমীয়া জাতিক ঐতিহ্য, শক্তি আৰু নতুন চিন্তাধাৰাৰে আগবাঢ়ি যোৱাটো বিচাৰোঁ। কেতিয়াবা বহুতো কথাক মানুহে জাতীয়তা, ঐতিহ্যৰ স্বাৰ্থত বেয়াকৈ খামোচ মাৰি ধৰা দেখা পাওঁ। ভালপোৱা অটুট ৰাখিও বাস্তৱিকতাক গুৰুত্ব দিব লাগিব। পুৰণি চামে এই সত্যক স্বীকাৰ কৰা উচিত যে নতুন প্ৰজন্মই কেৱল ঐতিহ্য, ঐতিহ্য কৰি বাস্তৱতাক অস্বীকাৰ নকৰে। আমাৰ ভাষা চিন্তা, আমাৰ কৰ্ম চিন্তাক তেওঁলোকে সুকীয়া দৃষ্টিৰে গ্ৰহণ কৰিব লৈছে। ব্যক্তি হিচাপে মনৰ দুৱাৰ খুলি থৈছো— সুগন্ধি বতাহ আহক— প্ৰদূষণযুক্ত বতাহ নহয়। তত্ত্ব হিচাপে প্ৰথমে অসমীয়া হিচাপে জীয়াই থাকিও কাহানিও পাহৰিব নোখোজো— ‘জাতিত আমি মানুহ, বিশ্ব আমাৰ আই।’

*ফোন ঃ ৯৮৬৪৩৩৬৭৩৭*

---

# সুখৰ শিক্ষা দিয়া বিদ্যালয়খন

**সুখী হোৱাৰ কৌশল শিকিব পাৰিলে বিমৰ্ষতাই কেতিয়াও প্ৰশ্ৰয় নাপায়। কুশলতাৰ শিক্ষাই খং, হতাশা, নৈৰাজ্য, মানসিক বিসংগতি, উদ্বেগ আদি নেতিবাচক দিশৰ প্ৰতিষেধকৰূপে ক্ৰিয়া কৰি চাপমুক্ত জীৱনৰ গৰাকী কৰি তোলে**

## ড° বুলি গগৈ

**‘জীৱন’** নামৰ যাত্ৰা পথত বহু ঘাত-প্ৰতিঘাত, প্ৰত্যাহ্বানৰ ভেটাভেটি হোৱাটো সকলোৱে বাবে অৱশ্যম্ভাৱী। কাৰো বাবে এই পথ সৰলৰৈখিক বা মসৃণ নহয়। সন্মুখত আহি পৰা হেঙাৰস্বৰূপ জটিলতা নাইবা প্ৰতিকূলতাক সাহস আৰু ধৈৰ্যৰে মোকাবিলা কৰি আগুৱাই যোৱাতে আছে জীৱনৰ সাৰ্থকতা। অন্যথা মানসিক অস্থিৰতা, নিৰাশা, সংঘাতৰ দৰে নেতিবাচক হাতোৰাৰ কবলত পৰি মানুহ চিৰ অসুখীয়া হৈ থাকিব লগা হয়। ইতিবাচক দৃষ্টিভংগী আৰু আশাবাদী মনোভাব এনে সকলোবোৰ প্ৰতিবন্ধকতাৰ বিৰুদ্ধে যুঁজাৰ শক্তিশালী অস্ত্ৰস্বৰূপ, যিয়ে আমাৰ জীৱনটো আশানুৰূপভাৱে সজাই তোলাত সহায় কৰে।

‘এটা ভাল, সুখী জীৱন প্ৰাপ্তি— সকলোৰে একান্ত কাম্য। শিক্ষা, অৰ্থ, স্বাস্থ্য অৰ্জনৰ অন্তৰালত নিহিত থাকে এটাই উদ্দেশ্য— ‘সুখপ্ৰাপ্তি’। কিন্তু দুৰ্ভাগ্যজনকভাৱে বহুতৰে ক্ষেত্ৰত কবিৰ ভাষাৰে ‘সুখ বিচাৰোতে পায় সংসাৰত দুখৰ উপৰি দুখ’ প্ৰযোজ্য। যিখন দেশৰ আদৰ্শ ‘সৰ্বে ভৱন্তু সুখীনা’ সেই দেশৰ শিক্ষাই ইয়াৰ বিদ্যাৰ্থীসকলক তেনেদৰে গঢ়াত ব্যৰ্থ হৈছে। জীৱনৰ স’তে সম্পৰ্কৰহিত তথাকথিত শিক্ষা ব্যৱস্থাই ‘সুখপ্ৰাপ্তি’ৰ লক্ষ্যক সম্পূৰ্ণ অগ্ৰাহ্য কৰে। মাথোঁ কেইটামান বিষয়তে সীমাবদ্ধ ডিগ্ৰী-ডিপ্ল’মা প্ৰদানকাৰী শিক্ষাই কোমলমতীয়া শিশুসকলকো প্ৰতিযোগিতাৰ নিগনি দৌৰত জাপ দিবলৈ বাধ্য কৰায়। সফলতা-বিফলতা জোখা হয় নম্বৰৰ মাপকাঠীৰে। নম্বৰ প্ৰাপ্তিৰ তীব্ৰ প্ৰতিযোগিতাত কাকো কোনেও চাবলৈ আহৰি নাই, কাৰো বাবে থমকি ৰোৱাৰ প্ৰয়োজন নাই। প্ৰকৃততে সৰুৰে পৰা আত্মকেন্দ্ৰিকতাৰহে আখৰা কৰোৱা হয়। আনন্দ উদ্ৰেককাৰী হোৱাৰ বিপৰীতে পাঠ্যপুথিকেন্দ্ৰিক শিক্ষা বহুতৰে বাবে এক ভাৰ বব নোৱাৰা বোজা স্বৰূপহে। যি শিক্ষা হ’ব লাগে সুখদাতা, সেই শিক্ষাই শিক্ষাৰ্থীৰ স্বাভাৱিক স্বচ্ছলতা, প্ৰবাহ বাধাগ্ৰস্ত কৰি সুখ হৰণকাৰীৰ ভূমিকাহে পালন কৰে। জীৱনৰ প্ৰস্তুতকৰ্তা হোৱাৰ বিপৰীতে ই হতাশা, বিমৰ্ষতা, মানসিক চাপেৰে শিক্ষাৰ্থীক পিষ্ট কৰি জীয়াই থকাৰো অযোগ্য কৰি তোলে। পৰীক্ষাৰ ফলাফলে চাপগ্ৰস্ত, অসুখীজনক আত্মহনন কৰিবলৈ বাধ্য কৰায়।



এনে পৰিপ্ৰেক্ষিতত সুখৰ শিক্ষা কিমান আৱশ্যকীয়, কিমান কল্যাণকামী সেয়া চৰকাৰী কৰ্তৃপক্ষ অথবা শিক্ষা বিভাগে বিবেচনাযোগ্য বুলি নভবা এটি বিষয়। আমাৰ শৈক্ষিক প্ৰগতি মাথোঁ পৰিসংখ্যাৰ মাজতে সীমাবদ্ধ। এই গম্ভীৰ বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰিবলৈ, ব্যক্তিৰ সপোনবোৰ আৰু শিক্ষাৰ মাজৰ দূৰত্ব নাইকিয়া কৰিবলৈ ‘বিদ্যাঃ দ্য লিভিং স্কুল’ সেতুস্বৰূপ হৈ থিয় দিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক ড০ প্ৰাঞ্জল বুঢ়াগোহাঁইৰ গৱেষণালব্ধ অভিজ্ঞতা আৰু গভীৰ জীৱনবোধৰ এক সাৰ্থক ফচল ‘বিদ্যাঃ দ্য লিভিং স্কুল’।ধেমাজি জিলাৰ সুবাহীত প্ৰতিষ্ঠিত এইখন বিদ্যালয় অসমৰ নালাগে সমগ্ৰ ভাৰতবৰ্ষৰে একমাত্ৰ শিক্ষানুষ্ঠান য’ত পুথিগত শিক্ষাৰ বাহিৰেও জীৱন-জীৱিকাৰ কৌশল আৰু কল্যাণৰ শিক্ষা প্ৰণালীবদ্ধ, বিজ্ঞানসন্মতভাৱে দিয়া হয়। এনে কাৰ্যসূচীৰ পৰশত শিক্ষাৰ্থীসকলে সুখ অনুভৱ কৰে, আৱেগিকভাৱে সুনিয়ন্ত্ৰিত হ’বলৈ শিকে। প্ৰকৃততে ‘বিদ্যাঃ দ্য লিভিং স্কুল’ এক উৰ্বৰা ভূমি, য’ত শিশুৰ সপোনবোৰ পোখা মেলিবলৈ সুযোগ দিয়া হয়, পথচ্যুতজনক বিচাৰ শক্তি জাগ্ৰত কৰাই শুদ্ধ পথলৈ ঘূৰাই অনা হয়। শিশুৰ জন্মলব্ধ সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ বিকাশ আৰু প্ৰকাশৰ মঞ্চস্বৰূপ এই বিদ্যালয়। বিভিন্ন গুণী-জ্ঞানী ব্যক্তিৰ সমাৰেশথলী এই বিদ্যালয় এক তীৰ্থস্থান সদৃশ। এনে ব্যতিক্ৰমী স্বভাৱৰ বাবেই এই বিদ্যালয়ে বিভিন্ন সামাজিক মাধ্যমত স্থান অধিকাৰ কৰিছে। ইয়াৰ নৈসৰ্গিক বাতাবৰণো পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ।

কোনো চৰকাৰী আঁচনি অথবা প্ৰশাসনিক নিৰ্দেশনালৈ বাট নাচাই নিজাববীয়াকৈ সুখ শিক্ষাৰ পদক্ষেপ গ্ৰহণ কৰা ‘বিদ্যাঃ দ্য লিভিং স্কুল’ৰ অবৈতনিক সঞ্চালক ড০ প্ৰাঞ্জল বুঢ়াগোহাঁইৰ মতে সুখক এটা বিষয় হিচাপে পাঠ্যক্ৰমত ঠাই দিয়াৰ যথেষ্ট থল আৰু প্ৰয়োজনীয়তা আছে। সেই প্ৰয়োজনীয়তাসমূহ এনেদৰে আঙুলিয়াব পৰা যায়---

(১) আজি ভাৰতবৰ্ষৰ ৩৫শশতাংশ ৪০ শতাংশ শিক্ষাৰ্থী হতাশাত বিধস্ত হৈছে। ৫০ শতাংশ যুৱ প্ৰজন্ম সুৰা, জুৱা, ড্ৰাগছ, গেমত আসক্ত; অথচ সমাজ গঢ়োতা শিক্ষা ব্যৱস্থা (?) এইক্ষেত্ৰত নিৰ্বিকাৰ। কোটি কোটি যুৱক-যুৱতী হতাশাৰ চিকাৰ হোৱা ভাৰতবৰ্ষখন এখন অসুখী দেশ। ২০২২ বৰ্ষত ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰকাশিক সুখী দেশসমূহৰ তালিকাত ইয়াৰ স্থান ১৩৬ নম্বৰত। জনবহুল অসুখী দেশখনৰ উঠি অহা প্ৰজন্মক যদি সুখ অৰ্জনৰ উপায় শিকোৱা নাযায় তেন্তে বৰ্তমানেও বৰ্তি থকা সুখকণো অচিৰেই হেৰুৱাব লাগিব।

(২) জ্ঞান অৰ্জনৰ বাবে প্ৰয়োজনীয় চৰ্ত হৈছে মানসিক সুস্থতা। প্ৰফুল্লতাই মস্তিষ্কৰ ক্ষমতা অকল্পনীয়ভাৱে বৃদ্ধি কৰে, যাৰ ফলত অধিক আয়ত্ব কৰিব পৰা যায়। উপৰুৱাকৈ কেৱল পঢ়াৰ সময় বৃদ্ধি, সুখাদ্য যোগানৰ জৰিয়তে আশানুৰূপ ফল পাব নোৱাৰি, যদিহে শিক্ষাৰ্থী আৱেগিকভাৱে অস্থিৰ হৈ থাকে। আনন্দই মানুহক আশাবাদী কৰে। আশাবাদী চিন্তন হৈছে পাৰদৰ্শিতা বৃদ্ধিৰ প্ৰধান চৰ্ত।

(৩) সুখী হোৱাৰ কৌশল শিকিব পাৰিলে বিমৰ্ষতাই কেতিয়াও প্ৰশ্ৰয় নাপায়। কুশলতাৰ শিক্ষাই খং, হতাশা, নৈৰাজ্য, মানসিক বিসংগতি, উদ্বেগ আদি নেতিবাচক দিশৰ প্ৰতিষেধকৰূপে ক্ৰিয়া কৰি চাপমুক্ত জীৱনৰ গৰাকী কৰি তোলে।

(৪) ভাল অনুভৱ কৰা, সুৰক্ষিত আৰু সন্তুষ্টিৰ ভাব জাগ্ৰত কৰাৰ ইন্ধন হৈছে সুখ। সুখী হ’লেহে প্ৰেম, ভালপোৱা, কৰুণা, দয়া, ক্ষমা আদি ইতিবাচক আবেগ, অভিজ্ঞতাৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পায়। অশান্তি, অস্থিৰতা, ঘৃণা, ঈৰ্ষা, হিংসা আদি নেতিবাচক আবেগক ইতিবাচক আবেগৰ সহায়েৰে পৰাভূত কৰিব পাৰি।

(৮) ব্যক্তিগত কল্যাণ সাধনৰ লগতে সুখৰ শিক্ষাই আনৰ স’তে সুসম্পৰ্ক বৰ্তাই ৰখাত সহায় কৰে। আত্মকেন্দ্ৰিকতা, স্বাৰ্থপৰতা ত্যাগ কৰি সকলোৰে স’তে আন্তৰিক সম্পৰ্ক স্থাপনেৰে ব্যক্তিয়ে সমাজত শান্তি বিয়পায়। শৃঙ্খলাবদ্ধতাই ব্যক্তিৰ নিজৰ লগতে সমাজ আৰু দেশৰো কল্যাণ সাধন কৰে।

(৯) সুখী অৱস্থাইহে ব্যক্তিক গভীৰ অন্তৰ্দৃষ্টি প্ৰদান কৰে। বহল দৃষ্টিভংগী, উদাৰ মনোভাৱ সুখী মনৰ ফচল। অসন্তুষ্ট, অসুখী এজনেহে পৰচৰ্চাত লিপ্ত হয়। ঠেক মানসিকতাৰ বাবেই ব্যক্তিয়ে আনৰ সীমাবদ্ধতাক নেতিবাচকভাৱে সমালোচনা কৰে। আনৰ হিত চিন্তিবলৈ সুখৰ অনুভূতিয়ে সমল যোগায়।

(১০) পথচ্যুতজনক পুনৰুদ্ধাৰৰ উৎকৃষ্ট ব্যৱস্থাটোৱেই হ’ল কল্যাণৰ শিক্ষা। সমাজৰ মেৰুদণ্ডস্বৰূপ যুৱপ্ৰজন্মৰ মানসিকতা পথচ্যুত হোৱাৰ পৰা সুৰক্ষিত কৰিব পাৰিলেহে ভৱিষ্যত উজ্জ্বল হ’ব। অপ্ৰীতিকৰ ঘটনা, অসুস্থ অভ্যাস, অশান্তিকৰ অভিজ্ঞতাৰ প্ৰভাৱৰ পৰা যুৱ মনক উদ্ধাৰ কৰিবৰ বাবেই সুখী হোৱাৰ কৌশল শিকোৱাৰ প্ৰয়োজন।

(১১) লক্ষ্যকেন্দ্ৰিক জীৱনহে অৰ্থপূৰ্ণ, সম্ভাৱনাপূৰ্ণ জীৱন। সাধ্যৰ অনকুল লক্ষ্য নিৰ্দ্ধাৰণাৰ পৰা লক্ষ্যপ্ৰাপ্তিলৈকে সুখ আৰ্জনৰ শিক্ষাই সহায় কৰে। লক্ষ্যচুত কৰিব পৰা সকলো সাম্ভাব্য কাৰকৰ প্ৰভাৱমুক্ত মন এটাইহে গন্তব্যস্থললৈ লৈ যায়। সাহস, অধ্যৱসায়, দৃঢ়তা, একাগ্ৰতা আদি সফলতাৰ চৰ্তাৱলী সুখী ব্যক্তিৰ মাজতহে দেখা পোৱা যায়।

(১২) কৰ্মব্যস্ততা আৰু সুখ— দুটা পৰিপূৰক দিশ। সুখী ব্যক্তিয়ে যিকোনো কামত মগন হৈ যাব পাৰে অথবা একাত্মতাৰে কাম সম্পাদন কৰি সুখী হৈ উঠিব পাৰে। আমি অসুখী হোৱাৰ এক মুখ্য কাৰণ হৈছে অৰ্থপূৰ্ণ নিয়োজনৰ অপাৰগতা। গভীৰ মনোযোগেৰে কৰ্মত জড়িত থাকিলে মনৰ স্বাভাৱিক প্ৰৱাহে সৃষ্টিশীলতাৰ বাট মুকলি কৰি দিয়ে।

(১৩) শাৰীৰিক শ্ৰম আৰু মানসিক কৰ্ষণে ব্যক্তিৰ আত্মবিশ্বাস আৰু আত্মবোধৰ ভাব জগাই তোলে। সুখৰ পাঠ আয়ত্ব কৰা শিক্ষাৰ্থীসকল জীৱনৰ যিকোনো সৰু-বৰ সমস্যাৰ বাবে পলায়নবাদী বা পৰমুখাপেক্ষী নহৈ স্থিতপ্ৰজ্ঞতাৰে সংগ্ৰামত নামিব পৰাকৈ শক্তিমন্ত হৈ উঠে।

সুখ শিক্ষাৰ এনে সুদূৰপ্ৰসাৰী উপকাৰিতাৰ প্ৰতি সচেতন বিদ্যাঃ দ্যা লিভিং স্কুলে ইতিবাচক মনোবিজ্ঞানৰ পিতৃস্বৰূপ আমেৰিকান মনোবিজ্ঞানী মাৰ্টিন চেলিগমেনৰ পঞ্চ উপাদান যুক্ত মডেলৰ আৰ্হিত ভাল মানুহৰ সুখী পৃথিৱী এখন গঢ়িবৰ বাবে সাতটা বিষয় সুখ আৰু কুশলতা শিতানত অন্তৰ্ভুক্ত কৰিছে—

(১) ইতিবাচক আবেগ
(২) ইতিবাচক নিয়োজন
(৩) ইতিবাচক লক্ষ্য
(৪) ইতিবাচক সম্পৰ্ক
(৫) ইতিবাচক স্বাস্থ্য
(৬) ইতিবাচক প্ৰাপ্তি
(৭) পৰিবেশ মূল্যবোধ

প্ৰত্যেকটো বিষয়ৰ বাবদ বিদ্যাই নিজা মডেল বিকশাই তুলিছে। সাতোটা বিষয়ৰ ভিতৰত ইতিবাচক স্বাস্থ্য আৰু পৰিবেশ মূল্যবোধ চেলিগমেনৰ মডেলত অন্তৰ্ভুক্ত নোহোৱা বিষয়। এই সাতটা বিষয় শিকোৱা মানেই সুখী হ’বলৈ শিকোৱা। উল্লেখ্য যে পৰম্পৰাগত শিক্ষাৰ লগতে জীৱিকাৰ শিক্ষা আৰু কুশলতাৰ শিক্ষা প্ৰতিজন শিক্ষাৰ্থীৰ বাবে বাধ্যতামূলক।

যোৱা দুটা বৰ্ষৰ তলাবন্ধৰ সময়তো অনলাইন মাধ্যমেৰে সময় আৰু ৰুটিন হেৰফেৰ নকৰাকৈ পাঠদান কৰা, পৰীক্ষা পতা আৰু মূল্যায়ন কৰা, বিশেষ দিৱসসমূহ উদ্‌যাপন কৰা, অতিথি বাৰ্তা, দেওবৰীয়া অনুষ্ঠান, গৃহকৰ্ম আৰু শিল্পকৰ্ম মূল্যায়ন, শিক্ষাৰ্থীৰ দৈনিক পৰিকল্পনা সম্পৰ্কে চৰ্চা, দলীয় আলোচনা ইত্যাদিৰে শিক্ষাৰ্থীসকলৰ ইতিবাচক নিয়োজনৰ ব্যৱস্থা কৰি দিয়া হৈছিল।

সৰ্বতোমুখী বিকাশৰ বাবে বিদ্যাৰ বিদ্যাৰ্থীয়ে যি খোৰাক লাভ কৰিছে সেয়া একক, অনন্য। সুখৱন্ত, শক্তিমন্ত এই বিদ্যাৰ্থীসকলেই এদিন সমাজলৈ সুখৰ বাৰ্তা প্ৰৱাহিত কৰিব আৰু অসুখী, পুষ্টিহীন সমাজৰ ৰোগ উপশমৰ ব্যৱস্থা ল’ব।

*ফোন ঃ ৮০৯৯৭০৭৬৭১*

---

## জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# আমগুৰি মহাবিদ্যালয়ৰ প্ৰশংসনীয় উদ্যোগ

### “ভাৰতৰ স্বাধীনতা আন্দোলনত বৃহত্তৰ আমগুৰিৰ সেনানী”

### অহিংসৰ লগতে সশস্ত্ৰ সংগ্ৰামৰো আছিল সমান্তৰাল প্ৰৱাহ

# ‘স্বাধীনতা আন্দোলনৰ সম্পূৰ্ণ ইতিহাস’ৰ বাবে অমল সমল

## দ° দেৱব্ৰত শৰ্মা

**বৰ্ণাঢ্য** ৫০ বছৰ সম্পূৰ্ণ কৰা জনপ্ৰিয় (দৈনিক) অগ্ৰদূত কাকতৰ এই শিতানত আমি আন কথাৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনৰ অজ্ঞাত-অখ্যাত চহিদযোদ্ধাসকলৰ বিষয়েও আলোচনা কৰি আহিছোঁ; পহিলাবাৰৰ বাবে পোহৰলৈ আনিছোঁ বহুতক। এনে চৰ্চাৰ মাজতে আমাৰ চকুত পৰিল বাতৰি কাকতত উক্ত কিতাপখন প্ৰকাশৰ কথা। লগে লগে উক্ত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষা, আমাৰ ভগ্নীসমা দ০ আছফিয়া চুলতানাক যোগাযোগ কৰিলোঁ। যোগাযোগ হ’ল গ্ৰন্থখনৰ সংকলক তথা উক্ত মহাবিদ্যালয়ৰ অধ্যাপক বিমান শেনচোৱা বৰুৱাৰ সৈতেও। তেখেতসকলে লগে লগে কিতাপখনৰ কপি কেইটামান পঠিয়াই দিলে। দেখি ভাল পালোঁ যে ইয়াত বৃহত্তৰ আমগুৰি অঞ্চলৰ এই ৮০ জন মুক্তিযোদ্ধাৰ চমু জীৱন বৃত্তান্ত সম্বলিত হৈছে ঃ

কৰুণাকান্ত গগৈ, টংকেশ্বৰ চেতিয়া, খগেন্দ্ৰনাথ বৰবৰুৱা, ভদ্ৰকৃষ্ণ গোস্বামী, মহেন্দ্ৰ হাজৰিকা, উমাকান্ত বৰফুকন, চন্দ্ৰকান্ত ভূএঞা, ৰজনীকান্ত মহন্ত, ভোলানাথ ফুকন, মুক্তিনাথ শৰ্মা, ফটিক বৰঠাকুৰ, সোমেশ্বৰ কাকতি, ভদ্ৰকৃষ্ণ গগৈ, গৌৰী প্ৰসাদ বৰঠাকুৰ, পীতাম্বৰ বৰঠাকুৰ, খগেন চন্দ্ৰ নাথ, সদানন্দ বৰা, যোগেশ্বৰ গগৈ, আনন্দ শৰ্মা, স্বৰ্গীয় হৰিকান্ত বৰুৱা, তোযেশ্বৰ দত্ত, জীৱকান্ত দুৱৰা, মহেন্দ্ৰ গগৈ, ভোগেশ্বৰ কোঁৱৰ, দিবাকৰ চলিহা, নোমল চন্দ্ৰ বড়া, কনকচন্দ্ৰ দুৱৰা, মহেশ হাজৰিকা, মানিক হাজৰিকা, ভোগেশ্বৰ বড়া, ঘটাই চন্দ্ৰ নাথ (ঘনকান্ত নাথ), ৰূপকান্ত লাহন, পুণেশ্বৰ দুৱৰা, লক্ষেশ্বৰ শৰ্মা, খেটেক গায়ন, থানেশ্বৰ হাজৰিকা, ঘনকান্ত চুতীয়া, মহেশ্বৰ দুৱৰা, কেশৱ চন্দ্ৰ মহন্ত, নিত্যানন্দ বৰবৰুৱা, ডম্বৰুধৰ বৰুৱা, হৰেন্দ্ৰ নাথ বড়া, বিদ্যাধৰ শইকীয়া, ৰূপেশ্বৰ হাজৰিকা, যোগেন্দ্ৰ নাথ শৰ্মা, যোগেন্দ্ৰ নাথ গগৈ, ঠগিৰাম গগৈ, দুৰ্গেশ্বৰ গগৈ, বলোৰাম তামুলী, বগাই গগৈ, যদুনাথ চেতিয়া, দুৰ্গাদেৱ মহন্ত, নন্দেশ্বৰ শইকীয়া, তোলন চন্দ্ৰ বৰা, চন্দ্ৰ দত্ত, নগেন্দ্ৰ নাথ শইকীয়া, কনক চন্দ্ৰ হাজৰিকা, মিনাৰাম হাজৰিকা, কৃষ্ণকান্ত মহন্ত, বুধিন্দ্ৰনাথ শইকীয়া, কুকৈৰাম শেনচোৱা, নিতেন্দ্ৰ নাথ গগৈ, মোক্ষধৰ বৰগোহাঁই, খগেন্দ্ৰ নাথ শইকীয়া, জীউৰাম সৌকাধৰা, উপেন বৰগোহাঁই, মনবৰ কলিতা, ৰত্নেশ্বৰ শৰ্মা বৰুৱা, খগেন বুঢ়াগোহাঁই, সৰুমাই শইকীয়া, চিৰাজুদ্দিন আহমেদ, খেতেক চেতিয়া, ধৰ্মেশ্বৰ শইকীয়া, ভদ্ৰেশ্বৰ কলিতা, যদুনাথ দুৱৰা, পদ্মেশ্বৰ বৰুৱা, নৰেন গগৈ, ফটিক ভূএঞা, চন্দ্ৰ প্ৰসাদ শইকীয়া, ৰাম প্ৰসাদ শইকীয়া।

স্বাভাৱিকতেই এই চমু লেখাত সকলোৰে বিষয়ে বিশদভাৱে লিখাৰ বা উধৃতি দিয়াৰ উপায় নাই। তথাপি দুই এজনৰ বিষয়ে এচেৰেঙা ৰেঙনি দি যোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ। যেনে ঃ

মুক্তিযোদ্ধা কৰুণাকান্ত গগৈৰ বিষয়ে ইয়াত বাণীকান্ত গগৈয়ে এনেকৈ লিখিছে ঃ

“১৯৩১ চন, আন্দোলনৰ এক অঙ্গ হিচাপে সেইসময়ৰ নগা পাহাৰত, পাহাৰীয়া ভাই-ভনীসকলক অসমীয়া ভাষা শিকাই অসমীয়াকৰণ কৰাৰ এক ব্যৱস্থা হাতত লৈছিল। সেই সময়ত গোবিন্দ পৈৰা নামৰ এজন ব্যক্তি ডিমাপুৰত বাহৰ পাতি অসমীয়া ভাষা প্ৰচাৰৰ বাবে নগা ভাইসকলৰ মাজত অশেষ যত্ন কৰিছিল। কৰুণাকান্ত গগৈয়ে তেখেতৰ সহযোগী হিচাপে নগা পাহাৰত অসমীয়া ভাষা প্ৰচাৰৰ বাবে প্ৰৱেশ কৰে। প্ৰায় সাত বছৰ কাল নগাভূমিত ভাষা প্ৰচাৰৰ বাবে বিভিন্ন অঞ্চল ভ্ৰমণ কৰে। নগাৰাণী গাইডালোক গগৈয়ে অসমীয়া ভাষা জ্ঞান দিছিল।” (গগৈয়ে)“লাকোৱা আৰু চফ্ৰাইৰ মাজত মিলিটেৰী কঢ়িয়াই অনা ৰেলগাড়ী দুৰ্ঘটনাত পতিত কৰাইছিল। বৃটিছৰ ঘৰত অগ্নিসংযোগ, ফোনৰ তাঁৰকটা আদি কাৰ্য কৰিছিল। তেখেত মৃত্যু বাহিনীৰ অধিনায়ক আছিল। বহুদিন আত্মগোপন কৰি আছিল।”

তেনেকৈ মুক্তিযোদ্ধা টংকেশ্বৰ চেতিয়াৰ বিষয়ে ইয়াত বোৱাৰী সীমাৰেখা চেতিয়াই কৈছে ঃ

“গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবলৈ চেতিয়াই আত্মগোপন কৰে আৰু ছদ্মৱেশ ধৰি নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু পশ্চিমবংগ আদি ঠাইত ইংৰাজৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য চলাইছিল। এইদৰেই কিছু দিন থকাৰ পিছত পুনৰ নামতিলৈ ঘূৰি আহে আৰু সংগ্ৰাম তীব্ৰতৰ কৰি তোলে। ১৯৪২ চনৰ ২৯ ছেপ্তেম্বৰত নামতি ষ্টেচনত মিলিটেৰী যোগানৰ বেকিং বন্ধ কৰাৰ বাবে এৰেষ্ট হয় আৰু ছয় মাহ কাৰাবৰণ কৰিব লগা হয়।”

বিপ্লৱী কমিউনিস্ত পাৰ্টিৰ বিখ্যাত নেতা খগেন বৰবৰুৱাৰ বিষয়ে পুতলী বৰবৰুৱাই লিখিছে ঃ

“বৰবৰুৱাই তিনিবাৰকৈ এম.এল.এ’ হৈছিল, কিন্তু জীৱনত কোনো ধৰণৰ লাহ-বিলাহ আৰু ভোগ বিলাসিতা নাছিল। নিজৰ কাৰণেও, ল’ৰা-ছোৱালীৰ কাৰণেও। এখন নতুন বাই চাইকেল কিনিবলৈ আমি সকলোৱে তেখেতক অনুৰোধ কৰা সত্বেও কিনা নহ’ল। পুৰণা চাইকেল এখনেৰে আমগুৰি সমষ্টিত চুকে কোণে, দিনে ৰাতিয়ে ৰাইজৰ মাজত ঘূৰি ফুৰিছিল।”

**এইগৰাকী মহান বিপ্লৱীক বিদেশী বিতাড়ন আন্দোলনৰ সময়ত কেনেকৈ অপমান কৰা হৈছিল; সেই কথাও ইয়াত পোহৰলৈ আহিছে ঃ**

**“বিদেশী খেদা আন্দোলনৰ সময়ত বৰবৰুৱাক ঘেৰাও কাৰ্যসূচী লৈছিল ছাত্ৰসন্থা আৰু গণসংগ্ৰাম পৰিষদে। সেই সময়তেই তেখেতৰ স্বাস্থ্য অতিকে বেয়া আছিল। মই অনুভৱ কৰো সেই সময়ছোৱাতে বৰবৰুৱা একেবাৰে ভাগি পৰিছিল। আন্দোলনকাৰী নেতাসকলৰ কৰ্মকাণ্ড দেখি বৰকে হতাশ হৈছিল।**

**এতিয়াও নেতাসকলক মোৰ সুধিবলৈ মন যায়, তোমালোকে বিদেশী খেদাব পাৰিলানে? অৱশ্যে বৰবৰুৱাই বিদেশী খেদাব নেলাগে বুলি কেতিয়াও কোৱা নাছিল। যি কি নহওক, তেই সময়ছোৱাৰ স্মৃতিয়ে আজিও মোৰ মনত দুখ দিয়ে।”**

অধ্যাঃ ৰঞ্জন গোস্বামীয়ে তেখেতৰ পিতৃ, কমিউনিস্ত নেতা ভদ্ৰকৃষ্ণ গোস্বামীৰ বিষয়ে এনেকৈ লিখিছে ঃ

“জে বি কলেজত পঢ়ি থকাৰ সময়ত তেখেত সেই সময়ৰ অসম ছাত্ৰ সন্মিলনৰ কেইবাজনো নেতৃস্থানীয় ব্যক্তি ক্ৰমে দধি মহন্ত, কীৰ্তি বৰদলৈ, বিষ্ণু বৰা আদিৰ সংস্পৰ্শলৈ আহে আৰু ছাত্ৰ সন্মিলনৰ আগশাৰীৰ কৰ্মীৰূপে পৰিগণিত হয়। সেই সময়ত ছাত্ৰ সন্মিলনৰ যোৰহাট শাখাৰ সম্পাদক হিচাপেও কাৰ্য্য নিৰ্বাহ কৰে। এইসকল ব্যক্তিৰ সংস্পৰ্শলৈ অহাৰ ফল স্বৰূপে তেখেতৰ মন গান্ধীজীৰ নীতিৰ পৰা মাৰ্ক্সীয় বামপন্থী ৰাজনীতিলৈ পৰিৱৰ্তিত হয়।”



“১৯৪৭ চনত দেশে স্বাধীনতা লাভৰ পিছত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে এই স্বাধীনতাক ভুৱা স্বাধীনতা আখ্যা দিয়াত কমিউনিষ্ট পাৰ্টিক বে-আইনী ঘোষণা কৰে। পাৰ্টিৰ নিৰ্দেশত তেখেতে আত্মগোপন কৰিবলৈ বাধ্য হয়। কিন্তু এই সময়ত তিতাবৰ, গোলাঘাট অঞ্চলত কৃষক সভাৰ সংগঠন চলাই থকা অৱস্থাত তেখেতক ১৯৪৯ চনৰ নৱেম্বৰ মাহত দেশীয় চৰকাৰে আটক কৰি ২ বছৰ কাৰাবাস দিয়ে।”

সেইদৰে মুক্তিযোদ্ধা মহেন্দ্ৰ হাজৰিকাৰ বিষয়ে পুত্ৰ প্ৰণৱ হাজৰিকাই লিখিছে ঃ

“১৯৩৯ চনত হাজৰিকা দেৱ ‘অসম প্ৰদেশ কংগ্ৰেছীৰ প্ৰতিনিধিৰূপে কংগ্ৰেছৰ সৰ্বভাৰতীয় হৰিপুৰৰ পূৰ্ণাংগ অধিৱেশনত অংশ গ্ৰহণ কৰাকে ধৰি মুঠ চাৰিখন সৰ্বভাৰতীয় কংগ্ৰেছৰ অধিৱেশনত অসমক প্ৰতিনিধিত্ব কৰিছিল। ১৯৪০ চনত এক বছৰৰ বাবে জেললৈও যাব লগা হৈছিল। ১৯৪২ চনত আকৌ সম্পূৰ্ণ এবছৰ জেল খাটিবলগীয়া হৈছিল। পুনৰ ১৯৪৩ চনত তৃতীয় বাৰৰ বাবে জেল খাইছিল আৰু জেলতেই ৰাজনৈতিক বন্দীসকলৰ সম্পাদক নিৰ্বাচিত হৈছিল। আৰু তেতিয়াই কাৰাগাৰৰ ভিতৰতে প্ৰতিবাদ কৰি ‘বলিয়া ঘন্টা’ বজাইছিল বাবে ১৯৪৩ চনত ২৪ ফেব্ৰুৱাৰী দিনাখন পুলিছে হাজৰিকাদেৱক বেয়াকৈ মাৰপিট কৰাত তিনিমাহ চিকিৎসাধীন হ’ব লগা হৈছিল।”

মুক্তিযোদ্ধা উমাকান্ত বৰফুকনৰ বিষয়ে তেখেতৰ বোৱাৰী কুলদা বৰফুকনে লিখিছে ঃ

“১৯৪২ চনৰ ১০ অক্টোবৰত গোলাঘাট জিলাৰ সৰুপথাৰৰ চামপুল গাঁৱৰ সমীপত বৃটিছ সেনাবাহিনী ভৰ্ত্তি এখন ৰেলগাড়ী বাগৰি পৰি বহুতো বৃটিছ সেনাৰ মৃত্যু হয়। উক্ত ঘটনাৰ সময়ত শংকৰ বৰুৱা, কুশল কোঁৱৰ, বৈকুণ্ঠ সিংহ আৰু উমাকান্ত বৰফুকন সহ কেইবাজনো লোক একেটি ঘৰতে আছিল। দৈৱক্ৰমে শংকৰ বৰুৱা আৰু উমাকান্ত বৰফুকন সেই অঞ্চলৰ পৰা পলাই যাবলৈ সক্ষম হৈছিল। তেতিয়া উমাকান্ত বৰফুকনক জাঁজী অঞ্চলত বহুবাৰ বৃটিছ বাহিনীয়ে বিচাৰিছিল আৰু তেখেতক তেতিয়াৰ পৰাই বৃটিছে চৰকাৰীভাৱে পলাতক ঘোষণা কৰিছিল। এনেদৰে পলাই পলাই তেখেতে আন্দোলনৰ বিভিন্ন কাৰ্যসূচী পালন কৰিছিল।”

“মহেন্দ্ৰ হাজৰিকা, সোমেশ্বৰ কাকতি, বিমল গগৈ, উমাকান্ত বৰফুকন, নগেন শইকীয়া, নাৰায়ণ শৰ্মা, চন্দ্ৰকান্ত ভূএঞা, উপেন খাৰঘৰীয়া, অতুল ভূএঞা, উমেশ বৰুৱা, দুলাল শইকীয়া, মুক্তিনাথ শৰ্মা, ফটিক ভূএঞা লগতে জাঁজী বনাই অঞ্চলৰ ভূৱন বাৰুৱতী। এখেতসকলৰ প্ৰচাৰ পত্ৰিকাৰ পৰা ৰাইজে উদগনি পাই বিভিন্ন ঠাইত ৰেল লাইন উঠোৱা, চৰকাৰী কাৰ্য্যালয় ভঙা, টেলিগ্ৰাফ ভঙা, যোগাযোগ বিছিন্ন কৰা আৰু বিভিন্ন চৰকাৰী কাৰ্যালয় ভাঙি ধ্বংস কৰিবলৈ, ৰেল ষ্টেচনৰ প্লেটফৰ্মত দিবলৈ কেঁচা বোমা বনোৱা কাৰ্য্য সম্পাদনা কৰা হৈছিল।”

ইয়াৰ পৰা স্পষ্ট হয় যে **‘গান্ধীবাদী’** বুলি কথিত আন্দোলনৰ সমান্তৰালভাৱে অসমতো সশস্ত্ৰ সংগ্ৰামৰ ধাৰা এটা সবলভাৱে প্ৰবাহিত হৈ আছিল।

তেনে সশস্ত্ৰ সংগ্ৰামৰ ঝনঝননি আমি মুক্তিযোদ্ধা চন্দ্ৰকান্ত ভূএঞাৰ বিষয়ে টোকাতো পাওঁ ঃ

“ভূএঞাই স্বাধীনতাৰ প্ৰেৰণাত বলীয়ান হৈ বৰবাম বাগিচাৰ ৮০ ফুট উচ্চতাৰ পানীৰ টেংকীত মৰসাহ দি উঠি কংগ্ৰেছৰ ত্ৰিৰংগ পতাকা উত্তোলন কৰি স্বাধীনতা সংগ্ৰামৰ কাৰ্যসূচী ৰূপায়ণ কৰি সকলো লোকক চমক খুৱাইছিল। জীৱনক তুচ্ছজ্ঞান কৰি অহৰহ সশস্ত্ৰ মিলিটেৰীয়ে ৰে’ল-লাইন পহৰা দিয়াৰ মাজতো সুযোগ বিচাৰি নামতিত ৰে’ল লাইন তুলিছিল। ভূএঞা শিৱসাগৰ জেলত থাকোঁতে স্বাধীনতা বিৰোধী দলে তেওঁক আটক ধুনীয়া ঘৰটি জুই লগাই ভস্মীভূত কৰিছিল। তেওঁৰ চাইকেলখনো পুলিচে জব্দ কৰি লৈ গৈছিল। চাৰিবাৰকৈ পাইকাৰী জৰিমনা তেওঁ পৰিয়ালে ভৰিবলগীয়া হৈছিল।”

তেনে উল্লেখ আমি মুক্তিযোদ্ধা মহেন্দ্ৰ গগৈৰ বিষয়ে জিতেন গগৈয়ে যুগুতোৱা টোকাতো পাওঁ ঃ

“নামতি আলিৰ ৰেল ষ্টেচনলৈ অহা সৈন্যবাহিনীৰ Supply Railway Wagan ভঙাৰ গোচৰত অভিযুক্ত হৈ পলাই ফুৰিব লগা হৈছিল”।

জংগি সংগ্ৰামৰ প্ৰতিধ্বনি মুক্তিযোদ্ধা নোমল চন্দ্ৰ বড়াৰ বিষয়ে ৰাজেন বড়াই লিখা টোকাতো শুনোঁ ঃ

“অহিংস আন্দোলনত ব্ৰতী থাকিও এক শ্ৰেণীৰ ভলন্টিয়াৰে প্ৰত্যক্ষভাৱে হিংসা কাৰ্য যেনে দলং ভঙা, ৰে’ল লাইনৰ ফিচপ্লেট আঁতৰোৱা, ফোনৰ তাঁৰ কটা আদি অব্যাহত ৰাখিছিল। নোমল চন্দ্ৰ বড়া, কমল গায়ন, চিপৌ দত্ত আদি কেইবাজনো ভলন্টিয়াৰে গেলেকী, আঠখেল, দেওপানী, বৰছিলা, আমগুৰি, হালোৱাটিং আদি চাহ বাগিচাত ব্ৰিটিছ চাহাবৰ বঙলাত জুই লগোৱাৰ দৰে হিংসাত্মক ঘটনাত লিপ্ত হৈছিল। ইফালে গাঁৱে ভূঞে চোৰাংচোৱাৰ ঘিটমিটনি বেছি হৈ পৰিছিল।”

মুক্তিযোদ্ধা ঘটাই চন্দ্ৰ (ঘনকান্ত) নাথৰ বিষয়ে জী নিৰদা নাথে লিখা কথাতো তাৰ অনুৰণন শুনোঁ ঃ

“শিৱসাগৰ জিলাৰ গৌৰীসাগৰ অঞ্চলৰ সোনতলিছিগা গাঁৱৰ আমাৰ পিতৃ গুৰু প্ৰয়াত ঘটাই চন্দ্ৰ নাথ ডাঙৰীয়াও এজন স্বাধীনতা সংগ্ৰামী আছিল। সুদীৰ্ঘ কাল দেশৰ কামত আত্মনিয়োগ কৰোঁতে ঘটা কিছুমান ঘটনা তেওঁৰ মুখৰ পৰা আমি শুনিবলৈ পাইছিলোঁ। স্বাধীনতা আন্দেলনৰ সময়ত গৌৰীসাগৰত অৱস্থিত ডাক বঙলাত জুই দিয়াৰ অপৰাধত তেওঁলোকৰ শাস্তি হৈছিল, লগতে সেই অঞ্চলৰ লোকে পাইকাৰী জৰিমনাও ভৰিব লগা হৈছিল”।

..... এইদৰেই ৮০ জনকৈ স্বাধীনতা সংগ্ৰামীৰ আত্মত্যাগ, দেশপ্ৰেম আৰু সাহসৰ কাহিনীত আলোকপাত কৰি সংকলক অধ্যাপক বিমান শেনচোৱা বৰুৱা আৰু প্ৰকাশক অধ্যক্ষা দ০ আছফিয়া চুলতানা, আৰু সামগ্ৰিকভাৱে আমগুৰি মহাবিদ্যালয় আমাৰ বিশেষ ধন্যবাদৰ পাত্ৰ হৈছে। আমি অৱশ্যে আজাদ হিন্দ ফৌজৰ সদস্য বুলি কথিত (পাচত সাপেখাতী কঠিয়াখুন্দাত বসতি স্থাপন কৰা) বন্দেশ্বৰ দুৱৰা আৰু আমগুৰি বৰাহীবাৰীৰ আজাদহিন্দ ফৌজ তথা আৰচিপি আইৰ সদস্য পূৰ্ণানন্দ চেতিয়াৰ কথাও ইয়াত পাম বুলি ভাবিছিলোঁ। সি যি কি নহওক অসমৰ প্ৰতিখন মহাবিদ্যালয়ে যদি নিজ নিজ এলেকাৰ স্বাধীনতা সংগ্ৰামীসকলৰ এনে এক বৃত্তান্ত প্ৰকাশ কৰে তেনেহ’লে জাতীয় ইতিহাসৰ তৰফৰ পৰা আমি সপোন দেখা (অসমৰ) স্বাধীনতা সংগ্ৰামৰ সম্পূৰ্ণ ইতিহাস ৰচনাৰ কামটো বহুদূৰ আগুৱাই যাব।

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক, ফোন ঃ ৯৪৩৫৩৫১২৫৫*




হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেড বা এইচপিয়ে যোৱা ৭০ বছৰ ধৰি ইয়াৰ গ্ৰাহকসকলক সেৱা আগবঢ়াই আহিছে। গেছ আৰু পেট্ৰ'লিয়াম খণ্ডত, এইছপিৰ মুঠ সম্পত্তিৰ মূল্য প্ৰায় ১,৮৯,৯০৬ কোটি টকা। ই ভাৰতীয় বজাৰখনৰ প্ৰায় ২৫ শতাংশ অংশ দখল কৰি আছে। ফৰ্চুন ৫০০ আৰু ফোৰ্বচ ২০০০ কোম্পানীৰ তালিকাত নথিভুক্ত হোৱা এই কোম্পানীটোৰ ভাৰতত মুঠ ১৯,৬০২ খন খুচুৰা পেট্ৰ'লিয়াম বিপণী আছে।

# পেট্ৰ'ল পাম্পৰ ডিলাৰশ্বিপ ঃ কিমান প্ৰাৰম্ভিক বিনিয়োগ ?

## ফ্ৰেঞ্চাইজিৰ বাবে আবেদন কৰাৰ নিয়ম

অত্যাৱশ্যকীয় সামগ্ৰীৰ ভিতৰত অন্তৰ্ভুক্ত বাবেই বিশ্বব্যাপী পেট্ৰ'লজাত সামগ্ৰীৰ যথেষ্ট চাহিদা। সেয়েহে আজিৰ তাৰিখত পেট্ৰ'ল পাম্প ডিলাৰশ্বিপৰ ব্যৱসায়ক অতি লাভজনক ব্যৱসায় হিচাপে ধৰা হয়। এই ব্যৱসায়ত লাভৰ পৰিমাণ বেছি থকাৰ আন এটা কাৰণ এই যে ইয়াত ৰয়েল্টি মাচুল বা কমিছন পৰিশোধ কৰাৰ প্ৰয়োজন নাথাকে। আনহাতে, যেতিয়া ই চহৰৰ ব্যস্ত অঞ্চলত বা ঘাইপথৰ ওচৰত অৱস্থিত হয়, মুঠ লাভৰ মাৰ্জিন আৰু অধিক হয়। পৰিসংখ্যা অনুসৰি, পেট্ৰ'লজাত ইন্ধনৰ ব্যৱহাৰত ভাৰত হৈছে তৃতীয় শীৰ্ষ ৰাষ্ট্ৰ। সেয়ে ভাৰতত পৰ্যাপ্ত সম্পদ আৰু মূলধন হাতত লৈ নিজা ব্যৱসায় আৰম্ভ কৰিব বিচৰা লোকসকলৰ বাবে এই ব্যৱসায় আৰম্ভণিতে এক অতি লাভজনক আৰু স্থিৰ ক্ষেত্ৰ হ'ব পাৰে। ভাৰতত পেট্ৰ'ল পাম্প ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় মুঠ বিনিয়োগ হৈছে মহানগৰসমূহৰ বাবে প্ৰায় ২৫ ৰ পৰা ৩০ লাখ টকা আৰু গাঁও অঞ্চলৰ বাবে ১২ ৰ পৰা ১৪ লাখ টকা। ইয়াৰ লগতে লাগিব ৮০০ বৰ্গ মিটাৰৰ পৰা ১২০০ বৰ্গ মিটাৰৰ ভিতৰত ভূমি। তদুপৰি পেট্ৰ'ল পাম্পৰ ব্যৱসায় খোলাৰ বাবে এজন ব্যক্তিৰ কৰ্মচাৰীসকলক পৰিচালনা কৰিব পৰাকৈ প্ৰয়োজনীয় দক্ষতা, ভাল ব্যৱস্থাপনা আৰু কাৰ্যকৰী জ্ঞান থাকিব লাগিব। মনকৰিবলগীয়া যে হিন্দুস্তান পেট্ৰ'লিয়াম চমুকৈ এইছপিক এইখন বজাৰৰ শীৰ্ষ ব্ৰেণ্ডসমূহৰ ভিতৰত অন্যতম বুলি গণ্য কৰা হয়। সেয়েহে এই ব্ৰেণ্ডটোৰ ফ্ৰেঞ্চাইজিৰ বাবে আবেদন কৰি কিদৰেনো আপুনি পেট্ৰ'ল পাম্প এটাৰ গৰাকী হ'ব পাৰিব সেই বিষয়ে কিছু কথা আজি জানো আহকচোন—

হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেড বা এইচপিয়ে যোৱা ৭০ বছৰ ধৰি ইয়াৰ গ্ৰাহকসকলক সেৱা আগবঢ়াই আহিছে। গেছ আৰু পেট্ৰ'লিয়াম খণ্ডত, এইছপিৰ মুঠ সম্পত্তিৰ মূল্য প্ৰায় ১,৮৯,৯০৬ কোটি টকা। ই ভাৰতীয় বজাৰখনৰ প্ৰায় ২৫ শতাংশ অংশ দখল কৰি আছে। ফৰ্চুন ৫০০ আৰু ফোৰ্বচ ২০০০ কোম্পানীৰ তালিকাত নথিভুক্ত হোৱা এই কোম্পানীটোৰ ভাৰতত মুঠ ১৯,৬০২ খন খুচুৰা পেট্ৰ'লিয়াম বিপণী আছে।



**এইছপিৰ ফ্ৰেঞ্চাইজী লাভৰ বাবে যোগ্যতাৰ চৰ্ত**

এইছপি পেট্ৰ'ল পাম্প ডিলাৰশ্বিপ লোৱাৰ বাবে আপোনাক লগা প্ৰথম বস্তুটো হ'ল পেট্ৰ'ল পাম্পৰ অনুজ্ঞাপত্ৰ। লগতে আবেদনকাৰী এজন ভাৰতীয় নাগৰিক হোৱাটো বাধ্যতামূলক। যদি কোনো প্ৰবাসী ভাৰতীয়ই পেট্ৰ'ল পাম্পৰ বাবে আবেদন কৰিব বিচাৰে, তেন্তে তেওঁ আবেদন কৰাৰ পূৰ্বে কমেও ছয় মাহ ভাৰতত থাকিব লাগিব। আবেদনকাৰীৰ বাবে বয়সৰ সীমা হৈছে ন্যূনতম ২১ বছৰৰ পৰা ৫৫ বছৰ। জন্ম তাৰিখৰ প্ৰমাণ হিচাপে আবেদনকাৰীয়ে দশম শ্ৰেণীৰ মাৰ্কশ্বিটৰ এটা প্ৰতিলিপি আবেদনপত্ৰৰ স'তে সংলগ্ন কৰি জমা দিব লাগে।

যদি গ্ৰাম্য অঞ্চলত পেট্ৰ'ল পাম্প খুলিব বিচাৰে তেন্তে আবেদনকাৰী দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগে। আনহাতে, চহৰাঞ্চলৰ বাবে দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাটো জৰুৰী। অৱশ্যে, বয়সৰ সীমা আৰু ন্যূনতম অৰ্হতাৰ চৰ্তৰ বাবে স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালৰ লোকক কিছু শিথিলতা প্ৰদান কৰা হয়।

**কি কি নথিপত্ৰৰ প্ৰয়োজন**

ফ্ৰেঞ্চাইজি প্ৰাপ্ত কৰাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ হিচাপে ঠিকনাৰ প্ৰমাণপত্ৰ, জন্মৰ প্ৰমাণপত্ৰ (আধাৰ কাৰ্ড, জন্ম প্ৰমাণপত্ৰ, ভোটাৰ পৰিচয় পত্ৰ, পাছপোৰ্ট), স্বীকৃত বোৰ্ড/বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী/মাৰ্কশ্বিট, ভূমি মূল্যাংকন প্ৰমাণপত্ৰ, ডিমেট বিবৃতিৰ প্ৰতিলিপি, পাছবুক, একাউণ্ট বিবৃতি, আৰু জমা ৰচিদৰ প্ৰতিলিপি আদি জমা দিব লাগে। এইছপিৰ পেট্ৰ'ল পাম্পৰ ফ্ৰেঞ্চাইজি বিচাৰি আবেদন অনলাইন আৰু অফলাইন উভয় ধৰণেৰে কৰিব পাৰি। অফলাইন দাখিলৰ বাবে আবেদনকাৰীয়ে প্ৰ-পত্ৰখন নিৰ্ধাৰিত ফৰ্মেটত ডিলাৰশ্বিপৰ বাবে শপতনামাৰ স'তে পূৰণ কৰিব লাগে। আনহাতে, অনলাইন দাখিলৰ বাবে আবেদনকাৰীয়ে ৱেবছাইটত অনলাইন পঞ্জীয়ন কৰিব লাগে আৰু ডিমাণ্ড ড্ৰাফ্‌টৰ ৰূপত নামমাত্ৰ মাচুল পৰিশোধ কৰিব লাগে। অনলাইন আবেদন কৰিবলৈ https://www.hindustanpetroleum.com ছাইটটোৰ সহায় ল'ব পাৰে।

**বিনিয়োগৰ পৰিমাণ**

অৱস্থান আৰু অন্যান্য কাৰকৰ ওপৰত নিৰ্ভৰ কৰি পেট্ৰ'ল পাম্প এটা আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় ন্যূনতম বিনিয়োগৰ পৰিমাণ কম বেছি হয়। এইছপিৰ ফ্ৰেন্সাইজি লৈ পেট্ৰ'ল পাম্প এটা স্থাপন কৰোতে ভূমিৰ ব্যয়, প্লটৰ আকাৰ আৰু গ্ৰাহকৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে বিকশিত কৰিব লগা সুবিধাবোৰৰ স'তে সামঞ্জস্য ৰাখি মূলধন বিনিয়োগৰ প্ৰয়োজন। আবেদনখন অনুমোদিত হোৱাৰ পাছত, হিন্দুস্তান পেট্ৰ'লিয়ামৰ ফ্ৰেঞ্চাইজি প্ৰাপ্ত কৰিবলৈ ব্ৰেণ্ড সুৰক্ষাৰ ৰূপত বিনিয়োগৰ প্ৰয়োজন।

নিয়মীয়া এইছপিচিএল আউটলেটৰ বাবে, প্ৰাৰম্ভিক স্তৰত বিনিয়োগৰ পৰিমাণ চহৰাঞ্চলত ১.২৫ লাখ টকা আৰু গ্ৰামাঞ্চলত প্ৰায় ১.১২ লাখ টকা। এই ব্যৱসায় চলাবলৈ দৈনন্দিন পৰিচালনা ব্যয় পূৰণ কৰাৰ বাবে প্ৰয়োজনীয় পুঁজিও অৱশ্যে বিপণীভেদে বেলেগ বেলেগ হয়।

এই পুঁজিবোৰ এইছপিচিএল কৰ্তৃপক্ষৰ নিৰ্দেশনাৱলীত নিৰ্ধাৰণ কৰা অনুসৰি তাৰল্য বা শ্বেয়াৰৰ ৰূপত যেনে ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ, মিউচুৱেল ফাণ্ড ইত্যাদি হ'ব পাৰে।

মন কৰিবলগীয়া বিষয়টো হ'ল, পেট্ৰ'ল পাম্পৰ অনুজ্ঞাপত্ৰ কোনেও কাকো হস্তান্তৰ বা স্থানান্তৰ কৰিব নোৱাৰে। যদি কোনো ব্যক্তিয়ে এই অনুজ্ঞাপত্ৰ স্থানান্তৰ কৰিব বিচাৰে, তেন্তে ফ্ৰেঞ্চাইজি সম্পৰ্কীয় নথিপত্ৰবোৰ সমৰ্পণ কৰিব লাগিব বা ফ্ৰেঞ্চাইজিৰ পৰা নিজকে প্ৰত্যাহাৰ কৰিব লাগিব।

## গেজেট কৰ্ণাৰ

# বজাৰৰ শ্ৰেষ্ঠ তিনিটা ৫জি স্মাৰ্টফোন



দেশত অচিৰেই আৰম্ভ হ'ব ৫ জি সেৱাৰ। ফলস্বৰূপে ৫ জি সমৰ্থন কৰা বিভিন্ন মডেলৰ ম'বাইল ফোনেৰে এতিয়া বজাৰ ভৰি পৰিছে। আপুনি যদি উচ্চমানৰ কানেকটিভিটিৰ লগতে উন্নত পাৰদৰ্শিতা আৰু অসাধাৰণ কেমেৰা বৈশিষ্ট্যৰ এটা নতুন ৫জি স্মাৰ্টফোন মডেল কিনাৰ পৰিকল্পনা কৰিছে, তেন্তে এই মুহূৰ্তত ভাৰতীয় বজাৰত উপলব্ধ শ্ৰেষ্ঠ তিনিটা ৫জি ফোনৰ বিষয়ে জানি থওক...

### মটৰ'লা এডজ ৩০

এই মজেলটোত ৬.৭ ইঞ্চিৰ এখন ডিছপ্লে আছে যিয়ে ১৪৪ হাৰ্টজ ৰিফ্ৰেছ হাৰলৈকে সমৰ্থন



দিয়ে। লগতে ইয়াত আছে স্নেপড্ৰেগন ৭৭৮ জিপ্লাছ চিপছেট যাৰ ষ্টোৰেজ কেপাচিটী হৈছে ১২৮জিবি। এই ফোনটো ৬ জিবি আৰু ৮জিবি ৰেমৰ দুটা ভেৰিয়েণ্টত উপলব্ধ। গেমিঙৰ বাবে ফোনটোত আছে মট' গেম টাইম, কোৱালকম এলিট গেমিং আৰু কোৱালকম গেম কুইক টাচ্চৰ দৰে অত্যাধুনিক বৈশিষ্ট্য। লগতে ইয়াত আছে ৫০ মেগাপিক্সেলৰ প্ৰাইমেৰী চেন্সৰ আৰু ৫০ মেগাপিক্সেলৰ আল্ট্ৰা ৱাইড এংগল চেন্সৰৰ স'তে গঠিত ট্ৰিপল ৰিয়াৰ কেমেৰা ছেটআপ যি মেক্ৰ' শ্বট আৰু ডেপথ্ চেন্সৰ ধৰিব পৰাকৈ সক্ষম। আনহাতে, ৰিয়েৰ কেমেৰাৰ ছেটআপে অপ্টিকেল ইমেজ ষ্টেবিলাইজেছন আৰু ৪কে ভিডিঅ' ৰেকৰ্ডিঙৰ সুবিধা দিয়ে। বজাৰত ৩০ হেজাৰ টকাৰো কম দামত উপলব্ধ এই মডেলটো।

### ভিভো ভি২৩ই

ভিভো ভি ২৩ ই স্মাৰ্টফোনত আছে ৬.৪৪ ইঞ্চিৰ ডিছপ্লে। সুৰক্ষাৰ বাবে ইয়াত আছে ইন-



ডিছপ্লে ফিংগাৰপ্ৰিণ্ট ৰিডাৰ। হুডৰ তলত এটা মিডিয়াটেক চিপছেট আছে আৰু লগতে ৮জিবি ৰেম আৰু ১২৮জিবি নেটিভ ষ্টোৰেজৰ সুবিধা আছে। ফোনটোত ফটোগ্ৰাফীৰ বাবে ট্ৰিপল ৰিয়াৰ কেমেৰা ছেটআপ আছে, য'ত আছে ৫০ মেগাপিক্সেলৰ প্ৰাইমেৰী চেন্সৰ, আঠ মেগাপিক্সেলৰ আল্ট্ৰা ৱাইড শ্বুটাৰ আৰু দুই মেগাপিক্সেলৰ মেক্ৰ' লেন্স। ছেলফি আৰু ভিডিঅ' কলৰ বাবে অটোফ'কাচ লেন্সৰ স'তে ৪৪ মেগাপিক্সেলৰ ফ্ৰন্ট কেমেৰা সন্নিৱিষ্ট কৰা হৈছে।

### পোকো এফ ৪ ৫জি

পোকো এফ ৪ ৫জি হৈছে এটা মিড ৰেঞ্জৰ ফোন। ইয়াত কোৱালকম স্নেপড্ৰেগন ৮৭০ প্ৰচেছৰ আছে। ১২জিবি পৰ্যন্ত ৰেম আৰু ২৫৬জিবি ইউএফএছ ৩.১ ষ্টোৰেজৰ স'তে, ই গধুৰ এপ আৰু মেম'ৰি গেমসমূহ সহজে চম্ভালিব পাৰে। ফোনটোত ৬.৬৭ ইঞ্চিৰ ফুল এইছডি প্লাছ ই৪ ডিছপ্লে আছে। পোকো এফ ৪ ৫জিত আছে ৬৪ মেগাপিক্সেলৰ প্ৰাইমেৰী কেমেৰা, আঠ মেগাপিক্সেলৰ আল্ট্ৰা ৱাইড এংগল কেমেৰা আৰু দুই মেগাপিক্সেলৰ মেক্ৰ' কেমেৰা। ফোনটোত ছেলফিৰ বাবে ২০ মেগাপিক্সেলৰ কেমেৰা আছে।






# একাউণ্টত এটকা নাথাকিলেও ১০ হেজাৰ টকা উলিয়াব পাৰিব !

## কোন বেংকৰ গ্ৰাহকে পাব এই সুবিধা ?

দেশৰ প্ৰতিটো প্ৰান্তলৈ বেংকিং সেৱা কঢ়িয়াই নিয়াৰ উদ্দেশ্যে কেন্দ্ৰৰ দ্বাৰা প্ৰধানমন্ত্ৰী জন ধন যোজনা আৰম্ভ কৰা হৈছিল। উক্ত আঁচনিৰ সুবাদতে আজিৰ তাৰিখত জন ধনৰ গ্ৰাহকে নিজৰ একাউণ্টত এটকা নাথাকিলেও প্ৰয়োজনৰ সময়ত ১০ হেজাৰ টকা পৰ্যন্ত উলিয়াব পাৰে। সাধাৰণতে কাৰেণ্ট একাউণ্টতহে এই ধৰণৰ অভাৰড্ৰাফ্‌টৰ সুবিধা থাকে আৰু কোটি কোটি টকাৰ লেনদেন কৰা ব্যক্তি বা সংস্থাকহে বেংকে এই সুবিধা প্ৰদান কৰে যদিও প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত যিকোনো ব্যক্তিয়ে এতিয়া এনে সুবিধা উপলব্ধ কৰিব পৰা হৈছে।

মন কৰিবলগীয়া, এই একাউণ্টবোৰত ন্যূনতম বেলেঞ্চ বজাই ৰখাৰো কোনো চাপ নাই। তদুপৰি জন ধন একাউন্টধাৰীয়ে লাভ কৰে ৫০ লাখ টকাৰ দুৰ্ঘটনা বীমা কভাৰ। ইয়াৰ উপৰি বেংকসমূহে জন ধনৰ গ্ৰাহকক অভাৰড্ৰাফ্‌টৰ সুবিধা প্ৰদান কৰে যাৰ ফলত গ্ৰাহকে কোনো চৰ্ত নোহোৱাকৈ ২০০০ টকা পৰ্যন্ত আৰু সৰ্বাধিক ১০ হেজাৰ টকা পৰ্যন্ত অভাৰড্ৰাফ্‌টৰ সুবিধা লাভ কৰে।পূৰ্বে এই অভাৰড্ৰাফ্‌টৰ সৰ্বোচ্চ সীমা আছিল পাঁচ হেজাৰ টকা।

স্মৰ্তব্য, ২০১৪ ৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জন ধন যোজনাৰ বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ঘোষণাৰ তিনিদিন পাছতে ১৮ আগষ্টৰ পৰা এই প্ৰকল্পৰ কাম আৰম্ভ হয়। সকলোকে সুলভ মূল্যত ৰেমিটেন্স, ক্ৰেডিট, বীমা, পেঞ্চন আৰু বেংকিং সেৱাৰ দৰে বিত্তীয় সেৱা আগবঢ়োৱাৰ উদ্দেশ্যেৰে এই অভিযান আৰম্ভ কৰা হৈছিল। ইতিমধ্যে এই প্ৰকল্পৰ আঠ বছৰ সম্পূৰ্ণ হৈছে। চৰকাৰী তথ্য অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত এতিয়ালৈকে দেশত মুঠ ৪৬.২৫ কোটি একাউণ্ট মুকলি হৈছে। এই একাউণ্টসমূহত জমা হৈছে ১.৭৪ লাখ কোটি টকা।




# জিএছটি সংগ্ৰহত পুনৰ বৃহৎ সাফল্য কেন্দ্ৰৰ

কেন্দ্ৰীয় চৰকাৰে আগষ্টত সামগ্ৰী আৰু সেৱা কৰ (জিএছটি)ৰ পৰা ১,৪৩,৬১২ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। এই কথা জানিবলৈ দিছে কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ এক সূত্ৰই। প্ৰকাশিত তথ্য মতে, যোৱা বছৰৰ আগষ্টৰ তুলনাত চলিত বৰ্ষৰ আগষ্টত সামগ্ৰী আৰু সেৱা কৰৰ পৰা ৰাজহ ২৮ শতাংশ বৃদ্ধি পাইছে। জানিব পৰা মতে, একেৰাহে ছমাহ ধৰি মাহেকীয়া জিএছটিৰ পৰা ১.৪০ লাখ কোটি টকা সংগ্ৰহ কৰা হৈছে।

## আগষ্টত ২৮ শতাংশ বৃদ্ধি পালে ৰাজহ সংগ্ৰহ

কেন্দ্ৰীয় চৰকাৰে আগষ্টত সামগ্ৰী আৰু সেৱা কৰ (জিএছটি)ৰ পৰা ১,৪৩,৬১২ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। এই কথা জানিবলৈ দিছে কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ এক সূত্ৰই। প্ৰকাশিত তথ্য মতে, যোৱা বছৰৰ আগষ্টৰ তুলনাত চলিত বৰ্ষৰ আগষ্টত সামগ্ৰী আৰু সেৱা কৰৰ পৰা ৰাজহ ২৮ শতাংশ বৃদ্ধি পাইছে। জানিব পৰা মতে, একেৰাহে ছমাহ ধৰি মাহেকীয়া জিএছটিৰ পৰা ১.৪০ লাখ কোটি টকা সংগ্ৰহ কৰা হৈছে। মুঠ ১.৪৩ লাখ কোটি টকাৰ ৰাজহৰ ভিতৰত কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ (চিজিএছটি) সংগ্ৰহ ২৪,৭১০ কোটি টকা আৰু ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (এছজিএছটি) সংগ্ৰহ হৈছে ৩০,৯৫১ কোটি টকা। একেদৰে সংযুক্ত সামগ্ৰী আৰু সেৱা কৰ (আইজিএছটি) সংগ্ৰহ হৈছে ৭৭,৭৮২ কোটি টকা। আলোচ্য সময়ছোৱাত আমদানি শুল্ক হিচাপে ব্যয় কৰা হৈছে ৪২,০৬৭ কোটি টকা। ইফালে উপ-কৰ সংগ্ৰহৰ পৰিমাণো বৃদ্ধি হৈছে ১০,১৬৮ কোটি টকালৈ। ইয়াৰে ১,০১৮ কোটি টকা আমদানি শুল্ক হিচাপে সংগ্ৰহ কৰা হৈছে। বিত্ত মন্ত্ৰণালয়ে জনোৱা মতে, যোৱা বছৰৰ একেছোৱা সময়ৰ তুলনাত ২০২২ৰ আগষ্টলৈকে জিএছটিৰ ৰাজহ সংগ্ৰহৰ ৩৩ শতাংশ বৃদ্ধিয়ে সামগ্ৰিকভাৱে আশাৰ সঞ্চাৰ কৰিছে।

মন্ত্ৰণালয়ে লগতে কয় যে চলিত বছৰৰ জুলাইত ৭.৬ কোটি ই-ৱে বিল প্ৰস্তুত কৰা হয়, যি একে বছৰৰ জুনৰ ৭.৪ কোটিৰ তুলনাত কিছু পৰিমাণে বেছি। ২০২১ ৰ জুনত এই পৰিমাণ আছিল ৬.৪ কোটি। অৰ্থাৎ যোৱা বছৰৰ তুলনাতো ই-ৱে বিল উৎপাদনৰ হাৰ ১৯ শতাংশ বেছি।

# প্ৰণালীবদ্ধ প্ৰত্যাহাৰ পৰিকল্পনাৰ দ্বাৰা কেনেদৰে লাভান্বিত হ'ব ?




চক্ৰবৃদ্ধি হাৰত সুতৰ লাভালাভ প্ৰাপ্ত কৰাৰ বাবেও এছডব্লিউপিৰ বিনিয়োগকাৰীয়ে একেবাৰতে বৃহৎ পৰিমাণৰ ধন উলিয়াব নালাগে। তেহে অৱসৰৰ সময়ত ধনৰ নাটনি নোহেবাকৈ জীৱন যাপনৰ বাজেট নিয়াৰিকৈ মিলাই লৈ যাব পাৰিব এছডব্লিউপিৰ বিনিয়েগকাৰীয়ে।

**বজাৰত** প্ৰতিদিনে ইন্ধন আৰু নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি পোৱাটো এতিয়া যেন কোনো নিয়মৰ দৰেই হৈ পৰিছে। একেদৰে বিগত কেইটামান ত্ৰিমাসিকত বেংক আৰু ডাকঘৰতো নিয়ম মাফিক সুতৰ হাৰ হ্ৰাস পাইছে। এনে পৰিস্থিতিত, বিনিয়োগ কৰিবলৈ লৈও মধ্যবিত্ত পৰিয়ালসমূহে বাৰে বাৰে চিন্তা কৰিবলগীয়া হৈছে। উচ্চ, মধ্য বা নিম্ন বিত্ত, যিকোনো শ্ৰেণীৰ পৰিয়াল এটাৰ বাবে যিহেতুকে অৱসৰৰ বাবে বিত্তীয় পৰিকল্পনা কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয়, সেয়েহে বিনিয়োগৰ লগতে ৰিটাৰ্ণৰ আগতীয়া অনুমান কৰি আগবাঢ়িবলৈ বহুতৰে অসুবিধা হৈছে। ক্ৰমবৰ্ধিত মূল্যবৃদ্ধিৰ স'তে তাল মিলাই পৰিয়ালৰ সমস্ত খৰচৰ বাজেট মিলাব পৰাকৈ ৰিটাৰ্ণ অৱসৰৰ পাছত ঘূৰি আহিব নে নাই, বিনিয়োগকাৰীক তাৰ গেৰান্টী দিয়া আঁচনি বজাৰত কেইখননো আছে? এনে ক্ষেত্ৰত বিত্তীয় পৰামৰ্শদাতাসকলে প্ৰণালীবদ্ধ প্ৰত্যাহাৰ পৰিকল্পনা বা ছিষ্টেমেটিক উইড্ৰয়েল প্লেন, চমুকৈ এছডব্লিউপিক অৱসৰমুখী পৰিকল্পনাসমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বিকল্প বুলি বিবেচনা কৰে। এই এছডব্লিউপি বা প্ৰণালীবদ্ধ প্ৰত্যাহাৰ পৰিকল্পনা হৈছে এছআইপি বা প্ৰণালীবদ্ধ বিনিয়োগ পৰিকল্পনাৰ সম্পূৰ্ণ বিপৰীত এক বিনিয়োগ প্ৰক্ৰিয়া। এই আঁচনিৰ সহায়ত, বিনিয়োগকাৰীয়ে এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত জমা কৰা মুঠ পৰিমাণৰ এটা অংশ উলিয়াব পাৰে।

**ই কেনেদৰে কাম কৰে?**

এছডব্লিউপিত বিনিয়োগকাৰীয়ে প্ৰথমে এবাৰত বৃহৎ পৰিমাণৰ ধন বিনিয়োগ কৰিব লাগিব। তাৰ পাছত তাৰ পৰা তেওঁ নিয়মীয়া সময়ৰ ব্যৱধানত এক নিৰ্দিষ্ট পৰিমাণৰ ধন উলিয়াব পাৰে। বিশেষজ্ঞসকলে দাবী কৰা মতে, এছডব্লিউপিৰ জৰিয়তে বিনিয়োগ সম্পূৰ্ণ সুৰক্ষিত। যিসকলে অৱসৰ গ্ৰহণ কৰিছে বা যিসকল জ্যেষ্ঠ নাগৰিকে মাহিলি উপাৰ্জনৰ এক সহজ উৎস বিচাৰি আছে তেওঁলোকৰ বাবে এছডব্লিউপি হৈছে এক আদৰ্শ বিকল্প। ইয়াৰ দ্বাৰা বিনিয়োগকাৰীয়ে প্ৰথমে বৃহৎ পৰিমাণৰ ধন জমা কৰি তাৰ পৰা মাহিলি উপাৰ্জন কৰাৰ এক সুৰক্ষিত উপায় বিচাৰি পাব। এই আঁচনিৰ জৰিয়তে বিনিয়োগকাৰীয়ে প্ৰতি মাহে এক নিৰ্দিষ্ট পৰিমাণৰ ধন উলিয়াব পাৰে বা তিনি মাহৰ ব্যৱধানতো ধন উলিয়াব পাৰে। তদুপৰি বছৰত এবাৰকৈ এই ধন উলিয়াব পৰাৰো সুবিধা আছে। এই বিনিয়োগ পৰিকল্পনাত কিস্তি হিচাপত ধন প্ৰত্যাহাৰ কৰিবলৈ অনুমতি দিয়া পৰিমাণটো কোনো এজন ব্যক্তিৰ ব্যয় পূৰণ কৰিবলৈ যথেষ্ট। কিন্তু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ লগে লগে যিহেতু জীৱন যাপনৰ খৰচৰ পৰিমাণটো সময়ৰ স'তে পৰিৱৰ্তন হৈ থাকে, সেই অনুসৰি বিনিয়োগকাৰীয়ে প্ৰত্যাহাৰৰ পৰিমাণ সলনি কৰিব পাৰে। অৱশ্যে, প্ৰতি মাহে উলিওৱা ধনৰ পৰিমাণৰ প্ৰতি অলপ নজৰ নিদিলে বা সাৱধান নহ'লে লোকচান ভৰিব লগা হ'ব পাৰে। মুঠ মূলধনৰ ওপৰত কিমান শতাংশৰ সুত দিয়া হয় তাৰ ওপৰত ভিত্তি কৰিহে এই প্ৰত্যাহাৰৰ পৰিমাণ নিৰ্ধাৰণ কৰিব লাগে। অৰ্থাৎ, যদি সাত শতাংশৰ সুত দি থকা হৈছে, তেনেহ'লে মাহিলি কিস্তিত পাঁচ শতাংশৰ পৰা ছয় শতাংশতকৈ অধিক উলিওৱাটো বুদ্ধিমানৰ কাম। কিয়নো ইয়াৰ ফলত জমা হোৱা মূলধনত হাত দিব লগা নহ'ব। অৱশ্যে, উপাৰ্জন আৰু ব্যয়ৰ পৰিমাণ তুলনা কৰি মাহিলি কিস্তিৰ প্ৰত্যাহাৰৰ পৰিমাণ যিকোনো সময়তে সলনিও কৰিব পাৰি এই আঁচনিত। তদুপৰি, চক্ৰবৃদ্ধি হাৰত সুতৰ লাভালাভ প্ৰাপ্ত কৰাৰ বাবেও এছডব্লিউপিৰ বিনিয়োগকাৰীয়ে একেবাৰতে বৃহৎ পৰিমাণৰ ধন উলিয়াব নালাগে। তেহে অৱসৰৰ সময়ত ধনৰ নাটনি নোহেবাকৈ জীৱন যাপনৰ বাজেট নিয়াৰিকৈ মিলাই লৈ যাব পাৰিব এছডব্লিউপিৰ বিনিয়েগকাৰীয়ে।



আপুনি য'তেই বিনিয়োগ নকৰে কিয়, সকলোতে কিবা নহয় কিবা সমস্যা এটা থাকেই। কোনোবাখন আঁচনিত যদি সুত কম, আন কোনোবাখন মোটা অংকৰ ৰিটাৰ্ণ ঘূৰি নহাৰ আশংকা; কিন্তু এক বিশেষ আঁচনিয়ে এই সকলোবোৰ সমস্যাৰ সঁকাহ দিব পাৰে বিনিয়োগকাৰীক।

# ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি

## সামান্য বিনিয়োগেৰে নিজ পত্নীক আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰিব স্বামীয়ে !

আপুনি য'তেই বিনিয়োগ নকৰে কিয়, সকলোতে কিবা নহয় কিবা সমস্যা এটা থাকেই। কোনোবাখন আঁচনিত যদি সুত কম, আন কোনোবাখন মোটা অংকৰ ৰিটাৰ্ণ ঘূৰি নহাৰ আশংকা; কিন্তু এক বিশেষ আঁচনিয়ে এই সকলোবোৰ সমস্যাৰ সঁকাহ দিব পাৰে বিনিয়োগকাৰীক। বিনিয়োগকাৰীসকলৰ এনেবোৰ সমস্যাৰ কথা মনত ৰাখি মোদী চৰকাৰে নতুন আঁচনি এখন লৈ আহিছে। এই আঁচনিখনত বিনিয়োগ কৰি আপুনি ৰিটাৰ্ণ সম্পৰ্কে অন্ততঃ নিশ্চিত হ'ব পাৰে। কিন্তু এই আঁচনিখনত বিনিয়োগৰ দ্বাৰা কেৱল আপুনিয়েই নহয়, আপোনাৰ পত্নীও আত্মনিৰ্ভৰশীল হৈ উঠিব পাৰে। বহুলোকে কোটিপতি হ'বলৈ বহু ঠাইত বিনিয়োগ কৰে। কিন্তু শেষত, তাৰ পৰা কোনো লাভ নহয়। কিন্তু যদি অলপ টকা বিনিয়োগ কৰিলেই কোটিপতি হোৱাৰ সুযোগ আপোনাক কোনোবাই দিয়ে, তেন্তে সেই সুযোগ আপুনি হেৰুৱাব বিচাৰিবনে বাৰু? আপোনাৰ অনুপস্থিতিত, আপোনাৰ পত্নীৰ উপাৰ্জন নিয়মীয়া হোৱাৰো গেৰান্টী দিয়া এক বিশেষ আঁচনি মুকলি কৰিছে মোদী চৰকাৰে। ইয়াৰ নাম হ'ল, ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি। এই আঁচনিত আপোনাৰ পত্নীৰ নামত মাত্ৰ এহেজাৰ টকাৰে এটা একাউণ্ট খুলিব পাৰে। এই পেঞ্চন একাউণ্টটো পৰিপক্ক হোৱাৰ পাছত ইয়াৰ পৰা আপোনাৰ অবৰ্তমানতো আপোনাৰ পত্নীয়ে নিয়মীয়া উপাৰ্জন কৰি থাকিব পাৰিব।

ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিত বিনিয়োগ কৰি, আপুনি নিজৰ লগতে নিজৰ পত্নীকো আত্মনিৰ্ভৰশীল কৰিব পাৰে। কিয়নো, ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিত আপুনি আপোনাৰ পত্নীৰ নামত নতুন পেঞ্চন প্ৰণালী একাউণ্ট খুলিব পাৰে। পত্নীৰ বয়স ৬০ বছৰ হোৱাৰ পাছত প্ৰতি মাহে পেঞ্চনৰ টকা নিয়মীয়াকৈ উপলব্ধ কৰিব পাৰিব। প্ৰধানমন্ত্ৰীৰ এই আঁচনিত আপোনাৰ পত্নীয়ে কিমান পেঞ্চন পাব সেয়া আপুনি নিজেই সিদ্ধান্ত ল'ব পাৰে। এই আঁচনিত আপোনাৰ সুবিধা অনুসৰি, আপুনি প্ৰতি মাহে বা প্ৰতি বছৰে একাউন্টত টকা ৰাখিব পাৰে। ইয়াত টকা জমা কৰাৰ ন্যূনতম সীমা হ'ল এহেজাৰ টকা। এই পেঞ্চন একাউণ্টটো পত্নীৰ ৬০ বছৰ বয়সৰ পাছতহে পৰিপক্ক হ'ব। নতুন নিয়ম অনুসৰি আপুনি যদি বিচাৰে এই একাউণ্টটো আপোনাৰ পত্নীৰ ৬৫ বছৰ বয়সলৈকেও চলাব পাৰে। লগতে বিনিয়োগ আৰম্ভ কৰাৰ পাছৰে পৰা যিকোনো সময়তে টকা উলিয়াব পাৰে।

ৰাজ্য চৰকাৰে একাংশ চৰকাৰী বিদ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত লৈছে আৰু ইতিমধ্যে আঠশৰো অধিক বিদ্যালয় সন্দৰ্ভত জাননী জাৰি কৰিছে। এই সিদ্ধান্তই ৰাজ্যজুৰি তুমুল বিতৰ্কৰ সৃষ্টি কৰিছে। এই বিষয়টোক লৈ আজিৰ প্ৰতিবেদন। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— হেমেন কুমাৰ দাস, অৰূপ কলিতা, মকছেদ আলী, আব্দুল মালেক আহমেদ আৰু ছাহিন আহমেদ।*

# চৰকাৰী বিদ্যালয় বন্ধ হ'ব নেকি?

## ব্যক্তিগত বিদ্যালয়ৰ গ্ৰাসত ৰাজ্যৰ শিক্ষাখণ্ড

■ **আমানউল্লাহ পাছা,** অৱসৰপ্ৰাপ্ত অধ্যাপক, ৰাজঘাট, উচ্চতৰ মাধ্যমিক বিদ্যালয়, দৰং



অসমৰ সামগ্ৰিক শিক্ষা ব্যৱস্থা, চৰকাৰী বিদ্যালয়, ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় আৰু চৰকাৰৰ শিক্ষা নীতি আদি বিষয় অতি স্পৰ্শকাতৰ। আমাৰ ৰাজ্যখনত কিছুসংখ্যক ইংৰাজী মাধ্যমৰ বিদ্যালয় বহুত আগৰে পৰাই আছিল যদিও সকলো দিশতে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ে প্ৰাধান্য লাভ কৰি আহিছিল। আমি দেখিবলৈ পাওঁ যে যোৱা দুটা দশকত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ স্কুল ব্যৱসায়িক কাৰণত কাঠফুলাৰ দৰে বাঢ়ি আহি অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ক গ্ৰাস কৰি পেলাইছে। ফলত চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেবাৰে কমি আহিছে। চৰকাৰী বিদ্যালয়সমূহৰ প্ৰতি অভিভাৱকসকলৰ অনীহাৰ আন এটা কাৰণ হৈছে বিদ্যালয়সমূহৰ নিম্ন মানৰ পৰিকাঠামো। চৰকাৰৰ বিভিন্ন আঁচনিয়ে ঢুকি নোপোৱা বিদ্যালয়সমূহৰ আন্তঃগাঁথনি আৰু উপযুক্ত শিক্ষকৰ অভাৱৰ বাবে অভিভাৱকসকলে চৰকাৰী বিদ্যালয়সমূহত নিজৰ সন্তানক পঢ়ুৱাবলৈ অনিচ্ছুক। বৰ্তমানৰ এনে পৰিস্থিতিৰ আন এটি প্ৰধান কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীৰ সাজ-পোছাক (dress code)। আকৰ্ষণীয় সাজ-পোছাকে অভিভাৱক আৰু সন্তানক বাৰুকৈয়ে প্ৰভাৱিত কৰে। যাৰ বাবে তেওঁলোকে নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুৱাবলৈ আগ্ৰহী। চৰকাৰী বিদ্যালয়ৰ দুৰ্বলতাৰ বাবেই অতি নিম্ন উপাৰ্জনৰ অভিভাৱকসকলেও আজি কালি নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। চৰকাৰী বিদ্যালয় বন্ধ হোৱাটো আমি কোনো কাৰণতেই মানি ল'ব নোৱাৰিম বা সমৰ্থন নকৰিম। কিন্তু দেখিবলৈ পাইছো যে আমাৰ ৰাজ্যখনৰ বহুতো বিদ্যালয়ত শিক্ষক অনুপাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য আৰু শিক্ষা ব্যৱস্থাও তথৈবচ। সেয়েহে আমাৰ স্পষ্ট মত বগাহাতী সদৃশ ছাত্ৰ নথকা স্কুলসমূহ বন্ধ কৰিব লাগে। অৱশ্যে অসমৰ স্বনামধন্য ব্যক্তিৰ নামত থকা স্কুলসমূহ পুনৰ সক্ৰিয় কৰাৰ বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰিব লাগে। শিক্ষাৰ মাধ্যম সম্পৰ্কত আমাৰ স্পষ্ট মত হ'ল মাতৃভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ আৰু শিক্ষাদান কাৰ্য সম্পাদন হ'ব লাগে লগতে ইংৰাজী ভাষা জ্ঞানৰ ওপৰৰ গুৰুত্ব দিব লাগে। উৎকৃষ্ট আৰু ফলপ্ৰসূ শিক্ষা লাভৰ বাবে মাতৃ ভাষাৰ লগতে ইংৰাজী আৰু আন আধুনিক ভাষা জ্ঞান লাভ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি আমি বিবেচনা কৰো।

## ওকনিৰ ভয়ত চুলি খুৰোৱা ব্যৱস্থা

■ **ড° পৰশমণি সিংহ,** সমাজকৰ্মী



একোখন বিদ্যালয় একোটা অঞ্চলত প্ৰবল উৎসাহৰ মাজৰে স্থাপন কিয় কৰা হৈছিল? প্ৰথম অৱস্থাত তেনে বিদ্যালয়ৰ শৈক্ষিক মান কেনে আছিল। কেতিয়াৰ পৰা বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমিল আৰু কিয় ফলাফল বেয়া হ'বলৈ ল'লে? এই দিশবোৰৰ গভীৰতালৈ গৈ চালিজাৰি চোৱাৰ আৱশ্যকতা আছে। অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়তে পঢ়ি-শুনি অহা অভিভাৱকে কিয় তেওঁলোকৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ পঠিয়াবলৈ লৈছে? তাৰ মাজতে এনে চৰকাৰী বিদ্যালয়ো আছে য'ত এতিয়াও নামভৰ্তিৰ বাবে পুৱাৰ পৰা শাৰী পাতিব লাগে। ওকনিৰ ভয়ত চুলি খুৰাই পেলোৱাৰ দৰে প্ৰকৃত কাৰণ নিবিচাৰি বিদ্যালয় বন্ধ কৰিলেই হ'ব নেকি নাইবা সদায়েই চৰকাৰী বিদ্যালয়ত কেৱল ৰিক্সাৱালা, ঠেলাৱালাৰ সন্তানেহে পঢ়ে বুলি ভাবি ল'লেই হ'ব নেকি? বেচৰকাৰী বিদ্যালয়তো আৰ্থিকভাৱে নিম্ন অৱস্থাৰ বহু পৰিয়ালৰ সন্তানে পঢ়াটো বৰ্তমানৰ বাস্তৱ ছবি। চৰকাৰী বিদ্যালয়ৰ শৈক্ষিক মান ৰাজনৈতিকভাৱে শিক্ষক নিযুক্তিৰ দ্বাৰাই নিম্নগামী হ'বলৈ ধৰিলে। সেই ক্ষেত্ৰত অগপৰ শাসন কালৰ কথা স্পষ্টভাৱে ক'ব পাৰি। তাৰ পাছত যি ধাৰা আৰম্ভ হ'ল টে'ট পৰীক্ষাৰ নিযুক্তিয়ে আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু চৰকাৰী বিদ্যালয়ৰ প্ৰশাসনীয় দিশটোও মনকৰিবলগীয়া। বেচৰকাৰী বিদ্যালয়ৰ পৰিচালনাৰ যি ব্যৱস্থা সেয়া অঞ্চলৰ সমাজ আৰু শিক্ষাব্ৰতী দায়িত্বশীল লোকৰ জৰিয়তে অবৈতনিকভাৱে হ'লেও আইনগতভাৱে প্ৰচলন কৰিব নোৱাৰিনে? এতিয়া পৰিচালনা সমিতিৰ সভাপতিজনো ৰাজনৈতিকভাৱে নিয়োগ কৰি মাধমাৰ শোধোৱা হৈছে। এই গতিত হ'লে চৰকাৰী বিদ্যালয়ৰ ফলাফল বেয়া হৈ গৈ থাকিব আৰু বিদ্যালয় বন্ধ হৈ গৈ থাকিব। অসমত স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত বহু পৰীক্ষা অযথা হৈছে। শিক্ষকসকলক পাঠদানৰ পৰাও বহু সময়ত আঁতৰাই বিভিন্ন কামত নিয়োগ কৰা হয়। আৰ্থসামাজিক দিশটোও জড়িত হৈ থকা শিক্ষাৰ বিষয়টোত একোখন বিদ্যালয় যদি বন্ধই কৰি দিয়া হয় তেনেহ'লে এচামে কৈ অহা ৰিক্সাৱালা আৰু ঠেলাৱালাৰ সন্তানে বিদ্যালয়ত নাম লিখাটোৰে মুদা নমৰিবনে? এফালে চৰকাৰী বিদ্যালয় বন্ধ আৰু আনফালে বেচৰকাৰী বিদ্যালয় স্থাপনৰ ধুম। এই সকলো মিলি চৰকাৰী শিক্ষা ব্যৱস্থা এক সাঁথৰত পৰিণত হৈছে। লগতে এটা কথা-অসমৰ প্ৰতিখন চৰকাৰী বিদ্যালয়ৰ একোটা আহল-বহল চৌহদ আছে। বন্ধ হোৱা বিদ্যালয়ৰ চৌহদবোৰ কি কৰা হ'ব? তাতো কিবা বেলেগ অংক নাইতো?

## ব্যক্তিগত খণ্ডৰ বিদ্যালয় উঠি ৰজা-বহি ৰজা হ'ব

■ **নৱদ্বীপ ভূঞা,** সাংবাদিক



এই কেইদিন এটা বিষয়ে চৌদিশে সৰৱ চৰ্চা হোৱা দেখা গৈছে। সেইটো হৈছে চৰকাৰী মাধ্যমৰ বিদ্যালয় বন্ধ। ইতিমধ্যে চৰকাৰে অসমৰ বিভিন্ন জিলাৰ ৩৪ খনকৈ বিদ্যালয় বন্ধ হ'ব বুলি ঘোষণা কৰাৰ লগে লগেই চাৰিওদিশে এই বিষয়ত তুমুল চৰ্চা অব্যাহত আছে। চৰকাৰৰ এই সিদ্ধান্তই যেন প্ৰতীয়মান কৰিব বিচাৰিছে যে অসমত মাতৃভাষা মাধ্যমৰ বিদ্যালয়বোৰ আৰু আগৰ নিচিনা হৈ থকা নাই। বহু আঢ্যৱন্ত অভিভাৱকৰ নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুওৱাৰ মানসিকতাৰ ফলতেই চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহত শিক্ষাৰ্থীৰ সংখ্যা কমি গৈছে বুলি ভাবো। যাৰ কাৰণে চৰকাৰী বিদ্যালয়সমূহ চৰকাৰে বন্ধ কৰিবলৈ বাধ্য হৈছে। ইয়াত পোনপটীয়াকৈ আমি চৰকাৰক এই কাৰণেই দোষিব নোৱাৰো যে যিবোৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য বা পৰীক্ষাৰ ফলাফল শূন্য সেই বিদ্যালয়সমূহত চৰকাৰে পুঁজি খৰচ কৰি থকা একেবাৰে যুক্তিসংগত বুলি নাভাবো। কিয়নো এখন বিদ্যালয় সদায় শিক্ষাৰ্থী কেন্দ্ৰিক হয়। কিন্তু তাৰ লগতে আমি এটা বিষয় অৱতাৰণা কৰিব বিচাৰিছো যে চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৱাৰ ফলত যিদৰে এফালৰ পৰা বিদ্যালয়বোৰ বন্ধ কৰিছে। এসময়ত যেতিয়া চৰকাৰী বিদ্যালয়সমূহ একেবাৰে কমি যাব তেতিয়া ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ অৱস্থা উঠি ৰজা বহি ৰজাৰ দৰে হ'বগৈ। নিজৰ ইচ্ছা মতে তেওঁলোকে মাচুল নিৰিখ বৃদ্ধি কৰিব বুলি ভাবিব পাৰি। সেইকাৰণে চৰকাৰে দুয়োটা বিষয়তে গুৰুত্ব দিয়া উচিত বুলি ভাবো। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ যি আগ্ৰাসন সেই আগ্ৰাসন আমাৰ বাবে যথেষ্ট ক্ষতিকাৰক হ'ব পাৰে আগন্তুক দিনত। কাৰণ উচ্চ হাৰৰ মাচুলেৰে নিজৰ সন্তানক পঢ়াব নোৱাৰা অৱস্থা যেতিয়া হ'ব তেতিয়া বহুতেই নিজৰ সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়াবলৈ মন কৰিলেও অসমত চৰকাৰী বিদ্যালয় তেনেই তাকৰ হৈ পৰিব। মুঠৰ ওপৰত চৰকাৰী বিদ্যালয় আমাৰ কাৰণে অতি প্ৰয়োজনীয়।

## ৰাজ্যখনৰ বাবে ভয়ংকৰ ইংগিত

■ **মানিক কুমাৰ দত্ত,** সমাজকৰ্মী



চৰকাৰে স্কুল বন্ধ কৰিব লোৱাটো ৰাজ্যখনৰ বাবে ভয়ংকৰ ইংগিত। চৰকাৰী বিদ্যালয়সমূহত উত্তীৰ্ণৰ হাৰ কিয় কম, ছাত্ৰ-ছাত্ৰী কিয় নাই এইবোৰ কথাৰ আমি প্ৰথমতে বুজ ল'ব লাগিব। যদি এনে হৈছে তেনেহ'লে বিদ্যালয়সমূহত নিশ্চয় কিবা অভাৱ আছে। উদাহৰণ স্বৰূপে চিৰাং জিলাৰ শিক্ষা ব্যৱস্থা পূৰ্বৰ পৰাই বেয়া। তাৰে দুটা উদাহৰণ দিও— চিৰাং জিলাৰ বিজনী ৰাজহ চক্ৰৰ অন্তৰ্গত আমগুৰি আৰু ভৱানীপুৰ হাইস্কুল যথেষ্ট বেয়া ফলাফল, জিলাখনৰ উত্তীৰ্ণৰ হাৰ ৩২ শতাংশ অৰ্থাৎ সমগ্ৰ ৰাজ্যৰ ভিতৰতে সৰ্বনিম্ন। সেই বাবেএই স্কুলবোৰ বন্ধ কৰিব নেকি চৰকাৰে। বৰ্তমান চৰকাৰখনে শিক্ষাৰ ওপৰত দৃষ্টি দিয়া উচিত। ৰাজ্যৰ লগতে বিটিআৰত শিক্ষাৰ মান খুবেই বেয়া, স্কুল বন্ধ কৰিলেই শিক্ষাৰ মান উন্নত নহয়। শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব নিদি স্কুল বন্ধৰ হঠকাৰী সিদ্ধান্ত ললেই শিক্ষাৰ মান উন্নত নহয়, গতিকে এজন সচেতন যুৱক হিচাপে অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু ৰণোজ পেগু ডাঙৰীয়ালৈ আহ্বান জনাও যে স্কুল বন্ধ নকৰিব কি কাৰণত ফলাফল বেয়া, শিক্ষা ব্যৱস্থা বেয়া, অলপ উক্ত স্থানত গৈ পৰিস্থিতিৰ বুজ লব বুলি আশা ৰাখিলো।

## অসমীয়া ভাষাৰ প্ৰতি চৰকাৰৰ অনীহাৰ প্ৰতিফলন

■ **ৰূপক শৰ্মা,** সাহিত্য কৰ্মী, ৰঙাপৰা



অসম চৰকাৰে চৰকাৰী মাধ্যমৰ বিদ্যালয় বন্ধ কৰা ঘোষণাৰ কথা শুনি ইমান বছৰে যে অসমৰ বিদ্যায়তনিক দিশত পূৰ্বৰ চৰকাৰে বা যোৱা পাঁচটা বছৰে লোৱা বিনামূলীয়া কিতাপ, ইউনিফৰ্ম, মাচুল, দুপৰীয়াৰ আহাৰ ইত্যাদিয়েও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বঢ়াব নোৱাৰিলে যাৰ ফলত আজি চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰাৰ সিদ্ধান্ত ল'ব লগা হৈছে এইটো আচৰিত হ'বলগীয়া কথা। এতিয়া প্ৰশ্ন হয় উচিত সময়ত শিক্ষা ব্যৱস্থাত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নে অসমীয়া ভাষাৰ প্ৰতি অনীহা নে বৰ্তমান চৰকাৰে ইংৰাজী ভাষাৰ ওপৰত গুৰুত্ব দিয়া বাবে? ৫০-৬০ হেজাৰ টকাৰ ওপৰত দৰমহা লোৱা শিক্ষকতা কৰা শিক্ষকসকলৰ বাবেও অভিভাৱকসকলৰ আজি সন্দেহ ভাব জাগিছে। ব্যক্তিগত বিদ্যালয়ৰ শিক্ষকসকলে খুব বেছি ২৫-৩০ হেজাৰ টকা দৰমহা লৈ কেনেদৰে ছাত্ৰ-ছাত্ৰীৰ ৰিজাল্ট ভাল কৰি বিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব পাৰে? সেই বিষয়সমূহ ফহিয়াই চালে চৰকাৰী বিদ্যালয়, চৰকাৰী চিকিৎসালয়, চৰকাৰী বাছসেৱা সকলোবোৰৰ অৱস্থা একেই। ব্যক্তিগত সকলো অনুষ্ঠানৰ জয়জয় ময়ময় অৱস্থা। কাৰণ তাত মালিক পক্ষৰ কাঢ়া নিৰীক্ষণ থাকে। আৰু থাকিবই লাগিব। বিদ্যালয়সমূহ মানৰ সম্পদ গঢ়া কমাৰশাল। ইয়াৰ পৰাই এজন ব্যক্তিৰ ভৱিষ্যৎ নিৰ্ণয় হয়। কিন্তু ব্যক্তিগত বিদ্যালয়ৰ মাহকৈয়া মাচুল পৰিশোধ কৰিব লাগিব যিহেতু দুখীয়া অভিভাৱকে উচ্চ শিক্ষা দিয়া সম্ভৱ নহ'ব পাৰে। যদি সন্তান বেছি হয়। সেয়েহে চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহ বন্ধ কৰাটো ঘোৰ অন্যায় হ'ব। চৰকাৰে মণিট'ৰিং নিৰীক্ষণ ব্যৱস্থা প্ৰণালীত কঢ়া নজৰ দিব লাগিব।

## সময়োপযোগী পদক্ষেপ

■ **দীনেশ কুমাৰ শৰ্মা,** লেখক



যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱা, প্ৰয়োজনীয় অনুপাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নথকা আৰু ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আওতাত নপৰা বহু সংখ্যক বিদ্যালয় বিলুপ্তিৰ সিদ্ধান্ত চৰকাৰৰ হঠকাৰী সিদ্ধান্ত যেন লাগিলেও দৰাচলতেই সময় উপযোগী পদক্ষেপ বুলি ক'ব লাগিব। কাৰণ, ভিতৰুৱা অঞ্চলত থকা বহু বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে হওঁক বা শিক্ষক-শিক্ষয়িত্ৰীয়ে হওঁক দুয়োপক্ষ নিজ খেয়াল-খুচি মতে চলে। পৰিদৰ্শনৰ চিন্তা নথকা এই বিদ্যালয়সমূহত শিক্ষকৰ উপস্থিতি অনিয়মীয়া। ইয়াৰ উপৰি কিছুমান ঠাইত নামমাত্ৰ ছাত্ৰ-ছাত্ৰী লৈ একোখন বিদ্যালয় চলি আছে। দৰাচলতে এনেবোৰ ব্যৱস্থা অব্যাহত ৰাখি চৰকাৰী ধনৰ অপচয় কৰাতকৈ চামিলকৰণৰ যোগে শিক্ষাৰ মান উন্নত কৰাৰ এক প্ৰয়াস কৰা হৈছে। বেচৰকাৰী বিদ্যালয়ৰ আগ্ৰাসন ৰোধ কৰা বা অসমত থকা বৃহৎ সংখ্যক বিদ্যালয়সমূহৰ আন্তঃগাঁথনি পৰিৱৰ্তন কৰা আৰু সকলো বিদ্যালয়ৰ ওপৰত চোকা নজৰ ৰখা সহজসাধ্য নহয়। কাজেই এই ব্যৱস্থা প্ৰযোজ্য হ'লে, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে একোটা নতুন পৰিৱেশ আৰু নতুন চিন্তাধাৰাৰ দিশে আগবাঢ়ি যোৱাৰ সুবিধা পাব।

## দুখীয়াৰ বিদ্যালয় বন্ধ কৰা হৈছে

■ **গৌতমানন্দ গোস্বামী,** সম্পাদক দৰং জিলা সাহিত্য সভা



অসম চৰকাৰে চৰকাৰী বিদ্যালয় বন্ধ কৰিবলৈ লোৱা সিদ্ধান্ত আৰু মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহেই এই আওঁতাত সোমাই পৰাত বিষয়টো জটিল হৈ পৰিছে। পূৰ্বৰ জনপ্ৰিয় আৰু জাতীয়তাবাদী চৰকাৰৰ কাৰ্যকালতে দৰাচলতে চৰকাৰী বিদ্যালয়সমূহৰ অৱস্থা ক্ৰমান্বয়ে বেয়াৰ পিনে গতি কৰিবলৈ আৰম্ভ হৈছিল। শিক্ষক নিযুক্তিত ১৯৯৭ত হোৱা বিয়াগোম কেলেংকাৰি, ব্যক্তিগতখণ্ডৰ বিদ্যালয় গঢ়ি উঠাৰ পটভূমিৰ মূল কাৰণ নিযুক্তি প্ৰক্ৰিয়া বন্ধ, শিক্ষকসকলক অন্য চৰকাৰী কামত নিযুক্ত কৰা, ৰাজনৈতিক নেতাৰ পিছে পিছে ঘূৰি ফুৰাৰ প্ৰৱণতা, অন্য বৃত্তিৰ স'তে নিযুক্ত হ'বলৈ হেতাওপৰা লগোৱা আদি। সেই সময়ছোৱাতে জাতীয় বিদ্যালয়ৰ আৰ্হিত বিদ্যালয় প্ৰতিষ্ঠাৰ মূল কাৰণটোৱে হ'ল প্ৰাথমিক শিক্ষা ব্যৱস্থাত চৰকাৰী অনীহাৰ বিপৰীতে শিক্ষকসকলৰ একাংশই জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু বিদ্যা নিকেতন বা অন্য ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত নিজৰ সন্তানৰ নামভৰ্তিৰ প্ৰৱণতা। আকৌ সাহিত্য সভাৰ লেখিয়া জাতীয়তাবাদী শিবিৰৰ বিষয়ববীয়া, চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে নিজ সন্তানক ইংৰাজী মাধ্যমত পঢ়ুওৱা প্ৰতিযোগিতামূলক বিষয়টোও অন্যতম কাৰণ। সম্ভৱস্থলত সকলো পিতৃ-মাতৃয়ে নিজ সন্তানক এখন ভাল বিদ্যালয়ত পঢ়ুৱাবলৈ যত্ন কৰে। ঘৰৰ কাষৰ চৰকাৰী বিদ্যালয়ৰ আগেদি নিজ সন্তানক 'ভাল' বিদ্যালয়লৈ অনা-নিয়া কৰে। যিসকলে নোৱাৰে তেওঁলোকৰ বাবেহে চৰকাৰী বিদ্যালয়। চৰকাৰী বিদ্যালয় নহয়, সহজ কথাত সেইবোৰ বিদ্যালয়ক 'দুখীয়াৰ বিদ্যালয়' বোলা যুগুত।

## চৰকাৰী শিক্ষাখণ্ড ধ্বংসৰ ষড়যন্ত্ৰ

■ **হুছাইন আহমেদ মাদানী**



আমাৰ ৰাজ্যখনত আধাতে বিদ্যালয় এৰিবলৈ লোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিয়ে প্ৰমাণ কৰে যে চৰকাৰী বিদ্যালয়বোৰ কেৱল নামতে বিদ্যা মন্দিৰহে, চৰকাৰী বিদ্যালয়ত শিক্ষা বিভাগে দুপৰীয়াৰ আহাৰৰ লগতে ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিবলৈ বিভিন্ন পন্থা অৱলম্বন কৰিও বিফল হোৱাৰ অন্যতম কাৰণ হৈছে চৰকাৰী শিক্ষা খণ্ডৰ ভৱিষ্যৎ ধ্বংসমুখী কৰিবলৈ ষড়যন্ত্ৰ কৰাটো পৰিলক্ষিত হয়। প্ৰাথমিক শিক্ষা শিশুৰ মৌলিক অধিকাৰ হোৱাৰ পাছতো চৰকাৰী বিদ্যালয় বন্ধ কৰিবলৈ লৈছে। চৰকাৰে এইটো কৰিবলৈ এই কাৰণেই চৰকাৰে বদ্ধপৰিকৰ যে ভৱিষ্যৎ প্ৰজন্মই শিক্ষিত হোৱা মানেই নিজৰ অধিকাৰৰ লগতে ৰাজ্যৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰশ্ন সততে কৰিব, যাৰ বাবেই চৰকাৰী বিদ্যালয় বন্ধ কৰি শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব বিচাৰিছে। চৰকাৰীভাৱে বিদ্যালয় স্থাপন সুদূৰপৰাহত। এটা এটা অঞ্চলৰ সচেতন, দায়িত্বশীল নাগৰিকে গঢ়ি তোলা বিদ্যালয়ৰ একাংশ পৰ্যায়ক্ৰমে প্ৰাদেশিকীকৰণ বা চৰকাৰীকৰণ কৰি আজি তাৰেই শতাধিক বিদ্যালয় একত্ৰীকৰণ কৰাৰ নামত সেই অঞ্চলৰ বিদ্যালয়ৰ অতীৱ প্ৰয়োজনীয়তা থকাৰ বাবেই ৰাইজৰ গাঁঠিৰ ধন খৰচ কৰি গঢ়ি তোলা বিদ্যালয়বোৰ এইখন চৰকাৰে বন্ধ কৰি যুগ যুগ ধৰি ভৱিষ্যৎ প্ৰজন্মৰ শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিবলৈ লৈছে। দুবেলা দুমুঠি খাদ্য যোগাৰ যেতিয়া কঠিন ৰাজ্যখনত তেনে সময়তে শিক্ষা প্ৰতিষ্ঠানৰ ব্যপক ব্যক্তিগতকৰণ প্ৰতিটো শিশুকেই শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈ থকা নাইনে?

## বন্ধ কৰিলেই সমস্যাৰ সমাধান নহয়

■ **হৰিণাক্ষী হাজৰিকা,** ছাত্ৰী, তেজপুৰ বিশ্ববিদ্যালয়



অসম চৰকাৰে চৰকাৰী মাধ্যমৰ প্ৰায় ২৫০০ বিদ্যালয় বন্ধ কৰাৰ যি সিদ্ধান্ত হাতত লৈছে সেই লৈ সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাৰ লগতে শেহতীয়াকৈ হৈ যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহুতো বিদ্যালয়ৰ উত্তীৰ্ণৰ পৰিমাণ শূন্য হোৱাৰ হেতুকে চৰকাৰে এই সিদ্ধান্ত লোৱা হৈছে বুলি মন্তব্য কৰে যদিও ৰাজ্যত কোনো সমস্যাই দেখা দিলে সেই সমস্যাক সমাধানৰ হে চেষ্টা কৰিব লাগে। চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহ অচল হৈ পৰাৰ কাৰণ মূলতঃ আজিকালি অভিভাৱকসকলে এই বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীক নাম লগাই দিয়াৰ সলনি নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত বিশেষকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত নামভৰ্তি কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ মতে ইংৰাজী মাধ্যমতহে তেওঁলোকৰ সন্তানৰ উন্নয়ন সাধন কৰিব। বিদ্যালয়খন বন্ধ কৰি দিয়াৰ সলনি আন্তঃগাঁথনি উন্নয়নৰ ওপৰত গুৰুত্ব দিলে সকলোৰে উপকৃত হ'ব। আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষকৰ নিযুক্তিৰ ওপৰত গুৰুত্ব দিয়া উচিত। মূলতঃ লক্ষ্য কৰিলে দেখা যায় যে এই দুটা সমস্যাৰ বাবেই চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে কমি অহাৰ লগতে ভবা মতে ফলাফল দেখাব পৰা নাই। এই বিদ্যালয়সমূহ আদৰ্শ বিদ্যালয়ৰ যি আৰ্হি আছিলে সেই হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিব লাগে আৰু দক্ষতা সম্পন্ন শিক্ষকক নিযুক্তিৰ ব্যৱস্থা কৰা উচিত, বহু বিদ্যালয়ত এতিয়াও শিক্ষকৰ পদ খালী হৈ থকাৰ পাছতো শিক্ষকক নিযুক্তি দিয়া হোৱা নাই। সেই বিদ্যালয়সমূহৰ খালী পদসমূহত শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।

## মাতৃভাষাৰ বিদ্যালয় বন্ধ কৰাটো আত্মঘাতী কাৰ্য

■ **ড° চহিৰ ভূঞা,** প্ৰাক্তন সভাপতি, দৰং জিলা সাহিত্য সভা



এখন এখনকৈ মাতৃভাষাৰ বিদ্যালয় বন্ধ হৈ পৰাটো জাতিৰ বাবে অতিশয় দুৰ্ভাগ্যজনক। তাতোকৈ দুৰ্ভাগ্যজনক ঘটনা হৈছে আমাৰ জনপ্ৰিয় চৰকাৰসমূহে এই বিদ্যালয়সমূহৰ উত্তৰণৰ দিহা কৰাৰ পৰিৱৰ্তে 'বন্ধ যজ্ঞৰ' প্ৰতিহে মনোযোগ দিয়া যেন লাগে। ৰাইজৰ অশেষ কষ্ট, শ্ৰম আৰু ত্যাগৰ ফলত গঢ়ি উঠা এই জাতীয় সম্পদ স্বৰূপ মাতৃভাষাৰ বিদ্যালয়সমূহেই যেন আমাৰ একপ্ৰকাৰ জাতি গঠন প্ৰক্ৰিয়াত ভাগ লৈছিল। এই বিদ্যালয়সমূহে পাহাৰ-ভৈয়াম, জনজাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ-গোষ্ঠী নিৰ্বিশেষে সকলোকে মাতৃভাষা-সংযোগী ভাষা অসমীয়াই ওচৰ চপাই আনিছিল। ত্বৰান্বিত হৈছিল বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া। কিন্তু অসমীয়া জাতিৰে দুৰ্ভাগ্য যে এটাৰ পাছত এটা নেতিবাচক ক্ৰিয়া-কাণ্ড আৰু ঘটনা প্ৰবাহে জাতি বিধ্বংসী যজ্ঞহে যেন পাতিলে। এটা সময় আহিল জনজাতি-জনগোষ্ঠী একাংশই নিজকে অসমীয়া নহয় বুলি ক'বলৈ আৰম্ভ কৰিলে। স্বজাতি, মাতৃভাষা-ৰাজ্যভাষাৰ প্ৰতি টান আৰু দায়বদ্ধতা সকলোৰে যেন কমি আহিল। অসমীয়া মানুহৰ এনে আত্মঘাতী প্ৰৱণতা আৰু চৰকাৰৰ উদাসীনতাৰ ফলত জাতীয়তাবাদ, মাতৃভাষা, ৰাজ্যভাষা, আপোন কৃষ্টি-সংস্কৃতি আদি শব্দবোৰ অন্তৰৰ পৰা ওলাই গৈ বাতৰি কাতত, টিভি চেনেল আৰু ৰাজপথৰ শ্ল'গানত পৰিণত হ'ল। মাতৃভাষাৰ বিদ্যালয়বোৰ অসমীয়াৰ বাবে এলাগী হ'ল। যিবোৰ জ্ঞান মন্দিৰ স্বৰূপ বিদ্যালয়ত অসম সাহিত্য সভাৰ সভাপতিসকলে, কবি-সাহিত্যিক, জাতিৰ কাণ্ডাৰীসকলে পঢ়িছিল। প্ৰখ্যাত নেতা, স্বাধীনতা যুঁজাৰু, মন্ত্ৰী-বিধায়ক, ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, শিক্ষক, বিচাৰপতি, অধিবক্তা, ব্যৱসায়ীসকলে পঢ়িছিল, য'ত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ হেতা-ওপৰা লাগিছিল, বিদ্যালয় কৰ্তৃপক্ষই বাছনি পৰীক্ষা পাতি তত্ পোৱা নাছিল সেই বিদ্যালয়বোৰকে ছাত্ৰ-ছাত্ৰীৰ অভাৱত এতিয়া জাতীয় চৰকাৰে সদম্ভে বন্ধ কৰি দিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হ'ল। এই বিদ্যালয়সমূহৰ দুৰৱস্থা এনে হ'ল গৈ যে আনতো বাদেই সেই বিদ্যালয়ৰ শিক্ষকসকলেই তাত নিজৰ সন্তানক পঢ়ুওৱা বাদ দি ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যম বা জাতীয় বিদ্যালয়ত পঢ়ুৱাবলৈ ধৰিলে। সন্তানক তেনে বিদ্যালয়লৈ অনা নিয়া কৰোঁতেই অধিক সময় খৰচ কৰা একাংশ তেনে শিক্ষকে প্ৰয়োজনত নিজৰ পাঠদানতে অনিয়মীয়া হ'বলৈ ধৰিলে।

চৰকাৰে কৰিব নোৱাৰা কাম একো নাই। মাথোঁ লাগে সদিচ্ছা আৰু আগ্ৰহ। বন্ধ কৰি দিয়াটোত বীৰত্ব বা কৃতিত্ব নাই। জাতীয় জীৱনৰ সম্পদ স্বৰূপ মাতৃভাষাৰ বিদ্যালয়সমূহ বন্ধ কৰি দিয়াটো আত্মঘাতী কাৰ্য বুলি বিবেচনা কৰো। সেয়ে এই বিদ্যা মন্দিৰসমূহ বন্ধ নকৰি উত্তৰণৰ ব্যৱস্থা কৰাটো খিলঞ্জীয়াৰ নামত, জাতি-মাটি-ভেটি ৰক্ষাৰ নামত প্ৰতিষ্ঠিত চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য বুলি ভাবো।

## চৰকাৰৰ সিদ্ধান্তই অসন্তুষ্টিৰ বাতাবৰণ সৃষ্টি কৰিছে

■ **ভাৰত ভূষণ মহন্ত**



অসমত চৰকাৰী বিদ্যালয়সমূহ হঠাৎ বন্ধ কৰি দিব বিচৰাৰ লগে লগে অসমৰ গাঁৱে-ভূঞে অসন্তুষ্টিৰ ভাব ফুটি উঠিছে। বিদ্যালয়সমূহ বন্ধ কৰি দিয়া, চামিল কৰা বা একত্ৰিত কৰা, যি বুলিয়েই নকওক এই প্ৰক্ৰিয়াই জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। আমি শুনি আছিলো চৰকাৰে এক কিলোমিটাৰৰ দূৰে দূৰে প্ৰাথমিক বিদ্যালয়, পাঁচ কিঃমিঃ দূৰে দূৰে হাইস্কুল স্থাপন কৰিব। বিদ্যালয় একত্ৰিকৰণ বা বন্ধ কৰি দিয়াৰ ফলত বিদ্যালয়সমূহৰ দূৰত্ব বাঢ়ি গৈ আঠ, ন কিলোমিটাৰ হ'বগৈ। একেটা চৌহদতে থকা বিদ্যালয়সমূহ একত্ৰিকৰণ কৰাটো দেখাত ভাল যেন লাগিলে ইয়াৰ বেয়া দিশো আছে উদাহৰণ স্বৰূপে আমি দেখিছো একেটা চৌহদতে থকা প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় বা উচ্চতৰ মাধ্যমিক বিদ্যালয় এই চাৰি তৰপীয়া বিদ্যালয়সমূহ লগ কৰি দিয়াৰ ফলত ব্যৱহাৰিক দিশত বহুত অসুবিধা থাকে। প্ৰথম কথা এনে বিদ্যালয়ত তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে আশানুৰূপ সুবিধা নাপায়। মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰ, ঐক্য পোছাকৰ ক্ষেত্ৰত অসুবিধা হয়। প্ৰশাসনৰ ক্ষেত্ৰতো বহুত অসুবিধা থাকে।

গাঁও অঞ্চলত একোগৰাকী ধনী বা মহাজন শ্ৰেণীৰ ব্যক্তিয়ে নিজৰ গাঠিৰ ধন ভাঙি আজিৰ পৰা ৫০, ৬০ বছৰ আগতে নিজৰ পিতৃ-মাতৃ বা আন কোনোবা স্বনামধন্য ব্যক্তিৰ নামত বিদ্যালয় স্থাপন কৰিছিল। একত্ৰিকৰণ বা বন্ধকৰণৰ ফলত সেইসকল পৰিয়ালৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হয়। বৰ্তমান অসমৰ খিলঞ্জীয়া অঞ্চলসমূহতহে ছাত্ৰ-ছাত্ৰী কমি গৈছে। তাৰ কাৰণ হ'ল জনসংখ্যা বৃদ্ধিৰ হাৰ কম।

যোৱা কেইটামান বছৰত বিদ্যালয়সমূহত একেলগে বহুত শিক্ষকৰ অৱসৰ হৈছে। নতুনকৈ শিক্ষক বহুত পলমকৈ দিছে। হিন্দী, সংস্কৃত আৰু আৰবীৰ খালি পদসমূহৰ বিষয়বোৰ অন্য শিক্ষকে জোৰা তাপলি মাৰিব নোৱাৰিছিল। মধ্য ইংৰাজী বিদ্যালয়ত আজি বহু বছৰ জুৰি হিন্দী শিক্ষকৰ নিযুক্তি দিয়া হোৱা নাই।

প্ৰাথমিক বিদ্যালয়ত শ্ৰেণী বঢ়োৱা হৈছে, কিন্তু শিক্ষক পদ বঢ়োৱা নাই। বিদ্যালয়সমূহক কেন্দ্ৰ কৰি একোটা অঞ্চলৰ সৃষ্টি হৈছিল। বিদ্যালয় বন্ধ কৰি দিলে তেনেবিলাক অঞ্চলৰ ঐতিহ্য নোহোৱা হৈ যাব। স্ত্ৰী শিক্ষাৰ উন্নতিৰ কাৰণে সুকীয়াকৈ স্থাপন কৰা বিদ্যালয়সমূহ বন্ধ কৰি দিয়া উচিত নহয়।

মুঠৰ ওপৰত চৰকাৰে বিদ্যালয়সমূহ বন্ধ কৰি দিয়া বা একত্ৰিকৰণ কৰা প্ৰক্ৰিয়াটোৱে অসমৰ খাটি খোৱা খিলঞ্জীয়া মানুহখিনিক আঘাত হানিব।

## হঠকাৰী সিদ্ধান্তই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে

■ **দুলাল নাথ,** সাহিত্যকৰ্মী



মাতৃভাষ মাধ্যমৰ বিৰ্তকৰ মাজতে চৰকাৰে বিভিন্ন অজুহাতত ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠান বন্ধৰ হঠকাৰী সিদ্ধান্তই বৌদ্ধিক সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। স্বাধীনতাৰ পাছৰে পৰা ৰাইজে গাঁঠিৰ ধন, কপালৰ ঘাম মাটিত পেলাই নিজৰ নিজৰ খেতিৰ ধান-বাঁহ-বেত দান দি অতি কষ্টৰে বিদ্যালয়সমূহ গঢ় দিছিল, প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত অসমত শিক্ষানুৰাগী ৰাইজে নিজে বিদ্যালয় স্থাপন কৰাৰ এক প্ৰৱণতা আৰু পৰম্পৰা আছিল। ৰাইজৰ সপোন আছিল ল'ৰা-ছোৱালী এই বিদ্যালয়ত পঢ়ি এদিন মানুহ হ'ব। আজিৰ পৰা ১০-১৫ বছৰ পূৰ্বলৈকে প্ৰায় ৯৫ শতাংশ লোকেই অসমীয়া মাধ্যমত পঢ়ি নিজে প্ৰতিষ্ঠা হোৱাৰ লগতে আজিও দেশ বিদেশতো সমাদৃত হৈছে। উল্লখ্য যে বিগত কে'বা বছৰ ধৰি চৰকাৰে শিক্ষাৰ মান উন্নত কৰিবলৈ গুণোৎসৱ পাতি জাকজমকতাৰ সৃষ্টি কৰিছিল। স্থানীয় ৰাইজ, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকেও এই গুণোৎসৱৰ কাৰ্যসূচীত হাত উজান দিছিল। বাহ্যিক মূল্যায়ন, আভ্যন্তৰীণ মূল্যায়ন ৰাইজৰ স'তে আলাপ-আলোচনা, নানান আৰ্থিক সমস্যাকো আওকাণ কৰি সকলোৱে আপোন বিদ্যালয়খনৰ এক নতুনত্ব অনাৰ প্ৰয়াস কৰিছিল। নানান সুবিধা-অসুবিধাৰ মাজতে বিভিন্ন কাৰ্যসূচীত সকলোৱে সহযোগিতা মনকৰিবলগীয়া। শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজে মুক্তমনে হাত উজান দি বৰঙণি দিছিল। ইয়াৰ পাছত চৰকাৰীভাৱে নিযুক্ত বিষয়া-কৰ্মচাৰী গুণোৎসৱৰ পাছতেই ঘৰাঘৰি গ'ল কিন্তু পাছলৈ বিদ্যালয়সমূহলৈ কৰিবলগীয়া চৰকাৰে একো দায়িত্ব পালন নকৰিলে। বিদ্যালয় পূৰ্বৰ দৰে চলি থাকিল। বহু বিদ্যালয়ত গুণোৎসৱৰ সময়ত বেলেগ বেলেগ বিদ্যালয়ৰ পৰা শিক্ষক হায়াৰ কৰি মুঠতে কামফেৰা সম্পন্ন কৰিলে। ইয়াৰ দ্বাৰা বুজা যায় ৰাইজ আৰু শিক্ষকে নিজৰ দায়িত্ব অতি নিষ্ঠাৰে কৰিলে কিন্তু চৰকাৰৰ শিক্ষা বিভাগে গতানুগতিক কামখিনিৰ বাবে আন বিদ্যালয়ৰ বাবে একোৱেই নকৰিলে। সম্প্ৰতি চৰকাৰৰ বিদ্যালয় একত্ৰীকৰণ ব্যৱস্থাই বহু ঐতিহাসিক বিদ্যালয় চিৰদিনলৈ বন্ধ হ'ব। ইয়াৰ উপৰি শেহতীয়াকৈ ফলাফলৰ উজুহাতত ৰাজ্যৰ ৩৪ খন মাধ্যমিক স্তৰৰ বিদ্যালয় বন্ধৰ কৰাৰ সিদ্ধান্তই প্ৰতিগৰাকী শিক্ষাপ্ৰেমীক দুখ দিব। যিদৰে শৰীৰৰ কোনো অংগ ৰোগাক্ৰান্ত হ'লে শৰীৰৰ পৰা বিচ্ছিন্ন নকৰি আধুনিক চিকিৎসা পদ্ধতিৰে সুস্থ কৰা হয় ঠিক সেইদৰে এই বিদ্যালয়সমূহৰ আঁসোৱাহবোৰ দূৰ কৰাৰ পৰিৱৰ্তে ইচ্ছাকৃতভাৱে বন্ধ কৰি দিয়াটো উচিত হোৱা নাই। নিজৰ ব্যৰ্থতা ঢাকিবলৈ বহু লোকে আনৰ গাত দোষ জাপি বা অদূৰদৰ্শিতাৰে কাম কৰা দেখা যায় ঠিক একেদৰে চৰকাৰখন যেতিয়া সকলো শক্তিৰে মহীয়ান যেতিয়া যি ইচ্ছা তাকেই কৰিব পাৰে।

## চৰকাৰী মাধ্যমৰ বিদ্যালয় বন্ধ সম্ভৱনে?

■ **অপৰ্ণা ঘোষ**



যদি চৰকাৰী মাধ্যমৰ বিদ্যালয় সঁচাকৈয়ে বন্ধ হয় তেন্তে কি হ'ব দেশৰ শিক্ষা ব্যৱস্থাৰ? কি দিশত ঢাল খাব দেশৰ শৈক্ষিক পৰিৱেশ? এয়া সঁচাকৈয়ে আচৰিত হ'বলগীয়া বিষয়। যদি চৰকাৰ এই নিৰ্ণয় লৈছে তেন্তে কিয় লৈছে? যদি চৰকাৰী বিদ্যালয়তকৈ ব্যক্তিগত বিদ্যালয় অতিকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে, তেন্তে চৰকাৰ তথা শিক্ষা বিভাগে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাত বিফল হৈ পৰিছে নেকি? এতিয়া প্ৰশ্ন হ'ল চৰকাৰী বিদ্যালয় বন্ধ হ'লে দেশৰ শিক্ষা ব্যৱস্থাত কেনেধৰণৰ প্ৰভাৱ পৰিব? যদি চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ ফলত চৰকাৰে এনেধৰণৰ সিদ্ধান্ত লৈছে তেন্তে সেয়া কাৰ ভুল? শিক্ষা বিভাগ নে অভিভাৱকৰ? চৰকাৰী বিদ্যালয় সম্বন্ধে যদি একাংশক প্ৰশ্ন কৰা হয় তেন্তে সকলোয়ে এটাই উত্তৰ দিয়ে সেয়া হৈছে শিক্ষণ প্ৰণালী আৰু সা-সুবিধাৰ অভাৱ। সেয়ে একাংশ সামৰ্থবান ব্যক্তিয়ে নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত বিদ্যালয়ত দিয়া পছন্দ কৰে। এতিয়া প্ৰশ্ন হ'ল চৰকাৰী বিদ্যালয়ৰ সা-সুবিধা আৰু শিক্ষণ প্ৰণালী ব্যক্তিগত বিদ্যালয়ৰ দৰে কৰিব নোৱাৰি নেকি? শিক্ষক-শিক্ষয়িত্ৰীসকলক আধুনিক আৰু নতুন ধৰণৰ প্ৰশিক্ষণ দিব নোৱাৰিনে? চৰকাৰী বিদ্যালয়সমূহৰ আধুনিকীকৰণ কৰাটো সম্ভৱ নহ'ব নেকি? যদি চৰকাৰী বিদ্যালয় ব্যক্তিগত বিদ্যালয়লৈ পৰিণত হয় তেন্তে সেই শিক্ষা কম খৰচতে সম্ভৱপৰ হ'বনে? নে শিক্ষা কেৱল সামৰ্থবান ছাত্ৰ-ছাত্ৰীৰ বাবেহে? তেতিয়াহ'লে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ কি হ'ব? এয়া এতিয়া চিন্তা আৰু পৰিতাপৰ বিষয়।

## ঐতিহাসিক বিদ্যালয় বন্ধ হৈ যোৱাটো জাতিটোৰ কাৰণে ক্ষতিকাৰক

■ **কৃষ্ণমনি কলিতা,** সমাজ সচেতক মহিলা, জামুগুৰিহাট



চৰকাৰী মাধ্যমৰ একাংশ বিদ্যালয় চৰকাৰে বন্ধ কৰাৰ সিদ্ধান্ত অতি দুখজনক। অৱশ্যে যেতিয়া এখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী কমি যাব বা নাইকিয়া হ'ব সেইখন বিদ্যালয় চৰকাৰে বন্ধ কৰিবলৈ বাধ্য। বিদ্যালয় বন্ধ কৰি গ'লেই সমস্যা সমাধান নহয়। কি কাৰণত চৰকাৰী বিদ্যালয়সমূহৰ এই অৱস্থা হ'বলৈ পালে তাক চৰকাৰে অনুধাৱন কৰি বাস্তৱসন্মত সিদ্ধান্ত গ্ৰহণ কৰক। মোৰ বোধৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ চৰকাৰে বন্ধ কৰক আৰু চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰক। প্ৰতিজন চৰকাৰী কৰ্মচাৰীৰ সন্তানক চৰকাৰী বিদ্যালয়লৈ আনক। চৰকাৰী বিদ্যালয়ৰ পৰা উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীক চৰকাৰী সকলো সুবিধা প্ৰদান কৰক। অৱশ্যে বহু সংখ্যক অভিভাৱকে সন্তানক ইংৰাজীত শিক্ষা দিয়াৰ এক প্ৰৱণতা আছে। সেয়ে চৰকাৰে একোখন বিদ্যালয়ত দুয়োটা মাধ্যমেই উপলব্ধ কৰিব লাগে। সৰ্বভাৰতীয় শৈক্ষিক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত বহিব পৰাকৈ তলৰ শ্ৰেণীৰ পৰাই ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগে। কাউনচেলিঙৰ ব্যৱস্থা কৰিব লাগে। স্মাৰ্ট শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। এইবোৰেই বাস্তৱ কথা। সময় থাকোতেই চৰকাৰে এনেধৰণৰ বিষয়সমূহ ক্ষিপ্ৰতাৰে সমাধান কৰিলে নিশ্চয় বন্ধ হৈ পৰা চৰকাৰী বিদ্যালয়সমূহ আকৌ পুনৰজীৱিত হৈ উঠিব। সম্প্ৰতি বহু স্মৃতি বিজড়িত তথা অসমীয়া জাতিটোক চহকী কৰি থৈ যোৱা বহু ঐতিহাসিক বিদ্যালয় বন্ধ হৈ যোৱাটো অসমীয়া সমাজখনৰ কাৰণে এক বৃহৎ ক্ষতি। সেইসমূহ জীয়াই ৰখাৰ অসমীয়া সমাজখনৰ লগতে চৰকাৰৰ দায়িত্ব আছে। সেই দিশটোও আমি সূক্ষ্মভাৱে চোৱা উচিত।

# অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী বুলুবালা বৰাৰ পৰলোকপ্ৰাপ্তি



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিকটৱৰ্তী চকলাঘাট খৌৰামোচৰ গাঁৱৰ নিবাসী চকলাঘাট জে বি স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বুলুবালা বৰা (৭৬)ৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিন ধৰি মধুমেহ আৰু হৃদৰোগত আক্ৰান্ত হৈ আছিল কৃতী শিক্ষয়িত্ৰীগৰাকী। শিক্ষকতা জীৱনৰ আৰম্ভণিতে সোণাপুৰ, জাজৰি আদি অঞ্চলত শিক্ষকতা কৰা বৰাই পাছত বদলি হৈ আহি চকলাঘাট জে বি স্কুলত যোগদান কৰি সুদীৰ্ঘকাল উক্ত বিদ্যালয়তে শিক্ষাৰ পোহৰ বিলায় আৰু ২০০৪ত সেইখন বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰীৰূপে অৱসৰ গ্ৰহণ কৰে। 'বুলু বাইদেউ' নামেৰে পৰিচিত কৃতী শিক্ষয়িত্ৰীগৰাকীয়ে তেওঁৰ কৰ্তব্য নিষ্ঠা আৰু অমায়িক ব্যৱহাৰৰ বাবে সকলোৰে পৰা সমাদৰ বুটলিবলৈ সক্ষম হৈছিল। বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী বকুল বৰাৰ সহধৰ্মিণী বৰা এগৰাকী গভীৰ অধ্যয়নশীল আৰু পৰোপকাৰী মহিলা আছিল। আজি পুৱা তেওঁৰ নশ্বৰদেহ চকলাঘাট খৌৰামোচৰ গাঁৱৰ বাসগৃহলৈ অনাৰ পাছত চকলাঘাট শাখা সাহিত্য সভা, হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি, চকলাঘাট জে বি স্কুল, চকলাঘাট ক্ৰীড়া সন্থা আদি অনুষ্ঠানৰ পৰা তেওঁলৈ শ্ৰদ্ধা জনোৱা হয়। তেওঁৰ মৃত্যুত বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৰামনি বৰা, নগাঁও জিলা ঔষধ ব্যৱসায়ী সন্থা, শ্বাইন'ছ পেয়াৰ্ছ, সান্নিধ্যৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ স্বামীসহ দুই পুত্ৰ, বোৱাৰী, নাতি-নাতিনীকে ধৰি পৰিয়ালবৰ্গক ইহসংসাৰত এৰি গৈছে।

# গোৱালপাৰাত ৬১ সংখ্যক শিক্ষক দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলা শিক্ষক দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত অহা পাঁচ ছেপ্টেম্বৰত গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬১ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন কৰা হ'ব। জিলা ভিত্তিত অনুষ্ঠিত হ'বলগীয়া শিক্ষক দিৱসৰ কাৰ্যসূচী অনুসৰি শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত কল্যাণী কংকনা দাসে পুৱা শিক্ষক দিৱসৰ পতাকা উত্তোলন কৰাৰ পাছত বন্তি প্ৰজ্বলন আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি তথা জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে। ইপিনে, অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু কৃতী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত পৌৰোহিত্য কৰিব জিলা উপায়ুক্তই। উদ্‌যাপন সমিতিৰ সদস্য সচিব তথা গোৱালপাৰা জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া ছাদুল্লা খানে উদ্দেশ্য ব্যাখ্যা কৰিবলগীয়া সভাত মুখ্য অতিথিৰূপে ধুবুৰী বি এন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অহিজুদ্দিন শ্বেখ, নিৰ্দিষ্ট বক্তাৰূপে ধুপধাৰা বিকালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° মলিনা দেৱী ৰাভা, সন্মানীয় অতিথিৰূপে জিলাখনৰ চাৰিওগৰাকী বিধায়ক ক্ৰমে আফতাব উদ্দিন মোল্লা, আব্দুৰ ৰছিদ মণ্ডল, এ কে ৰছিদ আলম আৰু যাদৱ স্বৰ্গীয়াৰীৰ লগতে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থাকিব।

# কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত অংগনৱাড়ী কৰ্মীৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**কাকজান, ৩ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশজুৰি উদ্‌যাপন কৰা পোষণ মাহৰ লগত সংগতি ৰাখি কৃষি বিজ্ঞান কেন্দ্ৰ যোৰহাটৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগ, যোৰহাটৰ সহযোগত আজি অংগনৱাড়ী কৰ্মীসকলক লৈ এক পৰিপুষ্টিৰ সজাগতা সভা সম্পন্ন কৰা হয়। সভাত প্ৰায় অৰ্ধশতাধিক অংগনৱাড়ী কৰ্মীয়ে অংশগ্ৰহণ কৰে। সভাত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে যোৰহাট জিলা সমাজ কল্যাণ বিষয়া ৰাজকুমাৰ কেডিয়া। কৃষি বিজ্ঞান কেন্দ্ৰ যোৰহাটৰ সামূহিক বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞা ড° সুস্মিতা খাটনিয়াৰে আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই কৃষি বিজ্ঞান কেন্দ্ৰ যোৰহাটৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ড° সঞ্জয় বৰঠাকুৰে। প্ৰশিক্ষণত ড° সুস্মিতা খাটনিয়াৰে গৰ্ভৱতী আৰু প্ৰসূতি মাতৃসকলৰ পৰিপুষ্টিৰ প্ৰয়োজনীয়তা আৰু পৰিপুষ্টি বাগিচাৰ আৰ্হি প্ৰস্তুতকৰণ, শাক-পাচলি নিৰ্বাচন, যতনৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। সুষম আহাৰ, খাদ্য গোট আৰু শৰীৰ প্ৰয়োজনীয় পুষ্টিকৰ দ্ৰব্যসমূহৰ কথা তেওঁ বিস্তৃতভাৱে বৰ্ণনা কৰে। প্ৰশিক্ষণ কাৰ্যসূচীৰ অন্তত প্ৰশিক্ষাৰ্থীসকলৰ মাজত পৰিপুষ্টি সম্পৰ্কীয় কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰশিক্ষণত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ড° সঞ্জয় বৰঠাকুৰ, শস্য বিজ্ঞান বিশেষজ্ঞ সমীৰণ ভট্টাচাৰ্য, উদ্যান শস্য বিশেষজ্ঞ শৰ্মিষ্ঠা বৰগোহাঁই, কাৰ্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়া উপস্থিত থাকে।

# দেৰগাঁৱত প্ৰিয়ান প্ৰীতমৰ 'তুমি তুমি ভাৱনা' উন্মোচন

**দেৰগাঁও ঃ** দেৰগাঁৱৰ উদীয়মান কণ্ঠ শিল্পী প্ৰিয়ান প্ৰীতমৰ 'তুমি তুমি ভাৱনা' শীৰ্ষক এটি গীত দুই ছেপ্টেম্বৰত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। সম্ভাৱনা সম্পন্ন যুৱ সংগীত শিল্পী তথা নাট্যকৰ্মীজনৰ নিজা কথা-সুৰেৰে সজোৱা ৰোমান্টিক গীতটো উন্মোচনৰ উদ্দেশ্যে দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতি পথাৰৰ শাৰদীয় বাণিজ্য মেলাৰ বাকৰিত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আনুষ্ঠানিকভাৱে গীতটো মুকলি কৰে বিশিষ্ট সংগীত শিল্পী অজিত বৰাই। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামীয়ে বিশিষ্ট অতিথিৰূপে ভাগ লৈ যুৱ শিল্পী প্ৰিয়ান প্ৰীতমৰ প্ৰচেষ্টাৰ শলাগ লৈ তেওঁৰ সফলতা কামনা কৰি আগন্তুক দিনত শিল্পীজনক আগবাঢ়ি যোৱাত সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। বিশিষ্ট নাট্য শিল্পী ৰূপজ্যোতি মহন্ত আৰু যুৱ সংগঠক পাৰ্থপ্ৰতিম শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানত সমাজকৰ্মী বিচিত্ৰ ভূষণ কলিতা, সাংবাদিক ইন্দুভূষণ মহন্ত, কুমুদ বৰা, সাংস্কৃতিক কৰ্মী তথা সংগীত ব্যৱস্থাপক প্ৰশান্ত শইকীয়া, যুৱনেতা মিলন খাটনীয়াৰ, ভাস্কৰজ্যোতি দত্ত কোঁৱৰ প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে ভাগ লৈ উদীয়মান শিল্পীজনৰ প্ৰয়াসৰ শলাগ লয়। শিল্পীজনৰ ওপজা দিনৰ দিনাই উন্মোচনৰ দিহা কৰি 'তুমি তুমি ভাৱনা' শীৰ্ষক গীতটো সংগীতপ্ৰেমী ৰাইজে আদৰি ল'ব বুলি আশা কৰিছে শিল্পী তথা তেওঁৰ সহযোগীসকলে।

## বছৰ বছৰ ধৰি যমৰ যাতনা ভুগিছে জনসাধাৰণে

# নুমলীগড় তিনিআলিত পানী নিষ্কাসনৰ উপযুক্ত ব্যৱস্থাৰ অভাৱ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ৩ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৯ আৰু ৩৭ নম্বৰ ঘাইপথৰ সংযোগস্থল নুমলীগড় তিনিআলিত একমাত্ৰ পানী নিস্কাষণৰ সুচল ব্যৱস্থা নোহোৱাৰ বাবেই কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ লগতে ৰাষ্ট্ৰীয় পথত সৃষ্টি হৈছে পুখুৰী সদৃশ গাঁত। ইয়াৰ ফলশ্ৰুতিত নুমলীগড়বাসী তথা পথচাৰী জনসাধাৰণে বছৰৰ পাছত বছৰ ধৰি যমৰ যাতনা ভুগিব লগাত পৰিছে। কিন্তু, এই ক্ষেত্ৰত অসম চৰকাৰৰ কৃষিমন্ত্ৰী তথা বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰাকে আদি কৰি সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীয়েও কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে নুমলীগড় চাহ বাগিচাৰ নামনিত থকা আৱাসি অঞ্চললৈ সামান্য বৰষুণ দিলেই চাহ



বাগিচাৰে পানী বাগৰি আহে আৰু নিমিষতে কৃত্ৰিম বানপানীয়ে বুৰাই পেলায় সমগ্ৰ অঞ্চলটো। লগতে বছৰটোৰ বিভিন্ন সময়ত হোৱা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ পানীয়ে নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়, নুমলীগড় বালিকা মধ্য ইংৰাজী বিদ্যালয়কে আদি কৰি শৈক্ষিক আৰু সামাজিক অনুষ্ঠান তথা নুমলীগড়বাসী ৰাইজৰ বাসগৃহ চৌহদো বুৰাই পেলায়। ইয়াৰ ফলত নুমলীগড়বাসী জনসাধাৰণে ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰে। আনহাতে, বাৰিষাৰ কালত বৰষুণৰ পানীয়ে উপচাই পেলোৱা অঞ্চলটোৰ পানী নিস্কাষণৰ উপযুক্ত থল নোহোৱাৰ ফলত এই পানীখিনি ৩৭ নম্বৰ ঘাইপথেৰে একেৰাহে বৈয়ে থাকে। উল্লেখ্য যে নুমলীগড় তিনিআলিৰ পথৰ কাষত যিসমূহ পানী যোৱা নলা আছে; সেই সমূহতো জাবৰ-জোথৰ পেলাই পানী আবদ্ধ কৰি ৰখা দেখা পোৱা গৈছে। ইয়াৰ পৰিণতি স্বৰূপে ৰাষ্ট্ৰীয় ঘাইপথত বাগৰি যোৱা পানীয়ে পুখুৰী সদৃশ গাঁতৰ সৃষ্টি কৰে আৰু বাৰ মাহে পথত এই পুখুৰী সদৃশ গাতকে দেখিবলৈ পোৱা যায়। পথত বৃহদাকাৰ গাঁত থকাৰ বাবেই নুমলীগড়ত সদায়েই তীব্ৰ যান-জঁটৰ সৃষ্টি হয় বুলিও একাংশ লোকে ক্ষোভেৰে প্ৰকাশ কৰে। এই ক্ষেত্ৰত, বিভিন্ন সময়ত নুমলীগড়বাসী ৰাইজে কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে সংশ্লিষ্ট বিভাগতো আবেদন-নিবেদন কৰি আহিছে যদিও কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তদুপৰি, ভুক্তভোগী জনসাধাৰণে জনপ্ৰতিনিধি তথা সংশ্লিষ্ট বিভাগ চকু মুদা কুলিৰ ভাৰত থকা বুলিও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

# ভীমাজুলিৰ পৰা অবৈধ কাঠফলা কল উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই মধ্যবনাঞ্চলিক বিভাগৰ অন্তৰ্গত ভিমাজুলিৰ পৰা আজি বন সুৰক্ষা বিভাগে এটা অবৈধ কাঠফলা কল উচ্ছেদ কৰে। পুৱাৰ ভাগত গোৱালপাৰা আঞ্চলিক বন সুৰক্ষা বাহিনীয়ে অভিযান চলাই অবৈধ কাঠফলা কলটোৰ সম্পূৰ্ণ যন্ত্ৰাংশ জব্দ কৰি জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয় চৌহদলৈ আনে। উচ্ছেদিত কাঠফলা কলটোৰ যন্ত্ৰাংশৰ বজাৰমূল্য প্ৰায় ১.৭০



লাখ টকা হ'ব বুলি বিভাগীয় সূত্ৰে প্ৰকাশ। উল্লেখ্য যে বিভাগীয় কৰ্তৃপক্ষৰ ছত্ৰছায়াত অসাধু চক্ৰই জিলাখনৰ বিভিন্ন ঠাইত অবৈধ কাঠফলা কল স্থাপন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ বিপৰীতে আনফালে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে।

# ধূপগুৰি কল'নী বস্তি জে বি বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ধূপগুৰি ক'লনী বস্তি জে বি বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফাইজউদ্দিন আহমেদৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান বিদ্যালয়ৰ সভা কক্ষত যোৱা ৩১ আগষ্টত অনুষ্ঠিত হয়। ১৯৮৭ত কৰ্মজীৱনৰ পাতনি মেলা আহমেদে সুদীৰ্ঘকাল নিষ্ঠাৰে সেৱা আগবঢ়োৱা ধূপগুৰি কল'নী বস্তি জে বি বিদ্যালয়ৰ পৰা যোৱা ৩১ আগষ্টত অনুষ্ঠিত হয়। ১৯৮৭ত কৰ্মজীৱনৰ পাতনি মেলা আহমেদে সুদীৰ্ঘ কাল নিষ্ঠাৰে সেৱা আগবঢ়োৱা ধূপগুৰি কল'নী বস্তি জে বি বিদ্যালয়ৰ পৰা যোৱা ৩১ আগষ্টত অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে বিদ্যালয়ৰ শিক্ষক পৰিষদৰ পৰা তেওঁক বিদায় সম্বৰ্ধনা জনোৱা হয়। ধূপগুৰি কল'নী বস্তি জে বি বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আহমেদক বিদায় জনোৱাৰ বাবে অনুষ্ঠিত অনুষ্ঠানত সভাপতিত্বত কৰে বিদ্যালয়ৰ শিক্ষক পৰিষদৰ সভাপতি সংগীতা হাজৰিকাই। মুখ্য অতিথিৰূপে বটদ্ৰৱা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া বাহাৰুল ইছলামে ভাগ লোৱা সভাত বিদ্যালয় পৰিচালনা সমিতি, মাতৃ গোট, স্থানীয় ভালেসংখ্যক ব্যক্তি, অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। বিদ্যালয়ৰ শিক্ষক দীক্ষামণি বৰাই আঁত ধৰা সভাত সান্তা দেৱনাথ, পংকী বৰদলৈ, ভাৰতী দাস, পুলেন্দ্ৰ শইকীয়া, নুৰুন নেহাৰ বেগম, দিলোৱাৰা বেগমৰ লগতে ভাৰত ভুষণ বৰা, সমল কেন্দ্ৰ সময়ক, বটদ্ৰৱা ব্লকৰ এম আই এছ, গাণনিক আদি উপস্থিত থাকে। ইয়াৰ উপৰি বিদ্যালয়ৰ কে'বাগৰাকীয়ে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে সভাত উপস্থিত বহুকেইগৰাকী লোকে সুদীৰ্ঘ কাল ধৰি শিক্ষকতা কৰা প্ৰধান শিক্ষকজনৰ কৰ্মৰাজিৰ শলাগ লোৱাৰ লগতে সু-স্বাস্থ্য কামনা কৰে। চাৰি শতাধিক লোকৰে পৰিপূৰ্ণ সভাখনত বিদ্যালয়ৰ শিক্ষক পৰিষদৰ পৰা গামোচা, শৰাই, সম্বৰ্ধনা পত্ৰ, জাপি, বস্ত্ৰ ধৰ্মীয় গ্ৰন্থ, ছাতি আদিৰে সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়ৰ ৰন্ধন কৰ্মী, অভিভাৱক, পূৰ্বে বিদ্যালয়ত কৰ্মৰত শিক্ষয়িত্ৰীসকলেও সম্বৰ্ধনা জনায়।

# জগন্নাথ বৰুৱা মহাবিদ্যালয়ত 'বৌদ্ধিক সম্পদৰ অধিকাৰ' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩ ছেপ্টেম্বৰ ঃ** জগন্নাথ বৰুৱা মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আজি মহাবিদ্যালয়খনৰ এক নম্বৰ প্ৰেক্ষাগৃত 'বৌদ্ধিক সম্পদৰ অধিকাৰ' শীৰ্ষক এদিনীয়া আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালা উদ্বোধন কৰি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপলজ্যোতি মহন্তই আলোচিত বিষয়ৰ বিশেষ গুৰুত্ব সম্পৰ্কত অৱগত কৰে। তেওঁ লগতে উল্লেখ কৰে যে উচ্চ শিক্ষানুষ্ঠানসমূহত বিদ্যাৰ্থীসকলৰ বৌদ্ধিক কৌতূহল বৃদ্ধি কৰাৰ লগতে বৈজ্ঞানিক স্বভাৱ আৰু সৃষ্টিশীলতা গঢ়ি তোলাটো নতুন শিক্ষা নীতিৰ অন্যতম লক্ষ্য। সমন্বয়ক পৰাগ শৰ্মাই বিষয় সন্দৰ্ভত আলোকপাত কৰাৰ পাছতে অনলাইনযোগে ভাষণ আগবঢ়ায় ছৌদি আৰব, ওমানৰ বুৰাইমি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° শ্বাহ আহমেদ খানে। ভাষণ প্ৰসংগত তেওঁ কয় যে আৱিষ্কৃত সকলো পাৰ্থিৱ সম্পদৰ স'তে মানৱ সম্পদৰ বৌদ্ধিক অৱদানৰ বিশেষ গুৰুত্ব আছে। সাম্প্ৰতিক সময়ত স্ব-ধাৰণা, স্ব-উদ্ভাসিত পেটেণ্ট আদি বৌদ্ধিক সম্পদৰ স্বত্ব আইনসংগতভাৱে সুৰক্ষা দিয়াটো আটাইতকৈ প্ৰয়োজনীয় বিষয়। জাপানৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বৌদ্ধিক সম্পদৰ অধিকাৰৰ ভূমিকা সম্পৰ্কে আলোকপাত কৰি বক্তৃতা প্ৰদান কৰাৰ লগতে তেওঁ অংশগ্ৰহণকাৰীসকলৰ স'তে প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণ কৰে। কাৰিকৰী বৈঠকৰ প্ৰথমগৰাকী সমল ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰূপম শইকীয়াই কপীৰাইটৰ ধাৰণা সম্পৰ্কে আলোচনা আগবঢ়াই কয় যে কপীৰাইট একক নহয়, ই বহু বিধিৰ সমাহাৰিত ৰূপ। কপীৰাইট আইন কেৱল সাহিত্যৰ ক্ষেত্ৰতেই প্ৰযোজ্য নহয়, ই জ্ঞাতে অজ্ঞাতে কৰা বিভিন্ন অনুষংগ, ভাবৰ মিশ্ৰণতো প্ৰয়োগ হ'ব পাৰে। সৃষ্টিশীল ক্ষেত্ৰত এই বিধি অতি কটকটীয়া। এই বিধি ভংগ কৰাসকলৰ ওপৰত আইনগত কঠোৰতম শাস্তি হ'ব পাৰে। কাৰিকৰী বৈঠকৰ দ্বিতীয়গৰাকী সমল ব্যক্তি অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ অধ্যাপক ড° পূৰ্ণকান্ত বৰুৱাই 'ভাৰতীয় কৃষিখণ্ডত বৌদ্ধিক সম্পদৰ অধিকাৰৰ প্ৰাসংগিকতা, সম্পৰ্কে বক্তব্য আগবঢ়ায়। তৃতীয় কাৰিকৰী বৈঠকত অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ অধ্যাপক ড° কিশোৰ কুমাৰ শৰ্মাই 'ভৌগোলিক ইংগিত' সম্পৰ্কে আলোকপাত কৰে। সহযোগী অধ্যাপক শুভাশিস শৰ্মাই আঁত ধৰা অনুষ্ঠানৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহকাৰী সমন্বয়ক পল্লৱী দুৱৰাই। কৰ্মশালাত জিলাখনৰ ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।



তেজপুৰত 'সুন্দৰম'ৰ উদ্যোগত মঞ্চস্থ কৰা নাটকৰ এটি দৃশ্য, শনিবাৰে।

# মৰাণত সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ অধিবেশনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩ ছেপ্টেম্বৰ ঃ** ১৯৯১ত জন্মলাভ কৰা সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ ৩২ সংখ্যক অধিবেশন এইবাৰ মৰাণত অনুষ্ঠিত হ'ব। এই উপলক্ষে মৰাণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুৰূপা বৰাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মৰাণ শাখা মহিলা কৰ্মচাৰী সন্থাৰ সম্পাদিকা জ্যোতি দেউৰীয়ে। সভাত ভাষণ আগবঢ়ায় সদৌ অসম মহিলা কৰ্মচাৰী সন্থান প্ৰাক্তন কাৰ্যকৰী সভানেত্ৰী দীপালী শইকীয়া দত্ত, মৰাণ মহাবিদ্যালয় অধ্যক্ষা ড° মিতালী কোঁৱৰ, মৰাণ শাখা মহিলা কৰ্মচাৰী সন্থাৰ সভানেত্ৰী ড° মামণি ফুকন বৰগোহাঁই, সন্থাৰ বিষয়ববীয়া আইভিলতা চুতীয়া, নীলিমা তালুকদাৰ, চিত্ৰলেখা গগৈকে মুখ্য কৰি কে'বাগৰাকীও মহিলা কৰ্মচাৰীয়ে। সভাই অহা ১০ আৰু ১১ ডিচেম্বৰত মৰাণ কনিষ্ঠ মহাবিদ্যালয়ত উক্ত অধিবেশনখন পতাৰ সিদ্ধান্ত লয়। উক্ত সভাতে ড° মামণি ফুকন বৰগোহাঁইক সভানেত্ৰী, ড° নিশি বৰগোহাঁইক কাৰ্যকৰী সভানেত্ৰী, জ্যোতি দেউৰীক সম্পাদিকা, বিজু শইকীয়া আৰু উৰ্মিমালা আৰন্ধৰাক সহকাৰী সম্পাদিকাৰূপে লৈ ২১ জনীয়া এখন অভ্যৰ্থনা সমিতি গঠন কৰে।

# শিৱসাগৰত অবৈধ শিল-বালি- মাটি কঢ়িওৱা চাৰিখনকৈ ডাম্পাৰ জব্দ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ বন প্ৰাধিকাৰী দেবেন চন্দ্ৰ কলিতাৰ জিলাখনৰ বিভিন্ন প্ৰান্তত অবৈধ শিল, বালি, মাটি কঢ়িওৱা ডাম্পাৰৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা সময়তে আজি বনাঞ্চলিক বিষয়া বুবুল বৰুৱা নিৰ্দেশত এক নম্বৰ বন পালক স্পিহা গগৈ আৰু বিপুল হাজৰিকাৰ স'তে বন বিভাগৰ এটা দলে শিৱসাগৰ ৩৭ নম্বৰ ঘাইপথৰ কাষৰ দৰিকাপাৰ অঞ্চলত অভিযান চলাই দিহিং মুখৰ পৰা নথিপত্ৰবিহীনভাৱে বালি কঢ়িয়াই অনা এ এছ-০৩ বি চি-৩৫৮৯ আৰু এ এছ-০৪ বি চি-৫১৫৬ নম্বৰৰ দুখন ডাম্পাৰ জব্দ কৰাৰ লগতে বন বিভাগৰ দলটোৱে ৰাজমাই অঞ্চলটো এক অভিযান চলাই অবৈধভাৱে বালি কঢ়িওৱা এ এছ-০৪ বি চি-৫৭৬৯ নম্বৰৰ এখন মিনি ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। একেদিনাই বন বিভাগৰ দলটোৱে দৰিকাপাৰ অঞ্চলত তালাচী চলাই এ এছ-০৪ বি চি-১১১৮ নম্বৰৰ অবৈধভাৱে শিল কঢ়িওৱা ডাম্পাৰ জব্দ কৰে। বন বিভাগৰ দলটোৱে জব্দ কৰা ডাম্পাৰকেইখন শিৱসাগৰ বন প্ৰাধিকাৰী কাৰ্যালয়লৈ আনি বিভাগীয়ভাৱে প্ৰত্যেকখন গাড়ী ওপৰত এক গোচৰ ৰুজু কৰিছে।

# নদুৱাৰৰ কিশোৰী ধৰ্ষণকাৰী বৃদ্ধক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ ছেপ্টেম্বৰ ঃ** নদুৱাৰ অঞ্চলৰ মনাই চেঙামাৰীৰ এজন ৭০ বছৰীয়া বৃদ্ধ অসৎ চৰিত্ৰৰ লোকে দৰিদ্ৰতাৰ সুযোগ লৈ এগৰাকী ১৭ বছৰীয়া কিশোৰীৰে বহুবাৰ ভয়-ভাবুকিৰে অসৎ কাৰ্যত লিপ্ত হৈ চাৰিমহীয়া অন্তঃসত্বা কৰি পলাতক অৱস্থাত আছিল বৃদ্ধ দুলাল বেজবৰুৱা নামৰ লোকজন। যোৱা সোমবাৰে চাৰিমহীয়া অন্তঃসত্বা কিশোৰীগৰাকীক গৰ্ভপাত কৰাবলৈ বুলি কৌশলৰে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ গৈছিল। তাত চিকিৎসৰ পৰামৰ্শ মতে আল্ট্ৰাচাউণ্ড কৰাত ইয়াৰ ৰিপ'ৰ্ট অনুযায়ী চাৰিমহীয়া সন্তানৰ সম্ভেদ পাই চিকিৎসকে গৰ্ভপাত কৰিবলৈ অস্বীকাৰ কৰি ঘৰলৈ ওভতাই পঠিয়াই দিয়ে। পাছত সুচতুৰ বেজবৰুৱাই কিশোৰীগৰাকীক ওভতাই আনি মিছন চাৰিআলিত এৰি থৈ তাৰ পৰাই পলায়ন কৰে। পলায়ন কৰা অপৰাধী বেজবৰুৱাৰ উপযুক্ত শাস্তি বিচাৰি ইটাখোলা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে দুখীয়া মাতৃয়ে। ইফালে অসৎ চৰিত্ৰৰ লোকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰাৰ বাবে আৰক্ষীকো স্থানীয় ৰাইজে সন্দেহৰ চকুৰে চাইছিল যদিও আৰক্ষীয়ে অপৰাধী বেজবৰুৱাৰ সন্ধানত অভিযান অব্যাহত ৰাখে। পাছত ইটাখোলা আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি গৈ গাঁওৰক্ষী বাহিনীৰ সহযোগত বৃদ্ধ বেজবৰুৱাক কালি সন্ধিয়া গুৱাহাটীৰ খানাপাৰাত আত্মগোপন কৰি থকা অৱস্থাৰ পৰা কৰায়ত্ত কৰিবলৈ সক্ষম হয়। সম্প্ৰতি ইটাখোলা আৰক্ষীয়ে কিশোৰী ধৰ্ষণকাৰী বেজবৰুৱাৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰি আজি বিশ্বনাথ জেললৈ প্ৰেৰণ কৰিছে।

# গোৱালপাৰাৰ মৈজংগাত কৰম উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা চহৰৰ নিকটৱৰ্তী মৈজংগা চাহ বাগান আঞ্চলিক কৰম উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু আঞ্চলিক ৰাইজৰ সহযোগত অহা ছয় ছেপ্টেম্বৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আদিবাসীসকলৰ জাতীয় উৎসৱ 'কৰম পূজা' আদিবাসীৰ ৰীতি-নীতি, পৰম্পৰা আৰু সাংস্কৃতিক কাৰ্যসূচীৰে অষ্টম বাৰ্ষিক কৰম উৎসৱৰ আয়োজন কৰা হৈছে। মৈজংগা চাহ বাগান খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কৰম উৎসৱৰ কাৰ্যসূচী অনুসৰি ছয় ছেপ্টেম্বৰৰ পুৱা কৰম ডাল সূতা বন্ধনী, পতাকা উত্তোলন, কৰম পতাকা উত্তোলন, বাৰ্ষিকী পতাকা উত্তোলন, ছহিদ তৰ্পণ, বৃক্ষৰোপণ, খেল-ধেমালি, আবেলি কৰম যাত্ৰা আৰম্ভ, কৰম আখড়া মুকলি, কৰম পূজা, সন্ধিয়া প্ৰসাদ বিতৰণ, কৰম নৃত্য, মঞ্চ মুকলি আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। মঞ্চ মুকলি আৰু সম্বৰ্ধনা অনুষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থকাৰ বিপৰীতে আমন্ত্ৰিত অতিথিৰূপে ক্ৰমে ধুবুৰী জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি গুলাপ চিক বড়াইক, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভা, জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বেদান্ত কাশ্যপ আৰু জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাণজিৎ দাস উপস্থিত থাকিব। সন্ধিয়া সূৰ্যগিৰি আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিজু ফুকন ৰাভাই মুকিল চন্দ্ৰ উৰাওৰ স্বৰচিত আদিবাসী চান্দ্ৰী গীতৰ শুভমুক্তিৰ পাছত নিশা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীতৰ শৰাই আগবঢ়োৱা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। উল্লেখ্য যে আদিবাসীসকলৰ নিজা ভাষা, কলা-কৃষ্টি আৰু সংস্কৃতিৰে পৰিচয় দাঙি ধৰা জাতিটো আদিম যুগৰ পৰাই 'বৃক্ষ পূজা' অৰ্চনা কৰি প্ৰকৃতিৰ প্ৰতি প্ৰেম, চেনেহৰ ভাব আগবঢ়াই মানৱ সমাজৰ বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

# জ্ঞানপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰজ্ঞা ফাউণ্ডেছনৰ উদ্যোগত পাঁচ ছেপ্টেম্বৰত 'গুৰুপূজন'ৰ আয়োজন

বিশেষ সংবাদদাতা

**নলবাৰী ৩ ছেপ্টেম্বৰ ঃ** গুৰু-শিষ্যৰ পৰম্পৰা হিন্দু সাংস্কৃতিক বিশ্ববাসীৰ বাবে এক অনন্য অৱদান। সৃষ্টিৰ পাতনিৰ পৰাই এই গুৰু-শিষ্যৰ পৰম্পৰা দেখা যায়। এই পৰম্পৰাকে অক্ষুণ্ণ ৰাখি প্ৰজ্ঞা ফাউণ্ডেছন নলবাৰী জিলা সমিতিৰ উদ্যোগত অহা পাঁচ ছেপ্টেম্বত দিনৰ ১০-৩০ বজাত নলবাৰীৰ জ্ঞানপীঠ উচ্চ মাধ্যমিক বিদ্যালয় (গোপাল বজাৰ) প্ৰাংগণত এক 'গুৰুপূজন' কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি প্ৰজ্ঞা ফাউণ্ডেছনৰ নলবাৰী জিলা সমিতিৰ সভাপতি মুনিন দাস, সাধাৰণ সম্পাদক পংকজ ডেকা আৰু গুৰুপূজনৰ কাৰ্যক্ৰম প্ৰমুখ ৰাতুল কুমাৰ গোস্বামীয়ে জানিব দিছে। উক্ত অনুষ্ঠানত জিলাখনৰ প্ৰচাৰ বিমুখ সাংস্কৃতিক কৰ্মী, কৃতী শিক্ষক, যোগগুৰু, পুতলা নাচ শিল্পী, জাপি শিল্পী, নাগাৰা নামৰ শিল্পী, ধ্ৰুপদী সংগীতৰ গুৰু, মৃণ্ময় শিল্পী, অনাতাঁৰ শিল্পী, ডাইনাপালি, ৰাজমিস্ত্ৰিকে ধৰি বিভিন্ন দিশত পাৰদৰ্শিতা দেখুওৱা ৫৫ উৰ্দ্ধৰ ১৫ গৰাকী গুৰুক সিদিনাখন গুৰুপূজন' কৰাৰ দিহা কৰা হৈছে। গুৰুপূজনত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব ৰাষ্ট্ৰীয় স্বয়ং সেৱক নলবাৰী বিভাগৰ বৌদ্ধিক প্ৰমুখ জয়ন্ত কুমাৰ শৰ্মাই। উক্ত অনুষ্ঠানত সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি নলবাৰী জিলা প্ৰজ্ঞা ফাউণ্ডেছনৰ তৰফৰ পৰা শ্ৰদ্ধাৰে কামনা কৰিছে।

# শিৱসাগৰত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা পথৰ দুৰৱস্থা

## প্ৰশাসন-পৌৰকৰ্তৃপক্ষৰ ভূমিকাত আই পি এফ এছৰ ক্ষোভ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩ ছেপ্টেম্বৰ ঃ** অসমৰ জাতীয় জীৱনৰ বৌদ্ধিক জ্ঞান-চৰ্চা-সমাজ সংস্কাৰৰ কাণ্ডাৰী, জাতীয় অভিধান হেমকোষৰ প্ৰণেতা, ভাষাৰ ওজা প্ৰয়াত হেমচন্দ্ৰ বৰুৱাৰ স্মৃতিত উৎসৰ্গিত শিৱসাগৰ নগৰৰ ৭ নং ৱাৰ্ডৰ অন্তৰ্গত প্ৰসিদ্ধ তথা ব্যস্ততাপূৰ্ণ হেমচন্দ্ৰ বৰুৱা পথটোৰ বৰ্তমান কদৰ্য অৱস্থাৰ পিছতো জিলা প্ৰশাসন আৰু পৌৰকৰ্তৃপক্ষই উদাসীন হৈ থকাত ইণ্ডিয়ান পেট্ৰি'য়টিক ফেডাৰেশ্যন (ছ'ছিয়েলিষ্ট) চমুকৈ আই পি এফ এছে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটি বিবৃতিত আই পি এফ এছৰ মুখ্য সমন্বয়ৰক্ষী তথা জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল ৰাজগুৰুৱে উল্লেখ কৰিছে যে-- চৰকাৰী দায়িত্বপ্ৰাপ্ত বিভাগবোৰৰ উপেক্ষাৰ বাবেই এই পথটো নগৰৰ দিশে দিখৌ দলঙৰ সমীপৰ পৰা কেন্দ্ৰীয় বজাৰলৈকে জৰাজীৰ্ণ হৈ পৰিছে। মন কৰিব লগীয়া যে--গত সময়ত পথটো নিৰ্মাণ কৰোঁতে অসৎ ঠিকাদাৰে অধিক লাভৰ অংকৰে অতি নিম্নমানৰ ব্লক-ইটাৰ ব্যৱহাৰ কৰাৰ ফলতে নিৰ্মাণৰ নিচেই কম দিনৰ ভিতৰতে পথছোৱা দ গাঁতৰ সৃষ্টি হৈ জৰাজীৰ্ণ হৈ পৰিছিল। ইফালে এই পথাংশতে সাধাৰণ এজাক বৰষুণৰ পিছতে নগৰত সৃষ্টি হোৱা কৃত্ৰিম বানপানী দিনে নিশাই জমা হৈ থাকে। পথৰ দুয়োকাষে পকী নলাৰ নিৰ্মাণ আজিও সম্পূৰ্ণ হোৱা নাই। ফলত কৃত্ৰিম বানপানীৰ বাবেও পথাংশ অতি শীঘ্ৰে ধ্বংস হৈছে। এই পথাংশত প্ৰকৃততে আৰ চি চি কংক্ৰিট--লেৰেলিঙ ব্যৱস্থাৰে নতুনকৈ পথ-নিৰ্মাণ কৰাহে উচিত হ'ব বুলি আই পি এফ এছে মত প্ৰকাশ কৰিছে। তদুপৰি পথছোৱাৰ দুয়োকাষে অনতি পলমে পকী নলাও নিৰ্মাণ কৰাৰ দাবী জনোৱা হৈছে। অন্যহাতে শিৱসাগৰ প্ৰশাসন আৰু স্থানীয় পৌৰসভাৰ উদাসীনতাৰ বাবেই এই পথত অৱস্থিত হেমচন্দ্ৰ বৰুৱা স্মৃতি উদ্যানখনো ক্ৰমে বিৱৰ্ণ আৰু বনৰীয়া গছ-লতা-হাবি-জাবৰ--জোঁথৰেৰে ভৰপূৰ হৈ পৰিছে। স্মৃতিউদ্যানখনৰ চাৰিওফালে থকা বিভিন্ন ব্যৱসায়ী প্ৰতিষ্ঠান, দোকান পোহাৰৰ গৰাকীসকলেও দায়িত্বহীনভাৱে এই উদ্যানখনৰ ৰেলিঙৰ কাষতে পেলনীয়া জাবৰ নিক্ষেপ কৰি আহিছে। একাংশ সমাজ বিৰোধী লোকে উদ্যানৰ ভিতৰলৈকো লেতেৰা জাবৰৰ টোপোলা, সুৰাৰ বটল, প্লাষ্টিকৰ বটল, পেকেট ইত্যাদি দলিয়াই পেলোৱা দেখা গৈছে। এইবোৰ অসৎ কৰ্মৰ উপৰি উদ্যানৰ চাৰিওকাষে হোৱাই নোহোৱাই ব্যৱসায়ীসকলে ট্ৰাক-ডাঙৰ গাড়ী আদি ৰখাই থোৱাত স্বৰূপতে উদ্যানখনৰ সৌন্দৰ্য হানি হৈছে আৰু উক্ত এলেকাটোত তীব্ৰ যানজঁট সৃষ্টি হোৱা দেখা গৈছে। কিন্তু ৰহস্যজনক কাৰণত এইবোৰ অনিয়ম ৰোধ কৰিবলৈ চৰকাৰী কৰ্তৃপক্ষ আৰু যান-বাহন শাখাৰ আৰক্ষী আগুৱাই অহা দেখিবলৈ পোৱা নেযায়।

হাৰ্টএটেক মানেই মৃত্যু নহয়। আনহাতে, হাৰ্টএটেকৰ পাছত যদি সকলো উন্নতমানৰ চিকিৎসা কৰা হয় তথাপি ৫-১৫ শতাংশৰ ক্ষেত্ৰত জীৱন ৰক্ষা কৰাটো সম্ভৱ নহয়। অৰ্থাৎ যিধৰণৰ পদ্ধতিৰেই চিকিৎসা নকৰক কিয়, ৫-১৫ শতাংশ আক্ৰান্তৰ জীৱন ৰক্ষা কৰাটো সম্ভৱ নহয়। সহজ অৰ্থত ক'বলৈ হ'লে সকলো চিকিৎসা আগবঢ়ালেও এই সংখ্যকৰ মৃত্যু হয়। সকলোৰে ক্ষেত্ৰত সময়মতে চিকিৎসা কৰাটো সৰাতোকৈ গুৰুত্বপূৰ্ণ বিষয়।



# ধমনী ব্লক-হাৰ্টএটেক

**আজি**-কালি হৃদৰোগত আক্ৰান্ত লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। বিশ্ব স্বাস্থ্য সংস্থায়ো ইতিমধ্যে হৃদৰোগক মহামাৰীৰূপে ঘোষণা কৰিছে। এতিয়া কম বয়সীয়া লোকো এই ৰোগত আক্ৰান্ত হৈছে। জীৱন শৈলীৰ পৰা আৰম্ভ কৰি খাদ্যাভ্যাসলৈকে সকলো কাৰকে হৃদৰোগ সৃষ্টিত প্ৰত্যক্ষ-পৰোক্ষভাৱে সহায় কৰিছে। হৃদৰোগৰ ভিতৰত অন্যতম হাৰ্টএটেক। এই হাৰ্টএটেকৰ অন্যতম কাৰক হ'ল কৰ'নাৰী ধমনী ব্লক হোৱাটো। কৰ'নাৰী ধমনী বিভিন্ন কাৰণত আংশিক বা সম্পূৰ্ণৰূপে 'ব্লক' বা বন্ধ হ'ব পাৰে। এনেদৰে বন্ধ বা আংশিকভাৱে বন্ধ হ'লে তেজ চলাচলত ব্যাঘাত জন্মে। হৃদযন্ত্ৰই স্বাভাৱিকভাৱে কাৰ্য সম্পাদনৰ বাবে ধমনীৰে তেজৰ চলাচল সঠিকভাৱে হৈ থাকিব লাগিব। বহুতো লোকে হাৰ্টব্লক আৰু হাৰ্টএটেক একে বুলিয়ে ভাবে। দৰাচলতে কৰ'নাৰী-ধমনী সম্পূৰ্ণৰূপে বন্ধ বা ব্লক হ'লেহে হাৰ্টএটেক হোৱাৰ আশংকা থাকে। অক্সিজেনযুক্ত তেজ যেতিয়া ধমনীৰে গৈ হৃদযন্ত্ৰৰ বিভিন্ন অংশত প্ৰৱেশ কৰিব নোৱাৰে দৰাচলতে তেতিয়াই আৰম্ভ হয় বিপদ। কেতিয়াবা ধমনীৰ বেৰত ক'লেষ্টেৰল বা চৰ্বি জাতীয় দ্ৰব্য জমা হৈ সম্পূৰ্ণৰূপে বন্ধ হয়। তদুপৰি বয়স বৃদ্ধি, জীৱনশৈলীজনিত কাৰণত প্ৰত্যক্ষ-পৰোক্ষভাৱে ধমনীত প্ৰভাৱ পৰাত বিপদ ঘনীভূত হয়।

**ক**'লেষ্টেৰল বা চৰ্বি আদিৰ বাবে হৃদযন্ত্ৰৰ ধমনীৰ টেমুনাৰ দৰে হৈ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ধমনীৰ বেৰত এয়া জমা হোৱাৰ লগে লগে তেজ চলাচলৰ পথটো সৰু বা ঠেক হৈ পৰে। কেতিয়াবা চৰ্বি আদি বেছি পৰিমাণে জমা হোৱাৰ ফলত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। যেতিয়া ধমনীত বাধা জন্মে তেতিয়া সেই অঞ্চলত তেজৰ চেকুৰা বান্ধে? তেজৰ চেকুৰা বন্ধাৰ ফলত এসময়ত ধমনী সম্পূৰ্ণৰূপে অথবা আংশিকৰূপে বন্ধ হোৱাত হৃদযন্ত্ৰৰ মাংসপেশীলৈ ৰক্ত সঞ্চালনত ব্যাঘাত জন্মে। এনেদৰে ৰক্ত সঞ্চালন বন্ধ হোৱাত মাংসপেশী ধ্বংস বা মৰি যায়। সহজ অৰ্থত এয়াই হ'ল হাৰ্টএটেক।

হৃদযন্ত্ৰক পৰিপুষ্টি যোগোৱা ধমনী দুডাল হ'ল—সোঁ কৰ'নাৰী আৰু বাওঁ কৰ'নাৰী। এই দুডাল ধমনীয়ে হৃদযন্ত্ৰৰ সোঁ আৰু বাওঁ ফাললৈ গৈ তাৰ পেশীসমূহক বিভিন্ন শাখা-প্ৰশাখাৰ দ্বাৰা তেজৰ যোগান ধৰে। শৰীৰৰ আন পেশীত ধমনীৰ সৰু সৰু শাখাসমূহৰ মাজত যিদৰে অধিক পৰিমাণে শাখাৰ মিলন হয় হৃদযন্ত্ৰৰ ভিতৰত তেনে এখন ছবি দেখিবলৈ পোৱা নাযায়। এই খিনিতে উল্লেখ কৰিব পাৰি যে হৃদপেশীৰ স্বয়ংক্ৰিয়ভাৱে সংকোচন, সম্প্ৰসাৰণ, বৈদ্যুতিক পৰিবাহিতা, ছন্দোময় বৈদ্যুতিক স্পন্দন সৃষ্টিৰ ক্ষমতা আছে।

## বুকুৰ বিষক অৱহেলা নকৰিব

বহুতো লোকে সঘনাই বুকুৰ বিষ হৈ থাকিলেও চিকিৎসকৰ ওচৰলৈ নাযায়। চিকিৎসকৰ পৰামৰ্শ অবিহনে গেষ্ট্ৰিকৰ ঔষধ আনি খায়। দীৰ্ঘদিন ধৰি অৱহেলা কৰাৰ ফলত জটিল সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়েহে সঘনাই বুকুৰ বিষ হ'লে হৃদৰোগ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

## কম বয়সত আক্ৰান্ত হ'লে

যেতিয়া অতি কম বয়সতে হাৰ্ট ব্লক হয় আৰু ইয়াৰ ফলত হাৰ্টএটেক হয় তেতিয়া উপযুক্ত চিকিৎসা সঠিকভাৱে কৰিব লাগে। ঔষধ আৰু এঞ্জিঅ'প্লাষ্টি কৰি সুফল লাভ কৰাটো সম্ভৱ। এনে লোকৰ জীৱনশৈলী শৃংখলিত হ'লেহে ভৱিষ্যৎ হাৰ্টএটেক আদিৰ আশংকা হ্ৰাস পাব। নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণৰ লগতে জীৱনশৈলীৰ পৰিৱৰ্তন কৰিবই লাগিব। কাৰণ উশৃংখলিত জীৱন-যাপনে আয়ুস হ্ৰাস কৰে।

## কিমানদিন জীয়াই থাকিব পাৰে

হাৰ্টএটেকৰ ফলত হৃদযন্ত্ৰৰ কিমান ক্ষতিসাধন হৈছে তাৰ ওপৰত নিৰ্ভৰ কৰে ভৱিষ্যতে কিমান জীয়াই থাকিব। যদিহে হৃদয়ন্ত্ৰৰ বেছিকৈ ক্ষতিসাধন হয় তেতিয়া হ'লে শংকা থাকে। কাৰণ বেছি ক্ষতিসাধন হ'লে চিকিৎসা লাভৰ পাছত উপশম লাভ কৰে যদিও সামান্য অৱহেলা কৰিলেই বিপদ ঘনীভূত হ'ব পাৰে।

## মাদকদ্ৰব্য-ধপাত পৰিহাৰ কৰক



ধপাত জাতীয় সামগ্ৰী বিশেষকৈ চিগাৰেট আদি বেছিকৈ সেৱন কৰিলে বিপদ ঘনীভূত হয়। আজি-কালি বহুতেই গুট্‌খা-মাদকদ্ৰব্য একেলগে খায়। দিনটোৰ ভিতৰত কিমান ব্যৱহাৰ কৰে সেয়া হয়তো ব্যৱহাৰ কৰোতাজনেও জ্ঞাত নহয়। ধপাত, মাদকদ্ৰব্য, গুট্‌খা আদি একেলগে খোৱাৰ ফলত কেৱল হৃদৰোগেই নহয় আন বহুতো সম্যস্যাই নিজৰ অজ্ঞাতে গা কৰি উঠিব পাৰে। গতিকে এনেধৰণৰ সামগ্ৰীৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।

## কেতিয়া শংকাৰ কাৰণ হয়

এনে ধৰণৰ সমস্যাই কিছু কিছু ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰে। কিছুমান কাৰণৰ বাবে কৰ'নাৰী ধমনীৰ প্লাগ বা প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে।

বয়স বৃদ্ধিৰ লগে লগে ধমনীৰ ক্ষতিসাধন হোৱাৰ উপৰি ধমনীসমূহ ঠেক বা সৰু হ'বলৈ ধৰে।

উচ্চ ৰক্তচাপৰ বাবে এনে ধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। ৰক্তচাপ অনিয়ন্ত্ৰিত হৈ থাকিলে ধমনী ডাঠ আৰু সৰু আকৃতিৰ হ'ব পাৰে।

তেজত ক'লেষ্টেৰলৰ পৰিমাণ বৃদ্ধি পালে যদি দীৰ্ঘদিন ধৰি অনিয়ন্ত্ৰিত ৰূপত থাকিলে ধমনীত প্লাগবন্ধ বা প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱাৰ আশংকা থাকে।

ধূম্ৰপান হ'ব পাৰে হৃদৰোগৰ অন্যতম কাৰণ। ধূমপায়ীসকল সহজেই এনে সমস্যাৰ বলি হ'ব পাৰে।

কৰ'নাৰী ধমনীৰ ৰোগ সৃষ্টিৰ ক্ষেত্ৰত ডায়েবেটিছৰো প্ৰভাৱ থাকে।

বংশগত প্ৰভাৱৰ বাবেও এনে হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

মহিলাসকলৰ মেনোপ'জ বা ৰজঃস্বলাৰ পাছত আশংকা বৃদ্ধি পায়।

মেদবহুলতাও হ'ব পাৰে এনে সমস্যাৰ অন্যতম কাৰণ।

কায়িক পৰিশ্ৰম নকৰিলেও হ'ব পাৰে। কিছুমানে দিনৰ দিনটো যি পৰিমাণে খাদ্য গ্ৰহণ কৰে সেই অনুপাতে কায়িক শ্ৰম নকৰে।

ফাষ্টফুড, জাংকফুড আদিৰ বাবেও হোৱাৰ আশংকা থাকে। আজি-কালি এনেধৰণৰ খাদ্য বেছিকৈ খোৱাৰ প্ৰৱণতা জাগি উঠা বাবে কৰ'নাৰী ধমনীত 'প্লাগ' সৃষ্টিৰো আশংকা বৃদ্ধি পাইছে।

যিমানেই মানসিক চাপৰ মাজত থাকিব সিমানেই হৃদৰোগ আদিৰ আশংকা নুই কৰিব নোৱাৰি।

## পুৰুষ-মহিলাৰ কোন বেছি আক্ৰান্ত হয়

পুৰুষ-মহিলা এই ৰোগত আক্ৰান্ত হয় যদিও পুৰুষৰ সংখ্যা তুলনামূলকভাৱে বেছি হোৱা দেখা যায়। আগতে এনে ৰোগত পুৰুষসকল বেছিকৈ আক্ৰান্ত হৈছিল যদিও পুৰুষসকল বেছিকৈ আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছিল। সময়ৰ লগে লগে জীৱন ধাৰণৰ পদ্ধতি তথা কৰ্মক্ষেত্ৰত সৃষ্টি হোৱা চাপ বৃদ্ধি পাবলৈ ধৰিলে। এনে চাপৰ বাবে মহিলাসকলো আক্ৰান্ত হোৱাৰ আশংকা বৃদ্ধি পালে।

## দীৰ্ঘদিন দৰব খালে আক্ৰান্ত হ'ব পাৰে নেকি?

কিছুমান ঔষধ দীৰ্ঘদিন ধৰি ব্যৱহাৰ কৰি থাকিলে ইয়াৰ পাৰ্শ্বক্ৰিয়া স্বৰূপে কিছুমান সমস্যাই গা কৰি উঠাৰ আশংকা নোহোৱা নহয়। বিশেষকৈ ষ্টেৰয়ড আদি বিশেষ কোনো ৰোগৰ বাবে ব্যৱহাৰ কৰি থাকিলে পৰোক্ষভাৱে হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। অৰ্থাৎ ষ্টেৰয়ড আদি দীৰ্ঘদিন ব্যৱহাৰ কৰাটো শংকাৰ কাৰণ হ'ব পাৰে।

## এবাৰ ব্যৱহাৰ কৰা তেল পুনৰ নাখাব

বহুতো লোকে তেলত ভজা আঞ্জা বা ভাজি খাই ফাল পায়। কিছুমানে আকৌ মাছ ভাজি তেলখিনি পিছদিনালৈকে থৈ দিয়ে। কেতিয়াবা আকৌ তেলত পুৰী আদি ভাজি সেউখিনি তেলকে পাছত আঞ্জা ৰন্ধাত ব্যৱহাৰ কৰে। অৰ্থাৎ এবাৰ ব্যৱহাৰ কৰি থৈ যোৱা তেলখিনি পুনৰ ব্যৱহাৰ কৰে। এনেদৰে ভজা তেল পুনৰ ব্যৱহাৰ কৰিলে হৃদৰোগ হোৱাৰ কাৰকবোৰ বৃদ্ধি হ'ব পাৰে।

## সোণালী সময় তিনি ঘণ্টা

হাৰ্টএটেক হোৱাৰ তিনি ঘণ্টাৰ ভিতৰত যদি প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি কৰিব পাৰি তেতিয়া হ'লে হৃদযন্ত্ৰৰ ক্ষতিৰ পৰিমাণ বহু পৰিমাণে প্ৰতিৰোধ কৰাটো সম্ভৱ। সেইবাবে হাৰ্টএটেক হোৱাৰ পাছত যিমান সম্ভৱ সিমান সোনকালে চিকিৎসকৰ ওচৰলৈ আনিব লাগে। যদিহে চিকিৎসালয়ত প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টিৰ চিকিৎসা উপলব্ধ তেতিয়া আক্ৰান্তই সোনকালে আৰোগ্য লাভ কৰিব। তদুপৰি হৃদযন্ত্ৰৰ ক্ষতি কম খোৱাৰ বাবে আশংকাও নিশ্চয় হ্ৰাস পাব। অৱশ্যে সকলো ঠাইতে প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি নাথাকিব পাৰে। তেনে ক্ষেত্ৰত কেনেবাকৈ ৬-১২ ঘণ্টাৰ ভিতৰতো যদি প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি উপলব্ধ চিকিৎসালয়লৈ নিয়াতো সম্ভৱ হয় তেতিয়াহ'লে জীৱন ৰক্ষা কৰাটো সম্ভৱ হ'ব পাৰে। যিমানেই চিকিৎসাত পলম কৰিব সিমানেই সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলত কমসংখ্যক চিকিৎসালয়তহে প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি উপলব্ধ। কৰ'নাৰী এঞ্জিঅ'প্লাষ্টি আৰু প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টিৰ চিকিৎসা ময়ে প্ৰথম কৰিছো। সেই অভিজ্ঞতাৰ পৰা এটা কথা ক'ব পাৰো যে হাৰ্টএটেকৰ পাছত যদিহে তিনি ঘণ্টাৰ ভিতৰত এঞ্জিঅ'প্লাষ্টি কৰা হয় তেতিয়া আক্ৰান্তজনৰ জীৱনৰ সংশয় ভালেখিনি হ্ৰাস পায়। প্ৰাইমাৰী এঞ্জিঅ'প্লাষ্টি মানে জীৱন দান বুলি ক'লেও অযুক্তি কৰা নহ'ব।

## চিকিৎসা কৰিলেই উপশম সম্ভৱ নে

হাৰ্টএটেক মানেই মৃত্যু নহয়। আনহাতে, হাৰ্টএটেকৰ পাছত যদি সকলো উন্নতমানৰ চিকিৎসা কৰা হয় তথাপি ৫-১৫ শতাংশৰ ক্ষেত্ৰত জীৱন ৰক্ষা কৰাটো সম্ভৱ নহয়। অৰ্থাৎ যিধৰণৰ পদ্ধতিৰেই চিকিৎসা নকৰক কিয়, ৫-১৫ শতাংশ আক্ৰান্তৰ জীৱন ৰক্ষা কৰাটো সম্ভৱ নহয়। সহজ অৰ্থত ক'বলৈ হ'লে সকলো চিকিৎসা আগবঢ়ালেও এই সংখ্যকৰ মৃত্যু হয়। সকলোৰে ক্ষেত্ৰত সময়মতে চিকিৎসা কৰাটো সৰাতোকৈ গুৰুত্বপূৰ্ণ বিষয়।

## লক্ষণ ফুটি নুঠিবও পাৰে

যেতিয়া ধমনীত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈ হাৰ্টএটেক আদি হয় তেতিয়া কিছুমান লক্ষণ ফুটি উঠে। পিছে কেতিয়াবা কিছুমান লোকৰ ক্ষেত্ৰত লক্ষণ ফুটি নুঠিবও পাৰে। অৰ্থাৎ ধমনীত প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱাৰ পাছতো বয়স্ক লোকজনে বিশেষ লক্ষণ অনুভৱ নকৰিবও পাৰে। সেইবাবে বয়স্ক লোকসকলে নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰা উচিত।

## এবছৰ বয়সতো পেচমেকাৰ সংস্থাপন কৰা হয়

হৃদৰোগ যে সদায় বয়স্ক লোকসকলৰেই হয় সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি। কাৰণ কিছুমান শিশুৰ জন্মতেই বিভিন্ন ধৰণৰ হৃদৰোগ হ'ব পাৰে। যদিহে জন্মতেই হৃদৰোগ আৰু হৃদযন্ত্ৰৰ কোনো সমস্যা থাকে তেতিয়াহ'লে কম বয়সতেই পেচমেকাৰৰ প্ৰয়োজন হ'ব পাৰে। আনকি জৰুৰী হ'লে এবছৰতেই পেচমেকাৰ সংস্থাপিত কৰিবলগীয়া হয়। আজি-কালি এনে ধৰণৰ পেচমেকাৰ ব্যৱহাৰ কৰা বহু শিশুৱে আন দহটা শিশুৰ দৰেই জীৱন যাপন কৰিব পৰাটো সম্ভৱ হৈছে।

## এশ বছৰতো চিকিৎসা সম্ভৱ

বহুতো লোকে এক-ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ এই বুলি মন্তব্য কৰে যে বয়স বেছি হ'লে হৃদৰোগৰ চিকিৎসা কৰি সুফল নাপায়। পিছে এশ বছৰতো হাৰ্টব্লক হ'লে পেচমেকাৰ সংস্থাপিত কৰি সুফল লাভ কৰাটো সম্ভৱ। মই বিগত সময়ছোৱাত ২৫ বছৰ বয়সতো এঞ্জিঅ'প্লাষ্টি কৰিছো। তদুপৰি ১০৫ বছৰতো অস্ত্ৰোপচাৰ কৰি হোজাইৰ লোক এজনৰ পেচমেকাৰ সংস্থাপিত কৰি সুফল পোৱাটো সম্ভৱ হৈছে। হোজাইৰ এজন লোকৰ ১০৫ বছৰত অস্ত্ৰোপচাৰ কৰিছিলো। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত ইমান বেছি বয়সত পেচমেকাৰ সংস্থাপিত কৰি সফল হোৱা ইয়াৰ পূৰ্বে হোৱা নাছিল।

### গৰ্ভৱতী মহিলাৰ 'হাৰ্টএটেক' হ'লে

গৰ্ভাৱস্থাত যিকোনো সমস্যাই ভয়াৱহ ৰূপ ল'ব পাৰে। সেইবাবে সকলোৱে এই সময়ত সাৱধানতা অৱলম্বন কৰা উচিত। যদিহে গৰ্ভাৱস্থাত কোনো মহিলাৰ ধমনীত প্ৰতিবন্ধক বা প্লাগ হৈ হাৰ্টএটেক হয় তেতিয়া হ'লে প্ৰথমতে মহিলাগৰাকীৰ জীৱন ৰক্ষা কৰিবলৈ সকলো প্ৰকাৰৰ ব্যৱস্থা কৰা হয়। গৰ্ভত ভ্ৰূণ থাকিলেও যদি প্ৰয়োজন হয় তেতিয়াহ'লে চিকিৎসা কৰিবই লাগিব। এনেদৰে চিকিৎসা কৰোতে কেতিয়াবা ভ্ৰূণৰ ওপৰত প্ৰভাৱ পৰাৰ আশংকা নথকা নহয়।

### বংশগত প্ৰভাৱ আছেনে ?

স্বাভাৱিকতেই সকলোৰে মনত এটা প্ৰশ্নৰ উদয় হয়। হাৰ্টএটেক আদিৰ ক্ষেত্ৰত বংশগত প্ৰভাৱ থাকেনে? ইয়াৰ উত্তৰত এটাই ক'ব লাগিব যে যদিহে বংশত অৰ্থাৎ পৰিয়ালৰ পিতৃ-মাতৃ অথবা ঘৰৰ কোনো সদস্যৰ হৃদৰোগৰ সমস্যা আছে তেতিয়াহ'লে ইয়াৰ পৰোক্ষ প্ৰভাৱ সন্তানৰ ওপৰত পৰাৰ পূৰামাত্ৰে আশংকা থাকে। সাধাৰণতে ৬৫ বছৰৰ তলৰ লোকসকলক হৃদৰোগৰ বংশগত প্ৰভাৱৰ ক্ষেত্ৰত 'প্ৰিমেচিউৰ' বুলি গণ্য কৰা হয়। সেইবাবে এই বয়সৰ লোকসকলে বংশগত প্ৰভাৱৰ পৰা হাত সাৰিবলৈ নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। কাৰণ নিয়মীয়াকৈ পৰীক্ষা কৰি থাকিলে ৰোগবিধ প্ৰতিৰোধ কৰা সম্ভৱ। পৰিয়ালত এনে ৰোগৰ ইতিহাস থাকিলে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত।

# টোপনিয়ে সঁচাকৈয়ে হৃদযন্ত্ৰক সহায় কৰেনে ?

টোপনি কেৱল হৃদৰোগ প্ৰতিৰোধৰ বাবেই নহয় আন বহুতো শাৰীৰিক-মানসিক ৰোগৰ পৰা হাত সাৰিবলৈ খুবেই প্ৰয়োজন। নিশা টোপনিত ব্যাঘাত জন্মাৰ লগে লগে পুৱা বিছনা ত্যাগ কৰোতেও পলম হয়। ফলত পুৱাৰ আহাৰ গ্ৰহণৰ পৰা আৰম্ভ কৰি সকলোবোৰ কামেই সময়মতে নহয়। তদুপৰি সদায় নিশা টোপনিত ব্যাঘাত জন্মিলে ৰক্তচাপ বৃদ্ধিৰো আশংকা থাকে। ৰক্তচাপ বৃদ্ধি মানে পৰোক্ষভাৱে হৃদযন্ত্ৰৰ ওপৰত প্ৰভাৱ পৰাটো নিশ্চিত।

**যদিও** টোপনি বা নিদ্ৰা হৃদযন্ত্ৰৰ বাবে উপকাৰী বুলি গৱেষকসকলে মন্তব্য কৰিছে তথাপি এটা কথা স্পষ্টকৈ উল্লেখ কৰিব পৰা নাই যে কেনেদৰে ইয়াক সহায় কৰে। ইয়াৰ বিপৰীতে গৱেষকল সকলে এই বুলি মন্তব্য কৰিছে যে উচ্চ প্ৰ'টিন যাক চি আৰ পি বুলি কোৱা হয় সেয়া নিদ্ৰাহীনতাৰ স'তে জড়িত। ইয়াক 'ইমফ্লেমেচন' বুলি কোৱা হয় যিটো প্ৰক্ৰিয়াৰ স'তে হৃদযন্ত্ৰৰ ৰোগৰ সম্পৰ্ক আছে। টোপনিত ব্যাঘাত জন্মাৰ লগে লগে জীৱন-যাপনৰ প্ৰক্ৰিয়াও সলনি হয়। জীৱন-যাপনত ব্যাঘাত জন্মা মানে ইয়াৰ পৰোক্ষ প্ৰভাব পাৰে হৃদযন্ত্ৰৰ ওপৰত। গৱেষকসকলে এই ক্ষেত্ৰত সম্পূৰ্ণ তথ্য লাভ কৰিবলৈ হ'লে আৰু কিছু অধ্যয়নৰ প্ৰয়োজন আছে বুলি একাংশ গৱেষকে মন্তব্য কৰিছে।

টোপনি কেৱল হৃদৰোগ প্ৰতিৰোধৰ বাবেই নহয় আন বহুতো শাৰীৰিক-মানসিক ৰোগৰ পৰা হাত সাৰিবলৈ খুবেই প্ৰয়োজন। নিশা টোপনিত ব্যাঘাত জন্মাৰ লগে লগে পুৱা বিছনা ত্যাগ কৰোতেও পলম হয়। ফলত পুৱাৰ আহাৰ গ্ৰহণৰ পৰা আৰম্ভ কৰি সকলোবোৰ কামেই সময়মতে নহয়। তদুপৰি সদায় নিশা টোপনিত ব্যাঘাত জন্মিলে ৰক্তচাপ বৃদ্ধিৰো আশংকা থাকে। ৰক্তচাপ বৃদ্ধি মানে পৰোক্ষভাৱে হৃদযন্ত্ৰৰ ওপৰত প্ৰভাৱ পৰাটো নিশ্চিত। বিশেষকৈ হাৰ্টএটেক আদিৰ শংকা বৃদ্ধি কৰে। তদুপৰি ডায়েবেটিছত আক্ৰান্তসকলে টোপনি ক্ষতি কৰিলে শৰ্কৰা আদি বৃদ্ধিৰ আশংকা থাকে। শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পোৱা মানে সময় যোৱাৰ লগে লগে ইয়াৰ প্ৰভাৱে হৃদযন্ত্ৰৰ ওপৰতো পৰিবলৈ ধৰে।

**মেন'পজৰ পাছত হৃদৰোগৰ আশংকা বৃদ্ধি কিয়**

প্ৰকৃতিগত নিয়মৰ মাজেদিয়ে এক নিৰ্দিষ্ট বয়সৰ পাছত আৰম্ভ হয় মাহেকীয়া বন্ধ হোৱা প্ৰক্ৰিয়া বা মেন'পজ। এই অৱস্থাৰ সময়ত মহিলাৰ শাৰীৰিক পৰিৱৰ্তন হয়। কিয়নো মেন'পজ সময় মানেই শৰীৰত কিছুমান বিশেষ হৰম'নৰ উনৈশ-বিশ। অৰ্থাৎ এনে ধৰণৰ হৰম'নৰ কোনো এবিধ বৃদ্ধি পায় যদিও আন এবিধৰ নিঃসৰণ আকৌ হ্ৰাস পাবলৈ ধৰে। সাধাৰণতে মেন'পজৰ পাছত ইষ্ট্ৰোজেন হৰম'নৰ নিঃসৰিত কম পৰিমাণে হয়। ডিম্বাশয়ৰ পৰা নিঃসৰিত এইবিধ হৰম'নে হৃদৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। তদুপি ইষ্ট্ৰোজেনে গোনাডোট্ৰ' পিন নিঃসৰণত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। ইষ্ট্ৰোজন হ'ল 'ছেক্স হৰম'নৰ অন্তৰ্ভুক্ত হৰম'ন যিয়ে মহিলাৰ উৰ্বৰা প্ৰক্ৰিয়াৰ বিকাশ বা গতিশীল কৰাৰ লগতে নিয়মীয়া কৰে। ইয়ে স্তনৰ আকাৰ বৃদ্ধিৰ ক্ষেত্ৰতো সহায়ক। যোনীৰ বেৰৰ ঘনত্ব আৰু তেলজাতীয় পদাৰ্থ সতেজ কৰি ৰখাত সহায় কৰে। প্ৰতিগৰাকী মহিলাৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ সমানে নাথাকে। কিছুমানৰ শৰীৰত বেছি আৰু কিছুমানৰ কম থাকে। যিসকল মহিলাই দীৰ্ঘদিন ধৰি ধূমপান কৰে তেওঁলোকৰ শৰীৰত এইবিধ হৰম'নৰ নিঃসৰণৰ পৰিমাণ হ্ৰাস পাব পাৰে। আনহাতে, ডায়েবেটিছত আক্ৰান্ত মহিলাৰো ইষ্ট্ৰোজেনৰ পৰিমাণ হ্ৰাস পায়। সেয়েহে মেন'পেজৰ পাছত মহিলাৰ হৃদৰোগ হোৱাৰ আশংকা থাকে। হাৰ্টএটেক, হাৰ্টফেইলৰৰ পৰা আৰম্ভ কৰি আন সমস্যায়ো গা কৰি উঠিব পাৰে। সেই বাবে মহিলাসকলে এনে সমস্যা বা ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ সৰুৰে পৰাই সতৰ্কতা অৱলম্বন কৰা উচিত। শৈশৱৰ পৰাই সুষম পুষ্টিকৰ খাদ্য খোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে। বিশেষকৈ বয়স বৃদ্ধিৰ লগে লগে যাতে হৰম'নৰ পৰিমাণ হঠাতে হ্ৰাস নাপায় তাৰ বাবে পুষ্টিকৰ আহাৰৰ তালিকা প্ৰস্তুত কৰা উচিত।

এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে মেন'পজৰ বাবে হৃদৰোগ নহয়। মেন'পজৰ সময়ত কিছুমান কাৰণৰ বাবেহে এনে আশংকা বৃদ্ধি পায়। ইষ্ট্ৰোজেনে ৰক্তবাহী নলীৰ ভিতৰভাগৰ বেৰৰ তৰপ সঠিক কৰি ৰখাত সহায় কৰে। তদুপৰি ৰক্তবাহী নলীসমূহ শিথিল কৰি ৰখাতো ইতিবাচক ভূমিকা গ্ৰহণ কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। আমেৰিকা হাৰ্ট এছ'চিয়েচনৰ গৱেষকসকলে হৃদৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত এইবিধ হৰম'নৰ ইতিবাচক ভূমিকা থকা বুলি কিছু তথ্য লাভ কৰিছে। যদিহে সঠিক আহাৰ গ্ৰহণৰ লগতে সুস্থ জীৱন-যাপন কৰে তেতিয়া হ'লে সহজে হৃদৰোগ হ'ব নোৱাৰে। তদুপৰি যিসকল মহিলাৰ পৰিয়ালত এনে সমস্যা থকাৰ ইতিহাস আছে তেওঁলোকৰ বেছিকৈ আক্ৰান্ত হোৱাৰ আশংকা থাকে। মহিলাসকলে নিয়মীয়াকৈ ব্যায়াম কৰিলেও সুফ লাভ কৰিব পাৰে। নিয়মীয়াকৈ নহ'লেও সপ্তাহত অন্ততঃ চাৰি-পাঁচ দিন ব্যায়াম কৰিব লাগে।

এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ সতেজ শাক-পাচলি, ফলমূল, কম চৰ্বিযুক্ত দুগ্ধজাত খাদ্য, মুৰ্গী, মাছ আদি নিয়মীয়াকৈ খালে সুফল লাভ কৰিব পাৰি। তদুপৰি ৰেডমীট, শৰ্কৰাজাতীয় খাদ্যও সীমিত পৰিমাণে খোৱা উচিত।

মহিলাসকলৰ প্ৰায়ভাগেই মেন'পেজৰ সম্পৰ্কে সতৰ্ক নহয়। প্ৰকৃতিগতভাৱে মহিলাৰ জীৱনলৈ নিৰ্দিষ্ট সময়ত আৰম্ভ হয় বুলি ভাবে। আনকি লক্ষণসমূহ ফুটি উঠিলেও সেইবোৰৰ গুৰুত্ব প্ৰদান নকৰে। মাতৃয়ে নিজৰ কন্যা সন্তানক যদি সৰুৰে পৰা এই ক্ষেত্ৰত সতৰ্ক হ'বলৈ শিকায় বা সম্যক জ্ঞান দিয়ে তেতিয়া হ'লে নিশ্চয় সুফল পোৱা যাব।

মেন'পেজৰ সময়ত যদিহে কিছুমান বিশেষ লক্ষণ ফুটি উঠে তেতিয়াহ'লে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

⇩ শ্বাস-প্ৰশ্বাস চুটি হ'লে আওকাণ নকৰিব।

⇩ যদিহে হঠাতে বুকুৰ বিষ বা বুকুখন হেঁচা মাৰি ধৰাৰ দৰে হ'লেও অৱহেলা নকৰাটোৱে মংগলজনক।



⇩ উচ্চ ৰক্তচাপজনিত সমস্যাৰ বাবে মূৰৰ বিষ আৰম্ভ হ'ব পাৰে।

⇩ মূৰ গধুৰ ভাব বা আচন্দ্ৰাই কৰিলেও গুৰুত্ব দিব লাগে।

⇩ সঘনাই হনুৰ বিষ হ'লেও অৱহেলা কৰিব নালাগে।

⇩ যদিহে ভৰি ফুলি উঠে তেতিয়াও গুৰুত্ব দিয়ক।

⇩ চিৎ হৈ খোৱাৰ সময়ত যদি অসুবিধা হৈছে তেতিয়া বিষয়টো চিকিৎসকৰ স'তে আলোচনা কৰিব লাগে।

সকলোৱে চিকিৎসকৰ পৰামৰ্শ অবিহনে কোনো ধৰণৰ ঔষধ সেৱন নকৰাটোৱে মংগলজনক। কাৰণ আজি কালি বজাৰত এনে কিছু ঔষধ উফলব্ধ হৈছে যিবোৰ চিকিৎসকৰ পৰামৰ্শ অবিহনে সেৱন কৰাটো তেনেই বিপজ্জনক। তদুপৰি বহুতো মহিলাই মাহেকীয়াৰ সময় বিলম্ব কৰিবলৈ মাজে মাজে টেবলেট সেৱন কৰে। চিকিৎসকৰ পৰামৰ্শ অবিহনে এনেধৰণৰ টেবলেট কেতিয়াও খাব নালাগে। কাৰণ সঘনাই এনে টেবলেট খালে পাৰ্শ্বক্ৰিয়া হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

# শিশুৰ শৰীৰত 'এ' ভিটামিনৰ অভাৱ



**শিশুৱে** কেতিয়াও নিজৰ সমস্যাৰ কথা বুজাই ক'ব নোৱাৰে। অলপ ডাঙৰ ল'ৰা-ছোৱালীৰ পৰা কিছু জানিব পৰা গ'লেও একেবাৰে কম বয়সীয়াবোৰে একোৱেই ক'ব নোৱাৰে। সেয়ে শিশুটি অস্বস্তিত থকা দেখিলেই লক্ষণবোৰ চাই প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগে।

শিশুৰ বিভিন্ন সমস্যাৰ ভিতৰত অন্যতম হ'ল 'এ' ভিটামিনৰ অভাৱ। ইয়াৰ ফলত নিম্নলিখিত সমস্যাবোৰে দেখা দিব পাৰে।

**ক) চকু ঃ** কুকুৰীকণা ৰোগ হয়। যেতিয়াই দেখিব যে শিশুটিয়ে নিশাৰ ভাগত ভালদৰে দেখা পোৱা নাই, ওচৰৰে কিবা বস্তু হাতেৰে খেপিয়াই বিচাৰি থাকে, তেতিয়াই বুজিব যে শিশুটিৰ শৰীৰত 'এ' ভিটামিনৰ অভাৱ ঘটিবলৈ আৰম্ভ কৰিছে। ⇨ চকুৰ ভিতৰৰ অংশ শুকান হৈ পৰে। আনকি কান্দিলেও কেতিয়াবা চকুপানী নোলায়। ⇨ চকুৰ পৰ্দা ঘোলা পৰে আৰু ক'লা মণিৰ ওপৰত বগা বগা দাগ পৰিলক্ষিত হয়। ⇨ 'এ' ভিটামিনৰ অভাৱ প্ৰকট হৈ পৰি শিশুৰ চকুৰ মণি লাহে লাহে সম্পূৰ্ণৰূপে বগা হৈ পৰে আৰু শিশুটি অন্ধ হৈ পৰে। ইয়াক জেৰপথেলমিয়া বুলি কোৱা হয়।

**খ)** ছাল শুকান আৰু খচখচীয়া হৈ কেতিয়াবা ভেকুলীৰ ছালৰ দৰে হৈ পৰিব পাৰে।

**গ)** ঘনাই সংক্ৰমণত আক্ৰান্ত হোৱাৰ আশংকা থাকে। বিশেষকৈ শ্বাসনলী আৰু মূত্ৰনলীৰ সংক্ৰমণ।

**ঘ)** শিশুটি স্বাভাৱিকভাৱে ডাঙৰ হ'ব নোৱাৰে। আনকি শিশুৰ মৃত্যুৰ আশংকাও থাকে।

'এ' ভিটামিনৰ অভাৱত অন্ধ হৈ পৰা প্ৰতি দুটি শিশুৰ ভিতৰত এটিৰ মৃত্যু ঘটে। পৰিসংখ্যাতে এই তথ্য প্ৰকাশ পাইছে।

### চিকিৎসা

কুকুৰীকণা বা জেৰপথেলমিয়া ৰোগত আক্ৰান্ত শিশুটিৰ বয়স যদি এবছৰৰ বেছি হয়, তেন্তে প্ৰতিটো দুই লাখ ইউনিটৰ তিনিটা ভিটামিন 'এ' কেপচুল খুৱাব লাগিব। প্ৰথম ড'জ-প্ৰথম দিনা, দ্বিতীয় ড'জ-দ্বিতীয় দিনা আৰু তৃতীয় ড'জ-দুসপ্তাহৰ পাছত।

এবছৰৰ কম বয়সীয়া শিশুৱেও একে নিয়মত তিনি দিন ঔষধ খাব, কিন্তু প্ৰতিটো ড'জ হ'ব অৰ্ধেক মাত্ৰা (এক লাখ ইউনিট অৰ্থাৎ প্ৰতিবাৰত চাৰি টোপালকৈ) ৰ। এটা কেপচুলত মুঠ আঠ টোপাল ঔষধ থাকে। মিজেল্‌ছ বা হেমৰোগত আক্ৰান্ত শিশুকো একে নিয়মৰে ভিটামিন 'এ' কেপচুল খুৱাব লাগিব।

### প্ৰতিৰোধ

নিম্নলিখিত ৰোগসমূহত এক ড'জ (এবছৰৰ বেছি বয়সীয়া শিশুৰ বাবে দুই লাখ ইউনিট, এবছৰৰ তলৰ শিশুৰ বাবে এক লাখ ইউনিট অৰ্থাৎ চাৰি টোপাল) 'এ' ভিটামিন খুৱাব।

⇨ প্ৰত্যেকবাৰ ডায়েৰিয়াত আক্ৰান্ত হোৱাৰ পাছত ভিটামিন 'এ' কেপচুল খুৱাব।

⇨ আমিষশক্তি ঘাটতিজনিত অপুষ্টিত আক্ৰান্ত প্ৰত্যেক শিশুকো খুৱাব পাৰি।

আজিকালি ইউনিছেফৰ সাহায্যত গাঁও অঞ্চলৰ সকলো শিশুকে ছমাহ বয়সৰ পাছত প্ৰতি ছমাহৰ ব্যৱধানত ছবছৰ বয়স পৰ্যন্ত এটাকৈ 'এ' ভিটামিনৰ কেপচুল খাবলৈ দিয়া হয়।

ভিটামিন 'এ' সমৃদ্ধ খাদ্য শিশুক খাবলৈ দিব লাগে। মাতৃদুগ্ধৰ উপৰি সেউজীয়া আৰু ৰঙীন শাক-পাচলি, ৰঙীন ফল, ৰঙাশাক, কচুশাক, গাজৰ, অমিতা, মিঠা কোমোৰা, আম, কণীৰ কুহুম আদি খাদ্যত বহু পৰিমাণে 'এ' ভিটামিন পোৱা যায়।

# শৰীৰ সুস্থ কৰাত সহায় কৰে ছ'ডিয়াম-পটাছিয়ামে

**শৰীৰৰ** বাবে গুৰুত্বপূৰ্ণ উপাদানসমূহৰ ভিতৰত অন্যতম হ'ল ছ'ডিয়াম-পটাছিয়াম। শৰীৰৰ কোষসমূহে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিবলৈ এই দুয়োবিধ ইলেক্ট্ৰ'লাইটৰ খুবেই প্ৰয়োজন। এইখিনিতে উল্লেখ কৰিব লাগিব যে মস্তিষ্কৰ কোষৰ কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে ছ'ডিয়াম-পটাছিয়ামৰ প্ৰয়োজন বেছি। প্ৰতিটো কোষৰ গাত ছডিয়াম-পটাছিয়ামৰ পাম্প থাকে। এই পাম্পৰ জৰিয়তে কোষৰ ভিতৰত পটাছিয়াম প্ৰৱেশ কৰি ছ'ডিয়াম বাহিৰলৈ উলিয়াই দিয়ে। দুয়োবিধ যদি স্বাভাৱিক পৰিমাণে নাথাকে তেতিয়াহ'লে শৰীৰৰ বিভিন্ন সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। শৰীৰত যেতিয়া লৱণৰ পৰিমাণ হ্ৰাস পায় তেতিয়া ছ'ডিয়াম-পটাছিয়ামৰ পৰিমাণ হ্ৰাস পায়। দুয়োবিধ উপাদানৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলত হাত-ভৰি গধুৰ হ'বলৈ ধৰে। শাৰীৰিক দুৰ্বলতা অনুভৱ হয়। মস্তিষ্কৰ স্বাভাৱিক কাৰ্যক্ষমতাত ব্যাঘাত জন্মে।

**যিবোৰ কথা জানিব লাগে**

● আমাৰ সমাজত এনে বহু লোক আছে যিসকলে বেমাৰ হ'লেও চিকিৎসকৰ ওচৰলৈ যাব নোখোজে। যেতিয়া ৰোগে জটিল ৰূপ ধাৰণ কৰে তেতিয়াহে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰে। নিয়মীয়াকৈ চিকিৎসকৰ ওচৰলৈ নগ'লেও ৰক্তচাপ নিয়ন্ত্ৰণ হৈ থাকে বুলি নাভাবিব। কাৰণ আমাৰ দেশত উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাৰ পাছতো চিকিৎসকৰ ওচৰলৈ নোযোৱা বাবে বহুতৰ এই ৰোগ ধৰা নপৰে। ধৰা নপৰিলে চিকিৎসাও নোহোৱাকৈ থাকে। ফলত ষ্ট্ৰ'ক, হাৰ্টএটেক হোৱাৰ ফলত আক্ৰান্ত লোকজন মৃত্যু মুখত পৰে। ● নিয়মীয়াকৈ ৰক্তচাপৰ টেবলেট বা ঔষধ খোৱা উচিত। বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে নিয়মীয়াকৈ ঔষধ সেৱন কৰিলে কিডনী বা বৃক্ক নষ্ট হয়। সেই বাবে বহুতো লোকে আনকি



শিক্ষিতসকলেও উচ্চ ৰক্তচাপৰ ঔষধ নিয়মীয়াকৈ খাব নোখোজে। সকলোৱে মনত এনে ধাৰণা লোৱা বাবে নিজৰ লগতে পৰিয়ালৰ আন সদস্যৰ কাৰণেও বিপদৰ কাৰণ হয়। ঔষধৰ পৰিমাণহে কম বেছি হ'ব পাৰে।

## পাঁচ বছৰ ধৰি পোহৰ নিদিয়ে পাঁচটাকৈ ফ্লাড লাইটে

# সৰ্বদিশতে অৱহেলিত ঘগ্ৰাপাৰ ষ্টেছন



অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ৩ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰেল ষ্টেছন দেশ স্বাধীনতাৰ সময়তে স্থাপন হৈছিল যদিও স্বাধীনতাৰ ৭৫ বছৰ পাছতো সৰ্বদিশতে ষ্টেছনটো অৱহেলিত হৈ আছে বুলি চৰ্চিত হৈছে। ৰেল ষ্টেছনটোত কে'বা দশক পূৰ্বে নিৰ্মিত এটা সাধাৰণ যাত্ৰী জিৰণি চ'ৰা ষ্টেছনটোৰ টিকট ঘৰ সংলগ্নকৈ প্লেটফৰ্ম আছে যদিও বিপৰীত দিশত প্লেটফৰ্ম স্থাপন নহ'ল। ইফালে, ষ্টেছনটোৰ উত্তৰ দিশত প্ৰায় চাৰি বছৰ পূৰ্বে ৰেল বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই স্থাপন কৰা পাঁচটাকৈ ফ্লাড লাইটত আজি পৰ্যন্ত বিদ্যুৎ সংযোগ কৰি নিদিয়াৰ ফলত এন্ধাৰত বুৰ গৈ থাকে উত্তৰ দিশতে। যাৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলে নিশা নিৰাপত্তাহীনতাত ভুগি আহিছে বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। তদুপৰি যাত্ৰী অনুযায়ী শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ, বেঞ্চৰ অভাৱৰ উপৰি নিশা চৰম হতাশাত ভুগি আহিছে। বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ প্ৰায় অৰ্ধশতাধিক গাঁৱৰ ৰেলযাত্ৰীয়ে নিতৌ ষ্টেছনত উপস্থিত হৈ বিভিন্ন ঠাইলৈ ৰেলেৰে যাত্ৰা কৰে। এইসকল যাত্ৰীৰ পৰা ৰেল বিভাগে বৃহৎ পৰিমাণৰ ধন পাই আহিছে যদিও যাত্ৰীসকলে প্ৰয়োজনীয় সা-সুবিধাতো দূৰৈ কথা এটুপিও বিশুদ্ধ খোৱা পানী খাবলৈ নাপায় বুলি অভিযোগ উঠিছে। বিগত দিনত ষ্টেছনটোত সৰু-বৰ কাজিয়া-মাৰপিটকে ধৰি অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছে। শেহতীয়াভাৱে ষ্টেছনটোত উত্তৰ দিশত নিশা পৰ্যাপ্ত পৰিমাণৰ পোহৰ নোহোৱাত কেতবোৰ অসামাজিক কাৰ্য কৰা বাবে সুযোগ গ্ৰহণ কৰি আহিছে যদিও ৰেল বিভাগে উক্ত লাইটসমূহ জ্বলোৱাৰ দিয়া ব্যৱস্থা কৰা নাই বুলি দল-সংগঠনে অভিযোগ কৰিছে। সেয়েহে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ লগতে ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইনে উক্ত ষ্টেছনটোৰ সংশ্লিষ্ট সমস্যাসমূহ দূৰ কৰিবলৈ ৰেলৱে বিভাগৰ লগতে কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছে।

## যুৱ মৰ্চাৰ যোৰহাট জিলাৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভা

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ৩ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জনতা যুৱ মৰ্চাৰ যোৰহাট জিলাৰ দ্বিতীয়খন কাৰ্যনিৰ্বাহ সভা আজি হাঁহচৰা বিবাহ ভৱনত অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে যুৱ মৰ্চাৰ জিলা সভাপতি পাৰ্শ্বজ্যোতি বৰাই। সভাৰ প্ৰথম সত্ৰত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই নীতি আৰু গৱেষণা কোষৰ প্ৰয়োজনীয়তা আৰু কাৰ্যপদ্ধতি, দ্বিতী সত্ৰত বিজেপিৰ যোৰহাট জিলাৰ মিডিয়া আহ্বায়ক বনি শইকীয়াই মিডিয়া, সামাজিক মাধ্যম আৰু তথ্য প্ৰযুক্তিত বিভাগসমূহত যুৱমৰ্চাৰ ভূমিকা সম্পৰ্কত মাগদৰ্শন কৰে। যুৱমৰ্চাৰ যোৰহাট জিলাৰ সাধাৰণ সম্পাদক সুমন্ত হাজৰিকাই আঁত ধৰা সভাত বিজেপিৰ যোৰহাট জিলাৰ সভাপতি হেমন্ত কলিতা, মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, ভাৰতীয় জনতা যুৱমৰ্চা, অসম প্ৰদেশৰ সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱা, সম্পাদক নয়নজ্যোতি হাজৰিকা, জিলা যুৱ মৰ্চাৰ ৰাজ্যিক প্ৰভাৰী আৰু সহকাৰী প্ৰভাৰী ঈশান ভঁৰালী, নিতুল ঠাকুৰীয়া, জিলা প্ৰভাৰী জিতুমনি বৰা, যোৰহাট জিলাৰ প্ৰাক্তন সভাপতি কামাখ্য মোহন দাস আদিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়াই যুৱশক্তি ৰাষ্ট্ৰশক্তি মূলমন্ত্ৰৰে আগবাঢ়ি গৈ অনাগত দিনত নিষ্ঠা, সততা আৰু সমৰ্পিত মনোভাৱেৰে কাম কৰি যাবলৈ প্ৰতিজন যুৱ কাৰ্যকৰ্তাক আহ্বান জনায়। উল্লেখনীয় যে উক্ত সভাতে এটি ৰাজনৈতিক প্ৰস্তাৱ কৰা হয় আৰু সকলোৰে সমৰ্থনত গৃহীত কৰা হয়।

## সোণাৰি পৌৰসভাৰ উচ্ছেদ অভিযান

অগ্ৰদূত বাৰ্তা
**সোণাৰি, ৩ ছেপ্টেম্বৰ ঃ** সোণাৰি পৌৰ অঞ্চলত বিপজ্জনকভাৱে গৃহ নিৰ্মাণ কৰাৰ বিৰুদ্ধে আজি সোণাৰি পৌৰসভাই অভিযান চলায়। পৌৰসভাৰ সাত নম্বৰ ৱাৰ্ডত অমল পালে বিপজ্জনকভাৱে নিৰ্মাণ কৰা গৃহৰ এটা অংশ পৌৰ কৰ্তৃপক্ষই কটকটীয়া নিৰাপত্তাৰ মাজত ভাঙি পেলায়। উল্লেখ্য যে যুৱ ব্যৱসায়ী পিপলু পালৰ ঘৰৰ প্ৰায় লগতে অমল পালে বিপজ্জনকভাৱে আৰচিচি বিল্ডিংটো নিৰ্মাণ কৰিছিল। পিপলু পালে স্থানীয় প্ৰশাসনক বিষয়টো অৱগত কৰিছিল যদিও ন্যায় নোপোৱাত গুৱাহাটী উচ্চ ন্যায়ালয়ত এক গোচৰ ৰুজু কৰিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে সোণাৰি পৌৰসভাক দুয়োপক্ষৰ মাজত আলোচনা কৰি বিষয়টো সমাধান কৰিবৰ বাবে যোৱা ১৩ জুনত ৰায় প্ৰদান কৰে। সোণাৰি পৌৰসভাই দুয়োপক্ষৰ মাজত আলোচনা কৰিও বিষয়টো নিষ্পত্তি কৰিব নোৱাৰিলে। এনে অৱস্থাত সোণাৰি পৌৰসভাই অমল পালে বিপজ্জনকভাৱে নিৰ্মাণ কৰা অংশটো ভাঙি পেলোৱা আৰু গৃহ নিৰ্মাণৰ অনুমতি নাকচ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সংক্ৰান্তত অমল পালক যোৱা ন আগষ্টত গৃহ নিৰ্মাৰ অনুমতি নাকচ কৰি ১৫ দিনৰ ভিতৰত বিপজ্জনক অংশটো নিজা উদ্যোগত ভাঙি পেলোৱাৰ বাবে জাননী প্ৰেৰণ কৰিছিল। কিন্তু উক্ত সময়সীমা অন্ত পৰাত আজি অবৈধ তথা বিপজ্জনকভাৱে নিৰ্মাণ কৰা অংশটো সোণাৰি পৌৰসভাই দণ্ডাধীশ, আৰক্ষী, চিআৰপিএফৰ উপস্থিতিত ভাঙি পেলায়।

# শিশুৰ উৎকৰ্ষ বিকাশ সাধনত মাতৃৰ ভূমিকা অপৰিসীম

### শংকৰদেৱ শিশু বিদ্যা নিকেতনত মাতৃ ভাৰতীয় বাৰ্ষিক সন্মিলন



অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৩ ছেপ্টেম্বৰ ঃ** 'শিশুৰ মানসিক-শাৰীৰিক উৎকৰ্ষ বিকাশ সাধনত মাতৃৰ ভূমিকা অপৰিসীমা। কিয়নো শিশুৰ আদি শিক্ষাৰ গুৰুৱে হ'ল মাতৃ গৰাকী।' এই মন্তব্য কৰে কোকৰাঝাৰ শংকৰদেৱ শিশু নিকেতনত আজি অনুষ্ঠিত মাতৃ ভাৰতীৰ বাৰ্ষিক সন্মীলনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ডঃ দাসে নিজৰ সন্তানক অকল পঢ়া-শুনাতে লাগি নম্বৰৰ পাছত লাগি নাথাকি সংস্কাৰ দি সুনাগৰিকৰূপে গঢ়ি তোলাত গুৰুত্ব দিবলৈ আহ্বান জনায়। নিৰ্দিষ্ট বক্তাৰ ভাষণত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ তথ্য-প্ৰযুক্তি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ মনোজ ডেকাই অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক বৰ্তমান প্ৰযুক্তিবিদ্যাৰ যুগত ম'বাইলৰ ব্যৱহাৰ কেনেদৰে হোৱা উচিত তথা ইণ্টাৰনেটৰ প্ৰভাৱ সম্পৰ্কে বহলাই কয়। আন এগৰাকী নিৰ্দিষ্ট বক্তাৰ ভাষণত কোকৰাঝাৰ সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰে অভিভাৱিকাসকলক সন্তানৰ লগতে তেওঁলোকক নিজকে ম'বাইলৰ অপব্যৱহাৰৰ পৰা আঁতৰি সৎ কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। মাতৃ ভাৰতীৰ সভানেত্ৰী চিন্ময়ী বৰ্মনে সভাপতিত্ব কৰা সভাৰ আঁত ধৰে নিকেতনৰ আচাৰ্য দিব্যজ্যোতি হাজৰিকাই। সভাতে ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগ পোৱাসকলক গামোচা, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক পুলক অধিকাৰী, প্ৰধান আচাৰ্য মৃদুল নাথকে ধৰি আচাৰ্য-আচাৰ্যাবৃন্দ উপস্থিত থাকে। পাছত মাতৃ ভাৰতীৰ নতুন সমিতি গঠন কৰা হয়।

## লক্ষীবাৰীৰ বৰজানত মীন ক্ষেত্ৰত কীটনাশক প্ৰয়োগেৰে মৎস্য নিধন দুষ্কৃতিকাৰীৰ

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ৩ ছেপ্টেম্বৰ ঃ** গোলাঘাট ৰাজহ চক্ৰৰ অধীনস্থ লক্ষীবাৰীৰ এক নম্বৰ আৰু দুই নম্বৰ বৰজান আৰু লক্ষীজুৰী গাঁৱৰ কে'বাগৰাকী নিবনুৱা যুৱকে এটা গোট গঠন কৰি বৰজানৰ বিচু পথাৰত ব্যৱসায় ভিত্তিত মীন পালন কৰা দুটা পুখুৰীত এই সপ্তাহত কোনো দুষ্কৃতিকাৰীয়ে কীটনাশক ঔষধ ঢালি প্ৰায় ২০ কুইণ্টল মাছ নিধন কৰে। এনে অবাঞ্ছিত ঘটনাত মৎস্য পালকসকল বিস্তৰ ক্ষতিৰ সন্মুখীন হোৱাৰ লগতে গোটৰ সদস্যসকল চৰম হতাশাত ভুগিছে। প্ৰাপ্ত তথ্য মতে, চলিত বৰ্ষ আৰু বিগত বৰ্ষত প্ৰায় দুই কুইণ্টলৰো অধিক মাছৰ পোনা ছশ টকা দৰত ক্ৰয় কৰি পুখুৰীত পালন কৰিছিল। গোটৰ সদস্যসকলে সদৰী কৰা মতে, সম্প্ৰতি দুয়োটা পুখুৰীৰ মাছ আৰু জলচৰ প্ৰাণী মৃত্যুমুখত পৰাত অঞ্চলটোত দুৰ্গন্ধময় পৰিৱেশ সৃষ্টি হৈছে।

## চাইবাৰ ক্ৰাইম ঃ সোণাৰিত ব্যৱসায়ীৰ পৰা ধন লুট

অগ্ৰদূত বাৰ্তা
**সোণাৰি, ৩ ছেপ্টেম্বৰ ঃ** ভাৰতীয় সেনা বাহিনীৰ পৰিচয় দি শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰৱঞ্চকৰ দলে ম'বাইল বেংকিঙৰ জৰিয়তে ধন লুট কৰাৰ ঘটনা অব্যাহত আছে। এনে ঘটনাৰ অংশ হিচাপে সোণাৰি নগৰতো এজন মৎস্য ব্যৱসায়ীৰ পৰা ধন লুট কৰিছে। প্ৰাপ্ত তথ্য মতে, সোণাৰি দৈনিক বজাৰৰ মৎস্য ব্যৱসায়ী চালামত আনচাৰীক কালি ম'বাইল যোগে নিজকে ভাৰতীয় সেনা বাহিনীৰ লোক বুলি পৰিচয় দি ৫০ কিলোগ্ৰাম মাছৰ অৰ্ডাৰ দিয়ে। সোণাৰি নগৰৰ সমীপৱৰ্তী মাইবেলাস্থিত সেনা শিবিৰত আয়োজন কৰা এক প্ৰীতি ভোজৰ বাবে ৫০ কিলোগ্ৰাম বাহু মাছৰ অৰ্ডাৰ দি আগতীয়াকৈ অনলাইন পেমেন্ট কৰিব বুলি জনায়। সেই মৰ্মে সেনা শিবিৰৰ এজন বিষয়াই মৎস্য ব্যৱসায়ীজনক গুগল পে'ৰ 'কিউ আৰ' টো হোৱাটছএপত পঠিয়াবলৈ কয়। কিন্তু ব্যৱসায়ীজনে তেওঁৰ সেই সুবিধা নথকাৰ কথা কোৱাত সেনা বিষয়াজনে তেওঁৰ এটিএমকাৰ্ডখন হোৱাটছএপযোগে পঠিয়াবলৈ কয়। ব্যৱসায়ীজনক বিশ্বাস জন্মাবলৈ আনকি সেনাৰ ক'ড নম্বৰ পৰ্যন্ত প্ৰকাশ কৰে সেনা বিষয়া বুলি পৰিচয় দিয়া লোকজনে। ইফালে, এটিএমকাৰ্ডখন ব্যৱসায়ীজনে হোৱাটছএপযোগে প্ৰেৰণ কৰাৰ লগে লগে তেওঁৰ একাউণ্টৰ পৰা ১০ হেজাৰ টকা কৰ্তন হোৱা বুলি মেছেজ অহাত হতভম্ব হৈ পৰে। ব্যৱসায়ীজনে ততালিকে গ্ৰাহক সেৱা কেন্দ্ৰত ফোন কৰি এটিএমকাৰ্ড ব্লক কৰাতহে সমুদায় ধন লুট হোৱাৰ পৰা ৰক্ষা পৰে। ঘটনাৰ সন্দৰ্ভত ব্যৱসায়ীজনে সোণাৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

## ছিপাঝাৰত 'ছত্ৰ'ৰ উদ্যোগত মানসিক ৰোগীৰ চিকিৎসা সমস্যা, সজাগতা-ভৱিষ্যৎ সম্পৰ্কীয় কৰ্মশালা



অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ৩ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ অন্যতম সামাজিক অনুষ্ঠান 'ছত্ৰ'ৰ উদ্যোগত আজি ছিপাঝাৰৰ ত্ৰিনয়নপুৰস্থিত 'ছত্ৰ'ৰ কাৰ্যালয়ৰ সভাগৃহত মানসিক ৰোগীৰ চিকিৎসা সমস্যা, সজাগতা আৰু ভৱিষ্যৎ সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত দৰং জিলাৰ কে'বাগৰাকী জ্যেষ্ঠ সাংবাদিক উপস্থিত থাকে। 'ছত্ৰ'ৰ সঞ্চালক ননী শইকীয়াই বিগত ২০০৬ৰ পৰা 'ছত্ৰ'ই বৃহত্তৰ ছিপাঝাৰ অঞ্চলৰ উপৰি জিলাখনৰ মানসিক ৰোগীৰ চিকিৎসা সমস্যা, সজাগতা আৰু ভৱিষ্যৎ আদি সম্পৰ্কীয় বিষয়ত কাৰ্যপন্থাৰ বিৱৰণ দিয়ে। একেদৰে ২০১৩ ৰ পৰা 'সামূহিক মানসিক' স্বাস্থ্যৰ প্ৰকল্পৰ অধীনত মানসিক ৰোগীক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰাৰ বিষয়েও উল্লেখ কৰে।'

## যোৰহাটৰ বাঘচোঙত হাঁহ-কুকুৰা পালনৰ প্ৰশিক্ষণ প্ৰদান

অগ্ৰদূত বাৰ্তা
**কাকজান, ৩ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা প্ৰশাসন আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত অহা সাত, আঠ আৰু ন ছেপ্টেম্বৰত বাঘচোং খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখৰ ৫১ নম্বৰ গাঁও পঞ্চায়তৰ সামূহিক প্ৰেক্ষাগৃহত হাঁহ- কুকুৰা পালনৰ প্ৰশিক্ষণ প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণ কাৰ্যসূচীত ইচ্ছুক যুৱক-যুৱতীসকলে বিনামূলীয়াকৈ প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব। কে'বাজনো অভিজ্ঞ বিষয়া তথা পশু চিকিৎসকে হাঁহ-কুকুৰা দিবলগীয়া খাদ্য, বেমাৰৰ প্ৰতিষেধক, কেনে ঠাইত ৰখা উচিত আদি বিভিন্ন দিশসমূহ সামৰি বৈজ্ঞানিক পদ্ধতিৰে হাঁহ-কুকুৰা পালন সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰিব। প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী বা প্ৰশিক্ষণ সম্বন্ধীয় যিকোনো তথ্য জানিব বিচৰা ইচ্ছুকসকলকে ডাঃ ৰশ্মি ৰায়ক ৯০৮৫৯৫০৪১৬ আৰু ডাঃ পল্লৱী বৰুৱাক ৮৬৩৮০২৪৯৮৯ নম্বৰত যোগাযোগ কৰিব পাৰিব। নিবনুৱা যুৱক-যুৱতীসকলৰ লগতে হাঁহ-কুকুৰা পালনৰ প্ৰতি আগ্ৰহী ব্যক্তিসকলক প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

## ডিগবৈত বুজন পৰিমাণৰ লালীগুড় জব্দ

**ডিগবৈ, ৩ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ডিগবৈ চাৰিআলি বজাৰৰ পৰা বুজন পৰিমাণৰ লালীগুড় জব্দ কৰে আদিবাসী ছাত্ৰ সন্থা আৰু চাহ জনজাতি ছাত্ৰ সন্থাই। তৈলনগৰী ডিগবৈ চহৰৰ পাৰ্শ্বৱৰ্তী বিভিন্ন চাহ বাগিচা অঞ্চলত লালীগুড়ৰে প্ৰস্তুত কৰা অবৈধ চুলাইৰ ৰমৰমীয়া বেহা একাংশ দুষ্টলোকে মুকলিকৈ চলাই সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে বিভিন্ন অসামাজিক কাৰ্যকলাপ সংঘটিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত বিশেষ সূত্ৰৰ তথ্য ভিত্তিত চলোৱা অভিযানত এখন মালবাহী চটাহাতী ভৰ্তি লালীগুড় জব্দ কৰিবলৈ সক্ষম হয়। তথ্য অনুসৰি বাণিজ্যিক চহৰ তিনিচুকীয়াৰ পৰা ডিগবৈ চাৰিআলি বজাৰৰ পাইকাৰী ব্যৱসায়ী ৰাম কিৰ্থ চাহুৱে চটাহাতীৰে লালীগুড়খিনি কঢ়িয়াই আনি নিজা পাইকাৰী দোকানত নমাই থকাৰ অৱস্থাতে জব্দ কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত ডিগবৈ আৰক্ষীক খবৰ দিয়াত ততাতৈয়াকৈ উক্ত স্থানত উপস্থিত হৈ লালীগুড় কঢ়িয়াই অনা এএছ-২৩ এচি-৮৮১৮ নম্বৰৰ চটাহাতী বাহনখনৰ স'তে বুজন পৰিমাণৰ লালীগুড় অসাধু ব্যৱসায়ী ৰাম কিৰ্থ চাহুক আটক কৰে।

## ঠগ-প্ৰৱঞ্চনাৰে ধন আত্মসাৎ কৰা জগদীশ বৰাক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ৩ ছেপ্টেম্বৰ ঃ** চৰকাৰী বিভিন্ন আঁচনি, ঠিকা আদিকে ধৰি অন্যান্য চৰকাৰী সা-সুবিধা কৰি দিয়াৰ নামত ঠগ-প্ৰৱঞ্চনাৰে বিভিন্ন লোকৰ পৰা ধন আত্মসাৎ কৰা অপৰাধী জগদীশ বৰাক (৩৩) বিভিন্নজনৰ গোচৰৰ ভিত্তিত উত্তৰ লখিমপুৰ আৰক্ষীয়ে কালি আটক কৰে। উল্লেখ্য যে ৪২০/৪৬০ ধাৰাৰ অধীনৰ ৪৬৯/২২ পঞ্জীয়নভুক্ত গোচৰৰ ভিত্তিত বৰাক গ্ৰেপ্তাৰ কৰা হয়। আজাদ পঞ্চায়তৰ বিজেপি সদস্য তথা আজাদ ন-পমুৱা গাঁৱৰ নিবাসী বৰাই পঞ্চায়ত সদস্য কাৰ্যকালৰে পৰা নানা ছলাহী কথাৰে বিভিন্নজনৰ পৰা কৌশলেৰে টকা সৰকাই আহিছে। প্ৰৱঞ্চকজনে বিভিন্নজনৰ পৰা হেজাৰৰ পৰা দুই লাখ পৰ্যন্ত ধন আত্মসাৎ কৰে।

## যোৰহাটত সুলভ মূল্যৰ চাউলৰ চোৰাং বেহা

### পুলিবৰ আৰক্ষীয়ে জব্দ কৰিলে ৬০ বস্তা চাউল ঃ ধৃত তিনি

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ৩ ছেপ্টেম্বৰ ঃ** শেহতীয়াকৈ ৰাজ্য চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতিক উপলুঙা কৰি বৃহৎ পৰিমাণৰ সুলভ মূল্যৰ চাউল চোৰাংকৈ বিক্ৰী কৰিবলৈ নিয়া সমবায় এজেন্টসহ তিনিজন ব্যক্তিক এখন বলেৰ' পিক্আপ ভানসহ যোৱা নিশা পুলিবৰ থানাৰ আৰক্ষীয়ে আটক কৰে। উল্লেখ্য যে নগৰৰ উপকণ্ঠ পৰ্বতীয়া গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ এজেণ্টে চ'গুৰি চাপৰিত চোৰাংকৈ বিক্ৰীৰ বাবে নিয়া ৬০ বস্তা চাউলসহ এএছ-০৩ বিচি-৫৯৯৬ নম্বৰৰ বলেৰ' পিক্আপ ভানখন ৰাইজে জব্দ কৰি পুলিবৰ থানাৰ আৰক্ষীক খবৰ দিয়ে। নিশাই আৰক্ষী উপস্থিত হৈ সুলভ মূল্যৰ এজেন্ট নগেন মিছঙৰ লগতে তেওঁৰ পুতেক আৰু বাহনখনৰ চালকজনকো আৰক্ষীয়ে আটক কৰিছে। চাউলখিনি নগেন মিছঙৰ দোকানৰ পৰা কঢ়িয়াই আনিবৰ বাবে বীৰবল মিছঙে গাড়ীখন ভাড়াত পঠিয়াইছিল বুলি চালকজনে আৰক্ষীৰ আগত স্বীকাৰোক্তি দিছে। কিছুদিনৰ পূৰ্বে পৰ্বতীয়া সমবায় সমিতি লিমিটেডৰ পৰা চোৰাংকৈ চাউল বিক্ৰী হৈছিল আৰু আৰক্ষীয়ে চোৰাং চাউল বিক্ৰীৰ স'তে জড়িত দলটো চিনাক্তও কৰিছিল। খাদ্য আৰু যোগান পৰিক্ৰমা বিভাগৰ ঊৰ্ধ্বতন বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াতে দৰিদ্ৰ জনসাধাৰণৰ বাবে চৰকাৰে আবণ্টন দিয়া চাউল এইসকল বিষয়া-কৰ্মচাৰী আৰু এজেণ্টে বিক্ৰী কৰি বৃহৎ মুনাফা লুটি আছে বুলি ৰাইজে প্ৰায়ে অভিযোগ কৰে যদিও চোৰাংকৈ চাউল বিক্ৰী কৰা সকল কোনোদিনেই শাস্তিৰ সন্মুখীন হোৱা নাই। বৰ্তমানৰ চৰকাৰে চোৰাং চাউলৰ স'তে হাতে-লোটে ধৰা পৰা কেইজনক কি শাস্তি প্ৰদান কৰে সেয়া চাবলৈকে ৰাইজে অপেক্ষা কৰিছে। যোৰহাট জিলাৰ কেউখন পঞ্চায়ত সমবায় সমিতি লিমিটেডতে চোৰাংকৈ চাউল বিক্ৰী কৰি থকাৰ সম্পৰ্কত অলপ অনুসন্ধান কৰিলেই প্ৰমাণিত হ'ব বুলি বিভিন্নজনে মন্তব্য কৰিছে।

## ৰাঙলুত দুই কিশোৰসহ চাৰিজনকৈ চোৰ আটক

অগ্ৰদূত বাৰ্তা
**পুৰণিগুদাম, ৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ৰাঙলু আৰক্ষীয়ে চুৰি কাৰ্য সংঘটিত কৰাৰ অভিযোগত আজি দুই কিশোৰসহ চাৰিজনকৈ চোৰক আটক কৰে। প্ৰাপ্ত তথ্য মতে, ৰাঙলু আৰক্ষীয়ে একে বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত অভিযান চলাই আজি দুমাহ পূৰ্বে ৰাঙলু বজাৰৰ প্ৰসাধন সামগ্ৰীৰ দোকানত চুৰি কৰি লৈ যোৱা চুৰি সামগ্ৰীসহ চোৰকেইজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত চোৰকেইজন হৈছে চায়েদ আলী (৩৭), মিৰাজুল হুছেইন (২৩) আৰু দুজন কিশোৰ । আটকাধীন লোককেইজন অধিক তথ্যৰ বাবে জেৰা অব্যাহত আছে বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

## ৰেলৱে ষ্টেছনত গাঞ্জাসহ দুজনক আটক



**বৰপথাৰ, ৩ ছেপ্টেম্বৰ ঃ** বৰপথাৰ আৰক্ষীৰ জালত পৰিল দুই গাঞ্জা সৰবৰাহকাৰী। উল্লেখ্য যে উজনিমুৱা ইণ্টাৰচিটি এক্সপ্ৰেছ ৰেলখন বৰপথাৰ ৰেলৱে ষ্টেছনত ৰওতেই বিশেষ খবৰৰ ভিত্তিত আৰক্ষীয়ে গাঞ্জাসহ দুজন লোকক কৰায়ত্ত কৰে। ধৃত লোক দুজন ক্ৰমে ৰচিদুল ইছলাম আৰু ফিৰোজ হুছেইন। দুয়োৰে ঘৰ নগাঁও জিলাত। ধৃত সৰবৰাহকাৰী দুজনৰ পৰা ১০ কেজিৰো অধিক গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষী। উল্লেখ্য যে বৰপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰেমেশ্বৰ শইকীয়াৰ নেতৃত্বত যোৱা আৰক্ষীয়ে বিশেষ সূত্ৰৰ ভিত্তিত চলোৱা অভিযানত গাঞ্জাসহ আটক কৰিছিল সৰবৰাহকাৰী দুজনক। আনহাতে, ধৃত সৰবৰাহকাৰী দুজনে গাঞ্জাখিনি ক'ৰ পৰা কেনেকৈ ৰেলযোগে আৰু কাক দিবলৈ আনিছিল সেয়া উদ্ধাৰ কৰিবলৈ তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

### সৰুপথাৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ খাদ্য প্ৰস্তুতকৰণ আৰু সংৰক্ষণৰ কৰ্মশালা

## চাকৰি কৰিবলৈহে বয়সৰ প্ৰয়োজন, ব্যৱসায় কৰিবলৈ বয়স নালাগে



**সৰুপথাৰ, ৩ ছেপ্টেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ কেন্দ্ৰীয় শিশু, আই-মাতৃ কল্যাণ শাখা সমিতিৰ উদ্যোগত আৰু ধনশিৰি জিলা শাখাৰ আতিথ্য আৰু ব্যৱস্থাপনাত সৰুপথাৰ খনিকৰ গাঁৱৰ নৰহৰি প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাংগণত আজি দিনজোৰা কাৰ্যসূচীৰে খাদ্য প্ৰস্তুতকৰণ আৰু সংৰক্ষণ কৰ্মশালাৰ আয়োজন কৰে। কৰ্মশালাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই কৰ্মশালা উদ্বোধন কৰে। তেওঁ ভাষণত কৰ্মশালাত প্ৰশিক্ষণ ল'বলৈ অহা যুৱক-যুৱতী আৰু আই-মাতৃসকলক উদ্দেশি তত্ত্বগধুৰ কথা কয়। তেওঁ কয় যে বৰ্তমান অসমৰ মানুহ চাকৰিমুখী হ'ল। নিজৰ ল'ৰাটো বা ছোৱালীজনীৰ এটা চকিদাৰৰ চাকৰিৰ আশাত অসমৰ মানুহে এখন বিদ্যালয় বা এটা উদ্যোগ খুলিবলৈ বহিৰাগত মানুহক শ শ বিঘা মাটি দান কৰিবলৈও কুণ্ঠাবোধ নকৰে। কিন্তু সেই মাটিত কৃষি কৰিবলৈহে এলাহ। বহিঃৰাজ্যৰ ফল-মূল বা ৰঙীণ প'ষ্টাৰ লগোৱা আচাৰ, পানীয় অত্যধিক

১৩ পৃষ্ঠাত চাওক

## মৰনৈত উদ্যোগ স্থাপনৰ নামত চোৰাংকৈ শাল গছ কাটিছে ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেডে



অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২ ছেপ্টেম্ফৰ ঃ** নিশাৰ ভাগত চোৰাংকৈ হেজাৰ হেজাৰ শাল গছ কাটি ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেড চমুকৈ বিপিচিএলে উদ্যোগ স্থাপন কৰাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। উল্লেখ্য যে গোৱালপাৰা সৈনিক স্কুলৰ সমীপত কোদালধোৱা-দহিকটা পথৰ পূব প্ৰান্তত মৰনৈস্থিত মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰ চৌহদত ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেডৰ নামত আৱণ্টিত ভূমিত ইতিমধ্যে নিৰ্মাণকাৰ্য আৰম্ভ হৈছে। কিন্তু বিপিচিএলৰ উদ্যোগ স্থাপনৰ বাবে আৱণ্টিত উক্ত ভূমিডোখৰ বন্যহস্তীৰ অন্যতম আশ্ৰয়স্থলৰূপে ব্যৱহৃত হৈ আহিছে। লগতে উক্ত অঞ্চল হেজাৰ হেজাৰ শাল গছৰে পৰিপূৰ্ণ হৈ আছে। কিন্তু সম্প্ৰতি নিৰ্মাণ কাৰ্যৰ নামত বিপিচিএলে নিশাৰ ভাগত চোৰাংকৈ হেজাৰ হেজাৰ শাল গছ কাটি থকা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। দীৰ্ঘদিনৰ পৰাই বন্যহস্তীয়ে আশ্ৰয় গ্ৰহণ কৰি থকা উক্ত অঞ্চলটোৰ শালনীঝাৰ ধ্বংস হ'লে পাৰ্শ্বৱৰ্তী জনবসতিপূৰ্ণ অঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ বৃদ্ধি পোৱাটো নিশ্চিত বুলি ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। স্থানীয় আগশাৰীৰ সচেতন নাগৰিক তথা সূৰ্য পাহাৰ মহাপীঠস্থান পৰিচালনা সমিতিৰ সম্পাদক হৰমোহন কলিতাই কয় যে আমি উদ্যোগ স্থাপনৰ বিৰোধী নহয়,

১৩ পৃষ্ঠাত চাওক

## বয়োজ্যেষ্ঠ নাগৰিক ছাবিৰ আনচাৰীৰ মৃত্যু

বিশেষ সংবাদদাতা
**ৰঙাপৰা, ৩ ছেপ্টেম্বৰ ঃ** ৰঙাপৰা চহৰৰ ১০ নম্বৰ ৱাৰ্ডৰ বাসিন্দা জলহা জনগোষ্ঠীৰ সদস্য আকবৰ আলী (গল্ডেন)ৰ পিতৃ তথা অঞ্চলটোৰ বয়োজ্যেষ্ঠ নাগৰিক-ধাৰ্মিক ব্যক্তি ছাবিৰ আনচাৰী (৭০)ৰ পুৱা তেজপুৰস্থিত মিছন হাস্পতালত দেহাৱসান ঘটে। আনচাৰী কিছুদিন ধৰি হৃৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মতি মছজিদ পৰিচালনা সমিতিৰ সদস্য সৰবৰহী ধৰ্মপ্ৰাণলোকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। তেওঁ মৃত্যুৰ সময়ত সহধৰ্মিণীৰ লগতে পুত্ৰ-বোৱাৰী, কন্যা নাতিৰ লগতে বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। বিয়লি তেওঁৰ জানাজা মতি মছজিড কবৰস্থানত সম্পন্ন হয়।

# চিত্ৰগৃহত দৰ্শক উৎসাহিত

## মুক্তি পালে জনকনন্দিনী



বিশেষ বিষয়বস্তু আৰু পটভূমিত নিৰ্মিত এখন নতুন অসমীয়া ছবি 'জনকনন্দিনী' দুই ছেপ্টেম্বৰত অসমৰ সকলোবোৰ চিত্ৰগৃহতে মুক্তি লাভ কৰিলে। নিজি প্ৰডাকচনৰ বেনাৰত ৰিংকু দাস প্ৰযোজিত ছবিখন পৰিচালনা কৰিছে এগৰাকী সংস্কৃতিবান উদ্যোগী মহিলা কুঞ্জলতা গগৈ দাসে। মুখ্য সহকাৰী পৰিচালক ৰূপে আছে অৰিন্দম কাশ্যপ।

'জনকনন্দিনী'ৰ বিষয়বস্তু আৰু পটভূমি হ'ল অসমৰ সত্ৰীয়া সংস্কৃতি। অসমৰ সত্ৰীয়া সংস্কৃতিয়ে সমগ্ৰ ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকক বিশেষভাৱে আকৰ্ষিত কৰি আহিছে। বিশ্বৰ মানুহৰ দৃষ্টিত থকা অসমৰ সত্ৰীয়া সংস্কৃতিক মূল বিষয়বস্তু হিচাপে লৈ নিৰ্মিত ছবিখনত পোৱা যায় এটি মনপৰশা কাহিনী। যি কাহিনীয়ে দৰ্শকক আমাৰ কৃষ্টি-সংস্কৃতিৰ মাজেৰে সমাজ পৰিয়ালৰ বহু নতুন বাৰ্তা দিবলৈ সক্ষম হৈছে। অসমৰ লোক-কৃষ্টি তথা সংস্কৃতিক একপ্ৰকাৰ বেপাৰলৈ ৰূপান্তৰিত কৰাৰ অচিলাত একাংশ লোকে সাতামপুৰুষীয়া কলা-সংস্কৃতিক বিকৃতও যে কৰি আছে সেয়াও ছবিখনৰ কাহিনীৰ মাজত বৰ সাৱলীলভাৱে উপস্থাপন কৰিছে পৰিচালকে। কুঞ্জলতা গগৈ দাসৰ পৰিকল্পনা আৰু কাহিনীৰ আলমত ছবিখনৰ চিত্ৰনাট্য আৰু সংলাপ লিখিছে বিষ্ণুজ্যোতি সন্দিকৈ, অৰিন্দম কাশ্যপ আৰু অমিতাভ বৰাই। 'জনকনন্দিনী' ৰ নাম ভূমিকাত অভিনয় কৰিছে নৃত্যাংগনা অভিনেত্ৰী নন্দিনী কাশ্যপে। চলচ্চিত্ৰ জগতত প্ৰথম খোজতেই নন্দিনীয়ে সকলোৰে মন জয় কৰিবলৈ পাৰিছে অভিনয়ৰ জৰিয়তে। অভিনয়ৰ উপৰি তেওঁ এগৰাকী আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সত্ৰীয়া নৃত্য শিল্পী। খুব কম বয়সৰ পৰাই সত্ৰীয়া নৃত্য শিকা অভিনেত্ৰী নন্দিনীয়ে লণ্ডনত দুবাৰকৈ সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছে। ছবিখনত নন্দিনীৰ বিপৰীতে আছে নায়ক গুঞ্জন ভৰদ্বাজ। জ্যেষ্ঠ অভিনেতা অৰুণ নাথে ৰূপায়ণ কৰা মাজুলীৰ সত্ৰ এখনৰ সত্ৰাধিকাৰৰ চৰিত্ৰত বেছ সাৱলীল ৰূপ প্ৰকাশ পাইছে। নিগেটিভ চৰিত্ৰত মাধুৰীমা চৌধুৰী, মাকৰ চৰিত্ৰত অপৰ্ণা দত্ত চৌধুৰী, গৱেষণাৰ বাবে মাজুলীলৈ অহা প্ৰবাসী অসমীয়াৰ চৰিত্ৰত ৰঞ্জীৱলাল বৰুৱা আৰু নিউজ চেনেলৰ মালিকৰ চৰিত্ৰত ৰূপম বৰুৱাৰ অভিনয় উল্লেখযোগ্য। সদ্য প্ৰয়াত পংকজ পূজাৰী আৰু মহানগৰীৰ এগৰাকী সত্ৰীয়া সংস্কৃতিৰ সাধকৰ চৰিত্ৰত নৃত্যাচাৰ্য পদ্মশ্ৰী যতীন গোস্বামীয়ে কৰা অভিনয়েও আপ্লুত কৰিছে। ছবিখনৰ নৃত্য নিৰ্দেশনা কৰিছে পদ্মশ্ৰী যতীন গোস্বামীয়ে। সংগীত পৰিচালনা নন্দ বেনাৰ্জীৰ। সংগীত ব্যৱস্থাপনা, অনুপ শৰ্মাৰ। প্ৰতিমা দাস আৰু অপূৰ্ব জ্যোতি ভূঞাৰ ৰচিত গীতসমূহত কণ্ঠ দিছে— জুবিন গাৰ্গ, অংগৰাগ মহন্ত, জুবলী বৰুৱা, মধুস্মিতা ভট্টাচাৰ্য আৰু সত্যাসন্ধাই। মাজুলীৰ সত্ৰীয়া পৰিবেশ আৰু কাহিনীৰ ক্লাইমেক্সত ভাহি অহা বৰগীত, ৰাগ-ভটিমাবোৰে দৰ্শকৰ মন প্ৰাণ হৰি নিয়ে। টেকনিকেল দিশতো ছবিখনৰ মান উন্নত। সঞ্জীৱ তালুকদাৰে সম্পাদনা কৰা ছবিখনৰ ভি, এফ, এক্স ধৰ্মেন্দ্ৰ দাসৰ। ডি আই কালাৰিষ্ট সুজিত বৰা (মুম্বাই)। মিক্স এণ্ড মাষ্টৰিং জ্যোতি চেতিয়া (মুম্বাই)। কুঞ্জলতা গগৈ দাসৰ সাজসজ্জাৰে ৰূপসজ্জা ভূমিকা তালুকদাৰৰ। পাপু ডেকাই গুৱাহাটীৰ লগতে মূখ্যতঃ মাজুলীৰ সুন্দৰ সুন্দৰ আপুৰুগীয়া লোকেচনত চিত্ৰগ্ৰহণ কৰা ছবিখন চাই সঁচাকৈয়ে এক অনাবিল অনুভূতি পোৱা যায় ।

# ৰথী-মহাৰথীৰে নাট্যযুদ্ধত উদয়নীল নাট্য পৰিষদ

প্ৰতিষ্ঠাৰ লোভত মদমত্ত হৈ কোনোবাই দুৰ্যোধনৰ ভাও লৈ গৃহযুদ্ধৰ ৰণশিঙা বজায়, কোনোবাই ভাও লয় দুঃশাসন-শকুনি আদি। ইহঁতৰ হাতত বঞ্চিত লাঞ্ছিত হয় বহু নৰ-নাৰী। যুঁজ হয় আপোনক পৰ কৰাৰ। এদিন ষড়যন্ত্ৰৰ চক্ৰবেহু দেখি অসহায় হৈ পৰে মহাৰথী ঠিক কুৰুক্ষেত্ৰৰ যুদ্ধত সুতপুত্ৰ মহাৰথী কৰ্ণৰ দৰে। সম্পৰ্কৰ চিতা জুই দেখি এদিন কান্দোনত ভাগি পৰিল মহাৰথী (মণ্টু কাকতি) তথাপি সংসাৰৰ যুদ্ধত তেওঁ যুঁজিবই লাগিব কাৰণ তেওঁ যে মহাৰথী-গৃহযুদ্ধৰ মহাৰথী। তেনে এটা বলিষ্ঠ কাহিনী, সুমধুৰ সংলাপ, গঠনমূলক বাৰ্তা আৰু দুৰ্দান্ত নাটকীয় সমৃদ্ধ স্বনামধন্য নাট্যকাৰ ৰাধেশ্যাম কলিতাৰ ৰচনা আৰু পৰিচালনাৰে চলিত ২০২২-২৩ নাট্যবৰ্ষৰ উদয়নীল নাট্য পৰিষদৰ




বৰ্ষশ্ৰেষ্ঠ নাট গৃহযুদ্ধৰ মহাৰথী। কামৰূপ জিলাৰ সৰুলাহ শ্ৰীহাতীৰ বিশিষ্ট শিল্পী প্ৰতাপ কলিতাৰ বলিষ্ঠ প্ৰযোজনাত জন্মলাভ কৰা উদয়নীল নাট্য পৰিষদত গৃহযুদ্ধৰ মহাৰথী নাটখন ভ্ৰাম্যমাণৰ বলিষ্ঠ অভিনেতা মণ্টু কাকতি আৰু দক্ষ অভিনেতা ভূপেন তালুকদাৰৰ বলিষ্ঠ অভিনয়। এটা খাটি খোৱা পৰিয়ালৰ অপায়-অমংগল, অসূয়া, অপ্ৰীতিৰ আৰু কূটাঘাতকাৰীৰ জীৱন্ত দলিল গৃহযুদ্ধৰ মহাৰথী। গৰিমা আৰু গৌৰৱেৰে নাট্য জগতত অৱস্থান কৰা নাট্যদলটোৰ নাটকেইখন সৰ্বাংগ সুন্দৰ কৰি তুলিবলৈ এবুকু আশা বুকুত বান্ধি শ্ৰেষ্ঠত্ব উজাৰি দিয়া অভিনেতা- অভিনেত্ৰীসকলৰ দুৰ্দান্ত অভিনয় শৈলীত আখৰা গৃহতে দৰ্শকৰ সোঁত বৈছে? জন্ম লগ্নৰ পৰা এটা সাংস্কৃতিক লক্ষ্য আগত লৈ নাট্যকলা নাট্য সাহিত্যতো অগ্ৰণী ভূমিকা লোৱা নাট্যদলটোত অভিনয় কৰা অন্যান্য শিল্পীসকল হ'ল—পৰশমণি কলিতা, উদ্দীপন দাস, ডেমীড কলিতা, অপূৰ্ব দাস, উৎপলহীৰা, চুনু, ভগৱান, বনশ্ৰী তালুকদাৰ, শ্ৰুতিমালা ডেকা, পিংকী, বিউটি বৰুৱা আদি। নাট্যদলটোৰ অন্য এখন নাট নাট্যকাৰ ৰমা বৰ্মনৰ কামাণ্ডো। পোহৰ হেমন্ত, সামগ্ৰিক পৰিকল্পনা মণ্টু কাকতি, সহ প্ৰযোজক শশীপ্ৰভা কলিতা।

## আখৰা গৃহতে দৰ্শকৰ সোঁত

# হিমাংশু প্ৰসাদ দাসৰ

## 'বুলু ফিল্ম'

জনপ্ৰিয় নাট্যকাৰ,পৰিচালক তথা অভিনেতা হিমাংশু প্ৰসাদ দাসৰ চতুৰ্থখন চিনেমা এইবাৰ এক নতুন ৰূপত পাব চিনেমাপ্ৰাণ ৰাইজে। যাক এইটো সময়ত সৰ্বোত্ত প্ৰকাৰে ঢৌ উঠিছে উজনিৰ পৰা নামনিলৈ। যিখন চিনেমাৰ নামেই হৈছে 'বুলু ফিল্ম'। সহজ ভাষাত ক'বলৈ হ'লে আপোনাৰ মোৰ মনত ক্ৰিয়া কৰা সেইবিধ 'বুলু ফিল্ম' বুলি যদিহে আপুনি ভাবিছে তেন্তে চিনেমাখননো কি তাকে কওঁ শুনক, লকডাউনৰ সময়। চৌদিশে কি কি ঘটনা হৈছিল পুনৰ বাৰ নক'লেও হয়তো আপুনি আকৌ এবাৰ অনুমান কৰিব পাৰিছে। গতিকে লকডাউনৰ বিষয়ত পৃথিৱী কথা ন'কৈ অসমৰে এখন গাঁও বিষয়ে কওঁ। নামনি অসমৰ এখন সাধাৰণ গাঁৱকো বাৰুকৈয়ে সমস্যাত পেলাইছিল লকডাউনে। লকডাউনৰ এই ভয়ানক সময়খিনিত মূলতঃ নিম্ন-



মধ্যবিত্ত লোকৰ বসতিপ্ৰধান সেই গাঁওখনৰ লোকসকলে ভীষণ অভাৱৰ সন্মুখীন হৈছিল । অন্য ৰাজ্যৰ বা জিলাৰ দৰে সেইখন গাঁৱৰে তিনিজন যুৱকেও হেৰুৱাবলগীয়া হৈছিল কৰ্মসংস্থাপন। হেৰুৱায় ভোকৰ ভাত। সময় যোৱাৰ লগে লগে তিনিওৰে ঘৰত অভাৱে ভয়ংকৰ ৰূপ লোৱাত তেওঁলোকে উপাৰ্জনৰ বিকল্প পথ বিচাৰি বিচাৰি অৱশেষত গাঁৱতে 'বুলু ফিল্ম' নিৰ্মাণৰ পৰিকল্পনা কৰে। সেই 'বুলু ফিল্ম' ইন্টাৰনেটত আপলোড কৰি অসংখ্য ধন ঘটাৰ সপোন দেখা তিনিওজন যুৱকে অৱশেষত মুখামুখি হয় এক চৰম অভাৱনীয় বাস্তৱৰ। মূলতঃ এই কাহিনীৰে নিৰ্মাণ কৰা হৈছে 'বুলু ফিল্ম' নামৰ চিনেমাখন।

হিমাংশু প্ৰসাদ দাসৰ পৰিচালনাত নিৰ্মিত চতুৰ্থখন চিনেমা হৈছে 'বুলু ফিল্ম'। 'ছাকিৰা আহিব বকুলতলৰ বিহুলৈ', 'গৰু', 'হিৰো' নামৰ তিনিখন চিনেমা নিৰ্মাণ কৰাৰ পাছত এইবাৰ কিছু অন্য অবাস্তৱিক চিন্তাৰে নতুন ধৰণৰ অথচ মানুহৰ জীৱনৰ ৰূঢ় বাস্তৱৰ সত্যতাক উজাগৰ কৰা এক কাহিনীৰে হিমাংশু প্ৰসাদ দাসে নিৰ্মাণ কৰিছে 'বুলু ফিল্ম'। এইখন চিনেমাই শেহতীয়াকৈ 'প্ৰাগ চিনে এৱাৰ্ডত' কে'বাটাও শিতানত বঁটা লাভ কৰিছে । শ্ৰেষ্ঠ সহ অভিনেত্ৰীৰ বঁটা লাভ কৰিছিল চিনেমাখনৰ মূল নায়িকা চৰিত্ৰ ৰূপায়ণ কৰা প্ৰণামী বৰাই। শ্ৰেষ্ঠ সহ অভিনেতাৰ বঁটা লাভ কৰিছিল অপুৰ্ব বৰ্মনে। শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা লাভ কৰিছিল হিমাংশু প্ৰসাদ দাস। মহৰ্ষি তুহিন কাশ্যপ আৰু চাংকু নিৰঞ্জন নাথে। শ্ৰেষ্ঠ আৱহ সংগীত বঁটা লাভ কৰিছিল পল্লৱ তালুকদাৰে। শ্ৰেষ্ঠ গীতিকাৰ বঁটা লাভ কৰিছিল সাগৰ সৌৰভে। এইজনা হিমাংশু প্ৰসাদ দাসৰ কাহিনীৰে নিৰ্মিত চিনেমাখনত পৰিচালক হিমাংশু প্ৰসাদ দাসে নিজেই এটা মুখ্য চৰিত্ৰ ৰূপায়ণ কৰাৰ লগতে অভিনয় কৰিছে প্ৰণামী বৰা, অপুৰ্ব বৰ্মন, চাংকু নিৰঞ্জন নাথ, অনামিকা শৰণীয়া, গৌৰৱজ্যোতি দাস, শিখা ঠাকুৰীয়া আদিয়ে।

হাস্য-ব্যংগ শৈলীৰে আৰম্ভ হোৱা চিনেমাখনে পৰিসমাপ্তিত এক অভাৱনীয় পৰিণতিত শেষ হয়। ইতিমধ্যেই সমালোচকৰ আদৰ লাভ কৰা চিনেমাখন অহা দুই ছেপ্টেম্বৰত সমগ্ৰ অসমৰ চিনেমাহলত মুক্তি লাভ কৰিব ।

# মুক্তিৰ বাবে সাজু অনুৰাধা শৰ্মা পূজাৰী গল্পৰ আধাৰত নিৰ্মিত অসমীয়া চলচ্চিত্ৰ

## অনুৰ

**মুখ্য চৰিত্ৰত বলীউডৰ জনপ্ৰিয় শিল্পী ৰজত কাপুৰ**

ডাঃ গাপেন্দ্ৰ মাহেন দাসৰ শিৱম ক্ৰিয়েচনৰ প্ৰযাজেনাত একাদিক্ৰমে "কেকটাচ" আৰু "কানীন" নামৰ দুখন চলচ্চিত্ৰ নিৰ্মাণৰ পাছত, বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীৰ এটি চুটি গল্পৰ আধাৰত যুৱ পৰিচালক মঞ্জুল বৰুৱাৰ পৰিচালনাৰে নিৰ্মিত "অনুৰ" চলচ্চিত্ৰখনি সম্প্ৰতি মুক্তিৰ বাবে সাজু হৈ উঠিছে। মূলতঃ বৃদ্ধাৱস্থাত একাংশ পিতৃ-মাতৃয়ে নিজৰ সন্তান থকাৰ পাছতো কেনেদৰে নিসংগ হৈ পৰে আৰু সেই শোক-সন্তাপবোৰ কেনেদৰে অবদমন কৰি থাকিবলগীয়া হয় তাকেই মূল বিষয়বস্তু হিচাপে লৈ



ছবিখনিৰ চিত্ৰনাট্য-সংলাপ লিখিছে পৰিচালক মঞ্জুল বৰুৱাই। চিনেমাটোগ্ৰাফী সুমন দুৱৰাৰ। সংগীত পৰিচালনা কৰিছে জনপ্ৰিয় শিল্পী তৰাল শৰ্মাই। ছাউণ্ড ডিজাইন কৰিছে অমৃত প্ৰীতমে। সাজসজ্জা গৰিমা শইকীয়া গাৰ্গৰ। মেকআপ আৰ্টিষ্ট তীব্ৰজ্যোতি বৈৰাগী। ছবিখনি সম্পাদনা কৰিছে টুৰেনচাঙে। ৰি-ৰেকৰ্ডিং আৰু মিক্সিং কৰিছে দেবাজিৎ চাংমাইয়ে। পোষ্টাৰ ডিজাইন কৰিছে ৰিতুপৰ্ণ বৰাই। 'অনুৰ'ত অভিনয় কৰিছে ক্ৰমে— বলীউডৰ জনপ্ৰিয় শিল্পী ৰজত কাপুৰ, ড° জাহানাৰা বেগম, বলোৰাম দাস, উদয়ন দুৱৰা, ৰাজশ্ৰী শৰ্মা, বিদ্যা ভাৰতী, বিভূতি ভূষণ হাজৰিকা, মানস দাস, ড° জয়ন্ত দাস, আখ্যা জে. কাশ্যপ, ময়ূৰ জি. দাস, শ্ৰুতিমালা শইকীয়া, কুল কুলদীপ, ৰয়ন্তী ৰাভা, মিতু বি. কাশ্যপ, দ্ৰুপদ দাস, অঞ্জনাভ ৰাজখোৱা আদিয়ে। ছবিখনি অহা বৰ্ষৰ ২৭ জানুৱাৰীত মুক্তিলাভ কৰাৰ কথা।



